লখিমী সবাহ পতাৰ কোনো নিৰ্দিষ্ট দিন-বাৰ, তাৰিখ, চন নাই। আহিন-কাতি অথবা ফাগুন-চ'ত মাহৰ কোনোবা এটা শুভ দিনত লখিমী সবাহ উদ্‌যাপন কৰা হয়। এই সবাহ প্ৰতিবছৰে পতা নহয়, তিনি চাৰিবছৰৰ মূৰতহে আয়োজন কৰা হয়। এৰোখন গাঁৱৰ বাইজ লগ লাগি এই সবাহ গাঁৱৰ নামঘৰতে অনুষ্ঠিত কৰে। নামঘৰতেই প্ৰত্যেকে সমজুৱাভাৱে লখিমীক আৰাধনা কৰে। লখিমী সবাহৰ দিনা নামঘৰত সমজুৱা সেৱা হোৱাৰ পাছত গায়ন-বায়ন সকলোৱে নামঘৰটো পাঁচ বা সাত পাক ঘূৰে। ইয়াৰ পাছত দুণধাৰী, কলচীধাৰীসহ গাঁৱৰ আইসকল আৰু বাইজ লখিমী আনিবলৈ ওচৰৰ কোনো নদী বা পুখুৰীলৈ যায়। কলপটুৱাৰে প্ৰস্তুত কৰি উলিওৱা এখন দোলাও লখিমী আনিবৰ বাবে তেওঁলোকে লগত লৈ যায়। যিখন নদীৰ পৰা লখিমী অনা হয় সেই নদী বা পুখুৰীটোক 'লখিমী তোলা' ঘাট বুলি কোৱা হয়। দলটোৰ সকলোৱে আগত গায়ন-বায়ন থাকে। দোলাভাৰীৰ আগত কুমাৰী ছোৱালীয়ে দুপৰি কলচী লৈ আৰু এগৰাকী তিৰোতাই হাতত উঘা লৈ আগে আগে এৰী সূতা আৰি ঘাটলৈ যাত্ৰা কৰে। গায়নৰ দলটোত আঠ-দহজনৰ পৰা ত্ৰিশ-চল্লিশ জনলৈকে থাকে। ঠাইবিশেষে এই গায়নৰ দলটোক বাৰেঘৰীয়া, গায়নিয়াৰ দলা, গায়ন আদি ভিন ভিন নামেৰে জনা যায়। গায়নৰ দলটোৱে ঘূৰি, জামা, চেলেঙচাদৰ আৰু মূৰত পাগুৰি পৰিধান কৰে। মৃদং আৰু তাল বাদ্যযন্ত্ৰত সংগত কৰে। লখিমী সবাহ যিহেতু কৃষিভিত্তিক অনুষ্ঠান গতিকে পথাৰৰ শস্য নদন-বদন হোৱাৰ কামনাৰে লখিমীক আদৰিবলৈ গায়ন-বায়ন, গোপিনীসকলৰ নামেৰে পানী তুলিবলৈ যোৱাৰ নিয়ম। গায়ন-বায়ন আৰু পিছে পিছে গোপিনীসকলে হাত-চাপৰি বাই ভক্তিপূৰ্ণভাৱে লখিমীক আদৰিবলৈ নাম গাই যায় এনেদৰে-

"মেঘে ঘিট্ ঘিট্নি তালে মৃদঙে
লখিমী আই আনোগৈ বুলি
ভকতে গোপিনী দিয়া আশীৰ্বাদ
লখিমী আই আহকে বুলি।।"

*(কছাৰী, নন্দেশ্বৰ ঃ সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়, পৃ.১১১)*

এইদৰে এঁৱা সূতাৰে শুকুলা সাঁকো নিৰ্মাণ কৰি শুকুলা দোলা, গায়ন-বায়ন, গোপিনীৰে সৈতে সকলোৱে লখিমী তোলা ঘাট পায়গৈ। ঘাটত উপস্থিত হৈয়ে লখিমীক উদ্দেশ্যি পুনৰ গোপিনীসকলে গাই এনেদৰে-

"আজিয়ে আহিছো গোপিনীসকলে
লক্ষ্মী আই আদৰো বুলি।
হাতত লৈ আহিছো দলনি কলচি
লক্ষ্মী আই মাননী বুলি,
নামতে সন্তোষ হোৱা ঐ লক্ষ্মী আই
মাতিছো চৰণতে ধৰি।"

*(হাজৰিকা, জিন্তু ঃ সোণোৱাল কছাৰীসকলৰ লোকজীৱন, পৃ.১৪০-১৪৩)*

এইদৰে নামেৰে মিনতি কৰি গোপিনীসকলে লখিমী মাতে। ইয়াৰ পাছত তেওঁলোকে জাকৈ বাবলৈ পানীত নামে। পানীত নামি জাকৈ বোৱাৰ আগত নদী বা পুখুৰী পাৰতে গাতগিৰি, মহাদেউ, পাৰ্বতী, কুবেৰ বুঢ়া-বুঢ়ী, বিধি-বিধাতা, লখিমী ন-ভনী, থলৰ ন-ভনী আদি বিভিন্ন দেৱ-দেৱীক আগ-মান কৰি ভাগ দিয়া হয়। কলপটুৱাৰ ডোঙত মাননীসহ তামোল-পাণ, পিঠা, বাঁহৰ চুঙাত পানী দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে এই মান আগবঢ়োৱা হয়। মালিনী, নুমলী, জেতৈদে, মেতৈদে, চম্পাদে, তুলাদে, জবাদে, চেৰেংদৈ আৰু চেপাদে লখিমী ন-ভনীৰ নামো লখিমী সবাহৰ গীতত উল্লেখ আছে। এনেদৰে সেৱা জনাই গোপিনীসকলে পানীত নামি জাকৈ বাই চাবত উঠা পুঠি খলিহনা, জেং-আবৰ আদি সকলো লখিমী বুলি গ্ৰহণ কৰি দোলাৰ ভিতৰত ভৰাই থয়। জাকৈ বাই থাকোতেও লখিমী নাম গাই থাকে এনেদৰে-

"জাকৈ কুলে কুলে জাকৈখন মাৰিলো
শেলুৱে উঠে ঐ শেলুৱাই উঠে।
পূৰ্বলে এথেৱা মাৰো ঐ লক্ষ্মী আই
উত্তৰ দক্ষিণে আছা কোন দিশে"

-ইয়াৰ পাছত সকলোৱে দোলাত তুলি থোৱা লখিমীক পুনৰ গায়ন-বায়ন আৰু গোপিনীৰ নামেৰে নামঘৰলৈ আদৰি আনে। উঘাৰে এঁৱা সূতা পুনৰ টানি আনে। নামঘৰত সকলোৱে তিনিপাক ঘূৰি লখিমী ভৰাওঁতে গায় এনেদৰে-

"লখিমী আহিছে নামঘৰত সোমাইছে
লগাইছে সুবৰ্ণ বাতি
ভকতসকলে দিয়া ঐ আশীৰ্বাদ
লখিমী আই সোমাওঁকগৈ বুলি।"

*(বড়া সন্দিকৈ, নিবেদিতা ঃ সোণোৱাল কছাৰী লোকসংস্কৃতি, পৃ.১১)*

-নামঘৰত লখিমী ভৰায়ে কল, মিঠৈ, ফলমূল মাহপ্ৰসাদেৰে ভৰপূৰ শৰাই আগ কৰি গায়ন-বায়ন গাইদলটোৱে নাম-প্ৰসঙ্গ কৰে। গোপিনীসকলে ওৰে ৰাতি লখিমী সবাহৰ নাম লয়। ৰাতিপুৱাহে শৰাই ভাঙি তাত উপস্থিত থকা



...লোকৰ মাজত প্ৰসাদ বিতৰণ কৰে। ইয়াৰ পাছত নামঘৰতে গাঁৱবাসীৰ মাজত লখিমী ভাগ কৰি দিয়া হয়। প্ৰত্যেক ঘৰৰ গৃহিণী তথা গৃহস্থই নিজৰ নিজৰ ভাগ ঘৰলৈ আনি এঁৱা সূতাৰে সৈতে লখিমী ভঁৰালত ভৰাই থৈ সন্ধিয়ালৈ ভঁৰালৰ মূৰত বন্তি প্ৰজ্বলন কৰি সবাহৰ সামৰণি পেলায়।

### ১.২ লখিমী সবাহ লুপ্ত হ'বলৈ ধৰা কাৰণ ঃ

পৰিবৰ্তনমুখী সংস্কৃতিৰ প্ৰভাৱ সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত লখিমী সবাহত পৰাটো স্বাভাৱিক। বিশ্বায়নৰ জয়যাত্ৰা আৰু প্ৰযুক্তিৰ ধামখুমীয়াত এই অনুষ্ঠান লুপ্ত হোৱাৰ পথত। লুপ্ত হ'বলৈ ধৰা সততে দৃষ্টিগোচৰ হোৱা কেইমান কাৰণ ইয়াত উল্লেখ কৰা হ'ল-

- বিশ্বায়নৰ ফলত দেশী-বিদেশীৰ বহু উৎসৱ-অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ লোৱাত এনে অনুষ্ঠানসমূহ লুপ্ত হোৱাৰ উপক্ৰম হৈছে। গাঁৱে-ভূঞে সামাজিক গণমাধ্যমসমূহে স্পৰ্শ কৰাৰ ফলত বহিৰাগত উৎসৱসমূহৰ হেঁচাতো এনে লোক উৎসৱসমূহ ম্লান পৰা দেখা যায়।
- বৰ্তমান কৃষিৰ লগত নতুন প্ৰজন্মৰ সংস্পৰ্শ কমি গৈছে। কেৱল লখিমী সবাহেই নহয়, কৃষিভিত্তিক আন আন উৎসৱসমূহৰ বিষয়েও নতুন প্ৰজন্ম জ্ঞাত নহয়। লখিমী সবাহৰ দৰে পৰম্পৰাৰ পৰা আঁতৰি অহা ইও এটা কাৰণ বুলিব পাৰি।
- শিক্ষাৰ প্ৰসাৰৰ লগে লগে লোকবিশ্বাসৰ আধাৰত গঢ় লৈ উঠা এনে উৎসৱৰ প্ৰতি বিশ্বাস কমি অহা পৰিপ্ৰেক্ষিতত হয়তো লখিমী সবাহ পালন কৰিবলৈ মানুহে অনীহা প্ৰকাশ কৰে।
- লখিমী সবাহ অনুষ্ঠিত কৰাৰ কোনো সময়, দিন-বাৰ নোহোৱা হেতুকে কৰ্মব্যস্ত মানুহৰ মাজত ইয়াৰ গুৰুত্ব কমি গৈছে।
- সময়ৰ পৰিপ্ৰেক্ষিতত এই উৎসৱ গুৰুত্বহীন হৈ পৰিছে। সমাজত ব্যয়বহুল আৰু জাকজমকতাৰে লক্ষ্মীপূজা পালন কৰাৰ বাবেও লখিমী সবাহলৈ আগ্ৰহ কমি অহাটো স্বাভাৱিক।
- অতীজত গাঁৱৰ বাইজ লগ লাগি আহিন-কাতি অথবা ফাগুণ-চ'ত মাহৰ কোনোবা এটা শুভদিনত লখিমী সবাহ আয়োজন কৰে। আজিকালি ঠাইবিশেষে লক্ষ্মীপূজাৰ দিনাই লখিমী সবাহ পতা দেখা যায়। ফলত সৰ্বসাধাৰণৰ মাজত লক্ষ্মীপূজা আৰু লখিমী সবাহৰ পাৰ্থক্য বিচাৰি নোপোৱাৰ বাবেও লখিমী সবাহ দিনক দিনে হ্ৰাস হৈ আহিব ধৰিছে।
- পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত নতুনক আদৰা মানসিকতাৰ বাবেও পুৰণি লোক অনুষ্ঠানসমূহ মৃত্যুমুখী হোৱাৰ কাৰণ বুলিও বিবেচনা কৰিব পাৰি।

### ২.০ সিদ্ধান্ত আৰু উপসংহাৰ ঃ

'বিলুপ্তিৰ পথত সোণোৱাল কছাৰীসকলৰ লখিমী সবাহ' শীৰ্ষক গৱেষণাপত্ৰৰ জৰিয়তে তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি-

- শস্যৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে সোণোৱাল কছাৰীসকলে লখিমীক পূজা-সেৱা কৰাৰ পৰম্পৰা লখিমী সবাহত পৰিলক্ষিত হয়।
- লখিমী সবাহত পৰিৱেশিত গীত-মাতসমূহে তেওঁলোকৰ কৃষ্টি-সংস্কৃতিৰ স্বাক্ষৰ বহন কৰিছে। লগতে গীতসমূহত নাৰীৰ মনস্তত্বৰ ছবিখনো প্ৰতিফলন ঘটিছে।
- লখিমী সবাহত গাঁৱৰ সকলোৱে অংশগ্ৰহণ কৰি সামাজিক ঐক্যৰ বান্ধোন কটকটীয়া কৰি ৰখাত সহায় কৰিছে।

সাম্প্ৰতিক সময়ত প্ৰত্যেক জাতি-জনগোষ্ঠীয়ে স্বকীয়তা বজাই ৰখাৰ বাবে পৰম্পৰাগত উৎসৱ-অনুষ্ঠানসমূহ

পালন কৰিবলৈ প্ৰস্তুতি অব্যাহত ৰাখিছে। সোণোৱাল কছাৰীসকলেও এই প্ৰচেষ্টাক আদৰণি জনাইছে। সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, সোণোৱাল কছাৰী সাহিত্য সভা, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, সোণোৱাল কছাৰী সন্মি গণমঞ্চ, সোণোৱাল কছাৰী নাৰী সন্থা আদিয়ে নিজৰ কৃষ্টি-সংস্কৃতিৰ বহুল চৰ্চা কৰি নিজস্ব বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিবলৈ পৰম্পৰাগত উৎসৱসমূহ অনুষ্ঠিত কৰিবলৈ নতুনকৈ পদক্ষেপ লৈছে। যুগৰ বতাহত হেৰাই যাবলৈ ধৰা লগিমী সকাহ দৰে পৰম্পৰাগত উৎসৱসমূহক জীয়াই ৰাখিবলৈ লোৱা যোগাত্মক চিন্তাধাৰা সঁচাই শলাগিবলগীয়া। এনে আগ্ৰহ আ প্ৰস্তুতিত লোকপৰম্পৰাৰ লগত নতুনকৈ আয়োজন কৰা উৎসৱ-অনুষ্ঠানসমূহৰ কিমান সঙ্গতি আছে সেইটো বিবেচনাযোগ্য। হ'লেও আশা কৰা হৈছে, এনেধৰণৰ চিন্তা-চৰ্চা আৰু প্ৰণালীবদ্ধ অধ্যয়নে অদূৰ ভৱিষ্যতে সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত উৎসৱসমূহক জীপাল কৰি তুলিব।


*সহায়ক গ্ৰন্থপঞ্জী :*

*অসমীয়া :*

১। কছাৰী, নন্দেশ্বৰ : সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়
সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১১

২। গগৈ, লীলা : অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা
বনলতা, ডিব্ৰুগড়, ২০০১ চন

৩। চলিহা, হেমন্ত কুমাৰ : সোণোৱাল কছাৰীৰ সংস্কৃতি, সতীৰ্থ জ্ঞানযাত্ৰা
মাধবদেৱ মহাবিদ্যালয় প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৭

৪। দাস, নাৰায়ণ (সম্পা.) : অসমৰ সংস্কৃতি- কোষ
অসমীয়া বিভাগ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ হৈ,
জ্যোতি প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, জুলাই ২০১৪

৫। বড়া সন্দিকৈ, নিৰেদিতা : সোণোৱাল কছাৰী লোক-সংস্কৃতি
কিৰণ প্ৰকাশন, ধেমাজি,প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০১৪

৬। শৰ্মা, নবীনচন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস, গুৱাহাটী, ১৯৮৯

৭। হাজৰিকা, জিন্তু : সোণোৱাল কছাৰীসকলৰ লোকজীৱন এক প্ৰণালীবদ্ধ অধ্যয়ন
শব্দ প্ৰকাশ, থানাৰোড, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১৩

*English :*

1. Darsan, R.M. (Ed.) : Folklore and Folklife, Chicago, 1972


*পাদটীকা :-*

১. Richard M. Dorson : Folklore and Folklife An Introduction, P. No. 12

২. নবীনচন্দ্ৰ শৰ্মা : অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ.৪৫

□□□

# Ethnic Costumes In North-East India



Published by:
Department of Home Science
Duliajan Girls' College
Duliajan, Assam

Editors :
Mrs. Anumoni Gogoi
Mrs. Geetima Dutta
Dr. Bani Lekha Phukan

ETHINC COSTUMES IN NORTH-EAST INDIA - A Collection of Selected Full Papers Submitted for the ICSSR Sponsored National Seminar of 'Ethinc Costumes in North-East India : Artistic Craftsmanship and Aesthetic Value' on 26th & 27th April, 2019, Organized by the Department of Home Science, Duliajan Girls' College, Duliajan

| | |
|---|---|
| 1st Edition | : October, 2019 |
| Published by | : Department of Home Science<br>Duliajan Girls' College, Dist.- Dibrugarh (Assam) |
| Advisors | : Mr. Bhupen Saikia<br>*President, Governing Body, Duliajan Girls' College* |
| | Dr. Lakhimi Phukon<br>*Principal, Duliajan Girls' College* |
| | Mrs. Sujata Sarma Borkataky<br>*Vice-Principal, Duliajan Girls' College* |
| Edited by | : Mrs. Anumoni Gogoi<br>*HoD., Home Science* |
| | Mrs. Geetima Dutta<br>*Asst. Professor, Department of Home Science* |
| | Dr. Bani Lekha Phukan<br>*Asst. Professor, Department of Home Science* |
| Cover Design | : Dr. Bani Lekha Phukan<br>*Asst. Professor, Department of Home Science* |
| ISBN No. | : 978-81-942630-5-0 |
| Price | : Rs. 1000/- (One Thousand Only) |
| Copyright | : Editors |
| Printed at | : The Assam Computers, Kachujan Path, Tinsukia<br>Ph.No.- 0374-2330424 |


*The views and research findings provided in this publication are those of the authors only and the editors are in no way responsible for its content.*

# Contents ......


Ethnic Costumes in North East India : Artistic Craftsmanship and Aesthetic Values
*Dr. Bulbul Baruah* 11

Endangered Folk culture in Northeast India: A Case of Folk Costumes of the Tai Ahom
*Girin Phukon* 24

Multi-Phase Indian Costumes –Yesterday, Today and Tomorrow
*Dr. Sundarvel Amsamani* 34

Developmental Support for the Tai-Khamyangs for their Language, Culture and Tradition
*Dr. Buddhin Gogoi, Giteemoni Saikia, Priyanka Keot* 41

The Aesthetics of the Lepcha Traditional Costumes of Sikkim: The Changing Context
*Anira Phipon Lepcha* 48

Ethnic costumes and socio-culture: A case Study on Moran Community of Assam
*Dr. Lakhimi Phukon, Sujata Borkataky* 53

Vrindavani Vastra : A Traditional Textiles of Assam
*Dr. Sanjita Chetia* 61

Values of Ethnic costumes: An attempt to throw light and discern the traditional dresses of the Deoris of Assam
*Atrayee Kashyap* 66

Textiles and Jewellery of Hill Tiwa Community
*Suravi Konwar, Dr. Binita B. Kalita* 75

The present status of the traditional textile motifs and designs of the Mishing community
*Dr. Lizamoni Chungkrang and Saradi Jyostna Gogoi* 81

Traditional Textiles Of Nocte Naga Community
*Anumoni Gogoi* 88

Ethinic Costumes of Singpho Community – A Case Study at No.1 Dibong Singpho Gaon
*Geetima Dutta* 91

A Study on Traditional Costumes of Mising Community of Assam
*Dr. Smita Rani Saikia* 97

Sericulture Industry of Assam - Its Prospect and Problems - A Case Study of Govt. Muga V.G.R. Sapekhati
*Paran Kotoky* 108

Ethnic Flavour in Dr.Bhupen Hazarika's Lyrical Production
*Kalyan Jyoti Khanikar* 113

The Hmar Ethnic Costume - Its Entrepreneurship Prospect and Preservation
*Juliet n Tuolor* 121

A Study on Traditional Costumes of Bodo tribes of Assam
*Parishmita Neog, Dr. Satvinder Kaur* 127

আহোমসকলৰ পৰম্পৰাগত সাজপাৰ : সংৰক্ষণ আৰু পৰিবৰ্তনত শিক্ষাৰ ভূমিকা 361
*ট্ৰুলুমণি চেতিয়া, গীতালি হাজৰিকা*

মিচিং নাৰীসকলে পৰিধান কৰা সাজপাৰৰ স্বকীয়তা আৰু পৰম্পৰা — এটি সম্যক আলোচনা 370
*হেমন্ত কুমাৰ বৰুৱা*

মিচিংসকলৰ সাজপাৰ : কলাত্মক শিল্পকৌশল আৰু নান্দনিক সৌন্দৰ্য্যবোধৰ নিদৰ্শন 375
*বিজুমণি দত্ত*

উজনি অসমৰ পৰম্পৰাগত সাজপাৰ, এক চমু অৱলোকন 382
*দীনেশ কুমাৰ গগৈ*

অসমৰ পৰম্পৰাগত গহনাৰ অনুৰূপ হস্তনিৰ্মিত মাটিৰ গহনা 388
*ৰশ্মিৰেখা মহন্ত*

নক্টেসকলৰ সাজপাৰ : এটি অধ্যয়ন 391
*ৰুপুমী সোনোৱাল*

ৰাংছু জনগোষ্ঠীৰ সাজপাৰ 398
*ড° জ্যোতিৰেখা গগৈ*

মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পাৰ আৰু আ-অলংকাৰ — এটি বিশ্লেষণ 406
*টংকেশ্বৰ দাস, পল্লৱী দত্ত*

অসমৰ কন্যাক নগাসকলৰ লোক আভৰণ : এটি চমু আলোকপাত 409
*ড° মনী শ্যাম, ড° নাদুল বাজকোঁৱৰ*

টাই আহোমসকলৰ সাজপাৰ : এটি বিশ্লেষণাত্মক অধ্যয়ন 413
*ড° মুনমী কোঁৱৰ হাজৰিকা*

অসমৰ টাইমূলৰ জনগোষ্ঠীৰ সাজপাৰ আৰু আ-অলংকাৰ : এক আলোচনা 417
*পম্পী গগৈ*

অসমীয়া সমাজৰ বস্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস 421
*ভাগ্যশ্ৰী গগৈ*

পূৰণি অসমৰ সাজ-পাৰ আৰু আ-অলংকাৰ : এটি আলোচনা 429
*ডঃ মীনাক্ষি দত্ত বৰ্মন*

অসমীয়া লোক-সাহিত্যত পৰম্পৰাগত সাজপাৰ আৰু আ-অলংকাৰৰ প্ৰসংগ : এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন 437
*মৃদুজ্যোতি কলিতা*

অসমৰ পৰম্পৰাগত সাজপাৰ আধাৰিত ফেশ্বন ডিজাইনিং 445
*মনোৰঞ্জন বৰবৰৈ*

# বান্‌ছু জনগোষ্ঠীৰ সাজপাৰ

ড° জ্যোতিৰেখা গগৈ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, নাহৰকটীয়া মহাবিদ্যালয়

সাৰাংশ :

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল। এই উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ ভিতৰত বান্‌ছুসকল অন্যতম। বান্‌ছুসকল বৃহত্তৰ নগা জনগোষ্ঠীৰে এটা ঠাল। নৃগোষ্ঠীৰ ফালৰ পৰা বান্‌ছুসকল মংগোলীয় গোষ্ঠীৰ আৰু ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা তিব্বত-বৰ্মীৰ অন্তৰ্গত। অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাকে ধৰি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাতো তেওঁলোকৰ বসতি পোৱা যায়। বৰ্তমান শিৱসাগৰ জিলাৰ কনকপুৰ, টাংলুং, অটিম বস্তি, টিয়কীয়া নগাগাঁও আৰু ডিব্ৰুগড় জিলাৰ গবিয়াবাম গাঁৱত বান্‌ছুসকলে বসতি কৰি আছে। কিন্তু বান্‌ছুসকলৰ পূৰ্ব বাসস্থান সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায়। বান্‌ছুসকলৰ সমাজত প্ৰচলিত জনশ্ৰুতি অনুসৰি পাটকাই সিপাৰে দক্ষিণ-পশ্চিমফালে থকা নগালেণ্ডৰ টুৱেনচাং জিলাৰ চিনু লফে চানু নামৰ ঠাইডোখৰেই আছিল তেওঁলোকৰ আদিম বাসস্থান। তেওঁলোকে এই ঠাইৰ পৰা টানু আৰু চানু নামৰ দুটা ভিন্ন পথেৰে বেলেগ গোটত ভাগ হৈ বৰ্তমানৰ বসতি স্থলত প্ৰৱেশ কৰে। টানুৰ মাজেৰে অহাবিলাক টাংজান আৰু চানুৰ মাজেৰে অহাবিলাক 'চাংজান' নামেৰে জনা যায়। বৰ্তমান অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম জনগোষ্ঠী হিচাপে বান্‌ছুসকলে পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। বৃহত্তৰ অসমীয়া সমাজ সংস্কৃতিলৈ বান্‌ছুসকলৰ অৱদান যথেষ্ট। বান্‌ছুসকলৰ সমাজ-সংস্কৃতি কেতবোৰ নিজস্ব বৈশিষ্ট্যৰে চহকী। তেওঁলোকৰ মাজত প্ৰচলিত পৰম্পৰাগত সাজপাৰে বান্‌ছু সংস্কৃতিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। এই বান্‌ছুসকলৰ সাজপাৰৰ বিষয়ে আলোচনা পত্ৰখন প্ৰস্তুত কৰিবলৈ যত্ন কৰা হ'ব। আলোচনা পত্ৰখন প্ৰস্তুত কৰোতে মুখ্য আৰু গৌণ দুয়োৰে উৎসৰ পৰাই তথ্য সংগ্ৰহ কৰা হ'ব। বৰ্ণনাত্মক পদ্ধতিৰে পত্ৰখনৰ আলোচনা আগবঢ়োৱা হ'ব যদিও প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতিও গ্ৰহণ কৰিম।

প্ৰস্তাৱনা :

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল। এই উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠী সমূহৰ ভিতৰত বান্‌ছুসকল অন্যতম। বান্‌ছুসকল বৃহত্তৰ নগা জনগোষ্ঠীৰে এটা ঠাল। নৃগোষ্ঠীৰ ফালৰ পৰা বান্‌ছুসকল মংগোলীয় আৰু ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা তিব্বত বৰ্মীৰ অন্তৰ্গত। অৰুণাচল প্ৰদেশৰ লংডিং জিলাকে ধৰি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু ডিব্ৰুগড় জিলাতো তেওঁলোকৰ বসতি পোৱা যায়। বৰ্তমান শিৱসাগৰ, চৰাইদেউ জিলাৰ কনকপুৰ, টাংলুং, অটিম বস্তি, টিয়কীয়া নগাগাঁও আৰু ডিব্ৰুগড় জিলাৰ গবিয়াবাম গাঁৱত বান্‌ছুসকলে বসতি কৰি আছে। কিন্তু বান্‌ছুসকলৰ পূৰ্ব বাসস্থান সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায়। পাটকাই সিপাৰে দক্ষিণ-পশ্চিমফালে থকা নগালেণ্ডৰ টুৱেনচাং জিলাৰ চিনু নদে' চানু ঠাইডোখৰেই আদি বাসস্থান আছিল বুলি





তেওঁলোকৰ মাজত জনশ্ৰুতি প্ৰচলিত। তেওঁলোকে এই ঠাইৰপৰা টানু আৰু চানু নামৰ দুটা ভিন্ন পথেৰে বেলেগ ভাগ হৈ বৰ্তমানৰ বসতি স্থলত প্ৰৱেশ কৰে। টানুৰ মাজেৰে অহাবিলাক 'টাংজান' আৰু চানুৰ মাজেৰে অহাবিলাক 'চাংজান ' নামেৰে পৰিচিত। বৰ্তমান অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম জনগোষ্ঠী হিচাপে বান্‌ছুসকলে পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ জীৱন প্ৰণালী, সমাজ ব্যৱস্থা আদিয়ে বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিলৈ এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। বান্‌ছুসকলৰ সমাজ-সংস্কৃতি কেতবোৰ নিজস্ব বৈশিষ্ট্যৰে চহকী। তেওঁলোকৰ মাজত ব্যৱহৃত পৰম্পৰাগত সাজপাৰে বান্‌ছু সংস্কৃতিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। সেয়ে বান্‌ছুসকলৰ সাজপাৰৰ বিষয়ে এই আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব :**

বৰ্তমান বিশ্বৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক, ভাষিক, নৃতাত্ত্বিক আদি বিভিন্ন দিশত অধ্যয়নৰ পৰম্পৰা গঢ় লৈ উঠিছে। বান্‌ছুসকলৰ বিষয়ে নানা গৱেষণা আৰু আলোচনা হৈছে যদিও সেয়াই যথেষ্ট নহয়। সেয়েহে বান্‌ছু জনগোষ্ঠীটোৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন কৰাটো এই আলোচনা পত্ৰৰ উদ্দেশ্য।

এই আলোচনাত বান্‌ছুসকলৰ পৰম্পৰাগত সাজপাৰৰ বিষয়ে অধ্যয়ন কৰা হৈছে। স্বকীয় বৈশিষ্ট্য তথা পৰিচয় দিব পৰা বহু তথ্য পোহৰলৈ অনাই এই অধ্যয়নৰ মুখ্য উদ্দেশ্য আৰু গুৰুত্ব। এই উদ্দেশ্যৰ লগতে আন বহুতো আনুসংগিক তথ্য পোহৰলৈ আহিব। সেইবোৰ হৈছে -

- বান্‌ছুসকলে কি কি পৰম্পৰাগত সাজপাৰ পৰিধান কৰে সেইবিলাকৰ নাম সংগ্ৰহ।
- সাজপাৰ বিলাক কোনসময়ত পৰিধান কৰে ।
- পুৰুষ আৰু স্ত্ৰীভেদে সাজপাৰ বিলাক কেনেকুৱা ।
- বয়নশিল্পৰ বিষয়ে অধ্যয়ন
- সাজপাৰ প্ৰস্তুতকৰণ,ৰং, ডিজাইন এই দিশবোৰৰ বিষয়ে আলোকপাত কৰা হ'ব।

**অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি :**

'বান্‌ছুজনগোষ্ঠীৰ সাজপাৰ' শীৰ্ষক গৱেষণা পত্ৰখনৰ পৰিসৰ যথেষ্ট ব্যাপক। বান্‌ছুসকলৰ পুৰুষ-মহিলা উভয়ৰ বিভিন্ন সাজ-পোছাক ব্যৱহাৰৰ পৰা আৰম্ভ কৰি তৈয়াৰ কৰালৈকে ইয়াৰ সৈতে জড়িত সকলো দিশ আলোচনা পত্ৰখনত স্থান দিয়া হৈছে।

আলোচনা পত্ৰখনত মাইকৈ বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে যদিও প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**অধ্যয়নৰ সমল :**

আলোচনাৰ সমলসমূহ প্ৰাথমিক আৰু গৌণ দুয়োটা উৎসৰ পৰাই গ্ৰহণ কৰা হৈছে। প্ৰাথমিক সমল হিচাপে ক্ষেত্ৰ অধ্যয়ন আৰু গৌণ সমল হিচাপে বিভিন্ন গ্ৰন্থ, আলোচনী, গৱেষণা পত্ৰ, ইন্টাৰনেট আদিৰ সহায় লোৱা হৈছে।

**বান্‌ছু জনগোষ্ঠীৰ সাজপাৰ :**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বান্‌ছুসকলৰো স্বকীয় পৰিচয় দিব পৰা কিছুমান সাজপাৰ আছে।

বানছুসকলৰ পুৰুষ মহিলাভেদে সাজপাৰ বিলাক ভিন্ন ভিন্ন । ইয়াত পুৰুষ মহিলা উভয়ৰে সাজপাৰৰ এক আলোচনা আগবঢ়োৱা হ'ল -

**বানছু পুৰুষৰ সাজপাৰ ঃ**

বানছু পুৰুষসকলে নিজৰ পৰিচয় দাঙি ধৰিব পৰা পৰম্পৰাগত সাজপাৰ পৰিধান কৰা পৰিলক্ষিত হয়। বানছু পুৰুষে পৰিধান কৰা সাজপাৰ বিলাক এনেধৰণৰ -

**ক) খিয়াহিট (Khiya Hit)**

বানছু পুৰুষসকলে শৰীৰৰ নিম্নাংশত কঁকালত টনা মাৰি যিখন কাপোৰ ব্যৱহাৰ কৰে সেইখনকে 'খিয়া হিট' বুলি কোৱা হয়। যিখনক লেঙটি বুলিও কোৱা হয়। খিয়া মানে কঁকাল, হিট মানে মেৰিওৱা অৰ্থাৎ কঁকাল মেৰিয়াই পিন্ধাৰ বাবেই এই বস্ত্ৰখনৰ নাম খিয়াহিট। কঁকালত মেৰিয়াই লৈ সৰু আগ এটা আগফালে উলিয়াই খিয়াহিট পৰিধান কৰে। কিছুমানে আকৌ কঁকালত ৰছি বান্ধি নিম্নাংশত খিয়াহিট মাৰি আগদুটা আগফালে আৰু পিছফালে দুয়োফালে উলিয়াই পিন্ধে। ঘৰত আৰু ফুৰিবলৈ যাওঁতে পৰিধান কৰা খিয়াহিট খনৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। খিয়াহিটৰ ৰঙ সাধাৰণতে নীলা। ই বহলে ১৮ ইঞ্চি আৰু দীঘলে ৯½ ফুট থাকে। ঘৰত পৰিহিত খিয়াহিটখন তেনেই সাধাৰণ উকা। ঘৰৰ বাহিৰলৈ গলে ব্যৱহাৰ কৰা খিয়াহিটখনত দুয়োমূৰে ৰঙা সূতাৰে দহিবটাৰ উপৰিও হীৰা আকৃতিৰ নক্সা বা ফুল বাছি লয়। কেতিয়াবা ৰঙা উণেৰে ফুল থোপা তৈয়াৰ কৰি দুয়োমূৰে লগায় লয়। সাধাৰণতে তেওঁলোকে ৰঙা সূতাৰেই ফুল আৰু দহিবটাৰ নিয়ম। ৰজা আৰু প্ৰজাই পৰিধান কৰা খিয়াহিটৰ মাজতো বহু পাৰ্থক্য আছে। প্ৰজাই নীলা ৰঙৰ উকা খিয়াহিটখন আৰু বাহিৰলৈ ফুৰিবলৈ গলে বা উৎসৱ পাৰ্বণত ৰঙসূতাৰে ফুলবছা, দহি বটা খিয়াহিটখন পৰিধান কৰিব পাৰে। ইয়াৰ বিপৰীতে ৰজাৰ খিয়াহিটখন উচ্চ মান বিশিষ্ট দেখাবৰ বাবে দুয়োমূৰে ৰঙ-বিৰঙৰ ফুল বাছি, দহি বাটি, মণি-মুকুতা গাঁঠি দিয়া হয়। অ'ৰিয়া' উৎসৱত খিয়াহিটৰ প্ৰচলন প্ৰচুৰ ।

**নেফাকোট (Nefa-Coat)**

বানছু পুৰুষসকলে ওপৰৰ অংশত পৰিধান কৰা হাতখৰা চোলাটোৰ নামেই হ'ল নেফাকোট। সাধাৰণতে নেফাকোট ক'লা আৰু মাখন ৰঙৰ থাকে যদিও ক'লা ৰঙৰ প্ৰচলনেই অত্যাধিক। নেফাকোটৰ আগফালটো খোলা, বাঁও আৰু সোঁফালে দুটা ক্ৰেপ থাকে। কোটৰ কাষ বিলাকত আৰু তলৰফালে হালধীয়া, সেউজীয়া, ৰঙা ৰঙেৰে প্ৰতীকধৰ্মী ৰূপত নানা চিত্ৰ অংকন কৰে। সেই চিত্ৰ বিলাকত মানুহ, চিকাৰৰ বিভিন্ন সঁজুলি, পূৰণ চিন আকৃতিৰ যাঠি, জ্যামিতিক আৰ্হিৰ ফুলৰ চিহ্ন উল্লেখযোগ্য। নেফাকোটত অংকন কৰা চিত্ৰ অনুসৰি ৰজা আৰু প্ৰজাই পৰিধান কাৰ সাজৰ মাজত পাৰ্থক্য আছে । যাঠিৰে পূৰণ চিন অংকিত নেফাকোট ৰজাইহে পৰিধান কৰিব পাৰে, সাধাৰণ মানুহে নোৱাৰে। সাধাৰণ মানুহে পৰিধান কৰা নেফাকোটত জ্যামিতিক আৰ্হিৰ ফুল, মানুহ, যুদ্ধৰ সঁজুলি আদিৰ চিহ্নহে থাকে। যদি কেতিয়াবা প্ৰজাই যাঠি চিহ্ন থকা নেফাকোট পিন্ধে তেতিয়া সেই কোটত ৰজাৰ কোটত থকা যাঠিৰ সংখ্যাতকৈ কম হ'ব লাগিব আৰু আকৃতিও সৰু হ'ব লাগিব।

**খহম ( Khohom)**

খহম হৈছে বানছু পুৰুষসকলে মূৰত পৰিধান কৰা টুপী। বানছুসকলে এই খহম বাঁহ, বেত, কাপোৰ আৰু জন্তুৰ ছালেৰে নিৰ্মাণ কৰে। বেলেগ বেলেগ সামগ্ৰীৰে নিৰ্মাণ কৰা খহমবিলাকৰ নামো ভিন্ন ভিন্ন।





কাপোৰে নিৰ্মিত খহমক 'মেনচা', পেতেৰে নিৰ্মিত খহমক 'কদম খুমথুক' আৰু জন্তুৰ ছালেৰে নিৰ্মিত খহমক 'মেইচা খুমথুক' বুলি কয়। বাঁহৰ পৰা নিৰ্মাণ কৰা খহম খহম নামেৰেই পৰিচিত। খহমৰ সাধাৰণ ৰঙ ৰঙা হলেও হালধীয়া আৰু ক'লা ৰঙৰ খহমৰো প্ৰচলন দেখা যায়। ইয়াৰ আকৃতি ঘূৰণীয়া। চৰাইৰ পাখি, জন্তুৰ দাঁত, নখ, পহুৰ কাঁইট, পক্ষীৰ ঠোঁট, পহুৰ নেজ আদিৰে খহম সু-সজ্জিত কৰি লোৱা হয়। বানছু সমাজত সকলো বয়সৰ লোকে খহম পৰিধান কৰে। দৈনন্দিন জীৱনত সাধাৰণ খহম ব্যৱহাৰ কৰা পৰিবৰ্তে উৎসৱ অনুষ্ঠানত ভাগ ললে অলংকৃত খহম পৰিধান কৰে। খহম পৰিধানৰ ক্ষেত্ৰত ৰজা আৰু প্ৰজাৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। হাতী আৰু বনগাহৰিৰ দাঁতেৰে সৌন্দৰ্য বঢ়োৱা বাঁহ আৰু বেতেৰে নিৰ্মিত খহম ৰজাইহে পিন্ধিব পাৰে। ইয়াৰ বিপৰীতে প্ৰজাই বেত আৰু কাপোৰে নিৰ্মিত উকা খহমহে পিন্ধে। কেতিয়াবা প্ৰজাৰ বাঁহৰ খহম পিন্ধিবলৈ প্ৰবল ইচ্ছা থাকিলে অলংকৃত নকৰা সাধাৰণ উকা খহম পিন্ধিব পাৰে।

**নিপঙ (Nyipong)**

বানছু পুৰুষসকলে শৰীৰৰ ওপৰৰ অংশত পিন্ধা চোলাটোৰ নামেই নিপঙ। ইয়াৰ ৰঙ নীলা। হাতখৰা আৰু হাতদীঘল দুয়োবিধৰ নিপঙ পোৱা যায়। খিয়াহিটৰ লগত মিলাই নিপঙত ফুল বাছি লোৱা হয়।

**নিবুন (Nyibun)**

অসমীয়া সমাজত 'নগাশ্বল' নামেৰে পৰিচিত কাপোৰখনেই হৈছে বানছুসকলৰ নিবুন। এই নিবুন বানছু পুৰুষসকলে জাৰকালি ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ ব্যৱহাৰ কৰে। নিবুনৰ ৰঙ ৰঙা। বৰ্তমান সময়ত নীলা আৰু ক'লা ৰঙৰ নিবুনৰো প্ৰচলন দেখা যায়। বাঘ, বাঘৰ মূৰ, যাঠি, হাতী, বন গাহৰিৰ দাঁত, জ্যামিতিক আকাৰৰ সৰু সৰু চিহ্ন দি নিবুনৰ সৌন্দৰ্য বঢ়ায়। নিবুন লোৱাৰ ক্ষেত্ৰতো ৰজা আৰু সাধাৰণ লোকৰ মাজত পাৰ্থক্য আছে। ৰজাৰ নিবুনত হাতী দাঁত, বন গাহৰিৰ দাঁত, বাঘ,বাঘৰ মূৰ, যাঠি আদিৰ চিহ্ন থাকে। প্ৰজাৰ নিবুনত জ্যামিতিক আকাৰৰ সৰু সৰু ফুল বছা আৰু গাৰি দিয়া থাকে।

**দাখাউ - পাক (Dakhau-Pak)**

দাখাউ- পাক বানছু পুৰুষে গাত পাক মাৰি পিন্ধা এবিধ বস্ত্ৰ। আচলতে ই এবিধ বিশেষ হোৱা সদৃশ খৰাহীহে। যাক অসমীয়া সমাজত মোনা বুলিও কোৱা হয়। দাখাউ-পাক বাঁহ আৰু বেতেৰে নিৰ্মিত। ৰঙ বিৰিঙৰ উণ, হাতী দাঁত, চৰাই পাখি আদিৰে দাখাউ-পাক অলংকৃত কৰা হয়। দাখাউ পাকৰ তলফালে এটা টিলিঙা ওলোমাই দিয়া হয়। ইয়াৰ উপৰিও সৌন্দৰ্য বঢ়াবৰ বাবে তলফালে বগা উণ আৰু প্লাষ্টিক দীঘল দীঘলকৈ ওলোমাই দিয়ে। উকা দাখাউ-পাক দৈনন্দিন জীৱনত আৰু অলংকৃত দাখাউ-পাক উৎসৱ অনুষ্ঠানত লোৱা হয়। বিশেষকৈ অ'ৰিয়া উৎসৱত নৃত্য কৰোতে বাঁও বা সোঁ কান্ধত নৃত্যকৰা সকলে দাখাউ পাক লয়।

**বানছু মহিলাৰ সাজপাৰ ঃ**

বানছু মহিলাই পৰিধান কৰা সাজপাৰটো জাতিটোৰ নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। বানছু মহিলা সকলে পৰিধান কৰা সাজপাৰ বিলাক এনেধৰণৰ -

**নিখে (Nyikhex)**

নিখে বানছু মহিলাই কঁকালত মেৰিয়াই পিন্ধা এবিধ বস্ত্ৰ। ঠাইবিশেষে এই বস্ত্ৰবিধক নাম্ম, কৌনি নামেৰেও জনা যায়। অঞ্চলভেদে এই নিখেৰ আকাৰ, পিন্ধন, নক্সা, শৈলী আদি বেলেগ বেলেগ। নিখেৰ ৰঙ সাধাৰণতে ক'লা যদিও

আজিকালি বঙা, বগা, হালধীয়া, সেউজীয়া বিভিন্ন বঙৰ সংমিশ্ৰণত গানি দি দি নিখে তৈয়াৰ কৰা হয়। নিখেৰ কাষ দুটাৰ বঙ একে হয়। ক'লা বা নীলা আৰু মাজডোখৰ বঙা, তাতেই ভিন্ন বঙী সূতাৰে গানি দিয়ে, জ্যামিতিক আৰ্হি ফুল বাছে। সাধাৰণতে মহিলাসকলে কঁকালত গাঁঠি মাৰি নিখে পিন্ধে। নৃত্য কৰাৰ সময়ত খহি নপৰিবৰ বাবে নিখেৰ ওপৰত বগা মণিৰ বেল্ট মাৰে। অৱশ্যে আজিকালি কিছুমানে ওপৰৰ অংশত বঙী ভৰাই কঁকালত মেৰিয়াই পিন্ধাও দেখা যায়। অন্যহাতে পেটিকোট পিন্ধিও এইনিখে পৰিধান কৰে। নিখে পৰিধানলৈ লক্ষ্য কৰিলে বিবাহিত অবিবাহিত মহিলাক চিনিব পাৰি। বিবাহিত আৰু বয়সস্থ মহিলাই কঁকালৰ পৰা ভৰিৰ পানী গাঁঠি চুই যোৱাকৈ নিখে পিন্ধে। ইয়াৰ বিপৰীতে গাভৰুবিলাকে চুটিকৈ নিখে পিন্ধে। ভলফালে বঙ-বিৰঙৰ মণি লগাই সৌন্দৰ্য বঢ়োৱা নিখে কেৱল বজাঘৰীয়া মহিলাই পৰিধান কৰিব পাৰে। নিখে বহলে তিনিফুট আৰু দীৰ্ঘে পাঁচ ফুট। অৱশ্যে মহিলা বিশেষে এই জোখৰ তাৰতম্য ঘটে। টেকটৈকে বৈ উলিয়াই পিছত জোখমতে চিলাই বহল কৰে। দৈনন্দিন জীৱনৰ উপৰিও বানছু মহিলাসকলে বিবাহত আৰু অ'বিয়া উৎসৱত নৃত্য কৰোঁতে নিখে পৰিধান কৰে।

### নিচা (Nyisa)

বানছু মহিলাই কান্ধত পেলাই লোৱা বস্ত্ৰখনৰ নামেই নিচা। ঠিক আমাৰ দুপাতা বা চুৰণিখনৰ দৰে। এই নিচা দীঘলে আৰু ৰেক। বহলে প্ৰায় এক ফুট আৰু দীঘলে চাৰে চাৰিফুট। বেছি বহল হ'লে মাজত ভাজ এটা কৰি লোৱাৰ নিয়ম। সাধাৰণতে নিচাৰ বঙ ক'লা আৰু নীলা। নিখেৰ লগত নিচাৰ বঙ আৰু ফুল মিলাই লয়। নিখেৰ দৰে নিচাও ক'লা, বঙা, নীলা, সেউজীয়া, হালধীয়া, বগা বিভিন্ন বঙৰ হব পাৰে। সাধাৰণতে নিচাক পিছফালৰ পৰা দুইবাহুৰ ওপৰেদি আনি আগফালে বুকুত পেলাই লোৱা হয়। কেতিয়াবা বাঁও আৰু সোঁ কান্ধত পেলাই কেটিয়াকৈও নিচা লোৱা দেখা যায়।

### নিপঙ্ (Nyipong)

বানছু মহিলাই ওপৰৰ অংশত পিন্ধা চোলাটোৰ নামেই নিপঙ্। সাধাৰণতে ইয়াৰ বঙ ক'লা আৰু নীলা। আজিকালি নিখেৰ দৰে নানা বঙৰ নিপঙ্ বানছু মহিলাই পৰিধান কৰা দেখা যায়। নিখেৰ লগত বঙ মিলোৱা উপৰিও ফুল, গানি আদিও মিলাই লয়। নিপঙ্ হাতখৰা আৰু হাত দীঘল দুইধৰণৰে থাকে।

### নিবুন (Nyibun)

মহিলাসকলে ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ গাত লোৱা কাপোৰখনৰ নামেই নিবুন। এই নিবুন পুৰুষ মহিলা উভয়ে ব্যৱহাৰ কৰে। বঙা উণেৰে এই নিবুন তৈয়াৰ কৰা হয়। আজিকালি ক'লা আৰু নীলা বঙৰ নিবুন দেখিবলৈ পোৱা যায়। মহিলাসকলৰ নিবুন তেনেই সাধাৰণ। তেওঁলোকৰ নিবুনত ফুল নাবাচে, কেৱল গাবিহে দিয়ে। সাধাৰণ মহিলাই লোৱা নিবুনত গাবি সংখ্যা কম আৰু বজাঘৰীয়া মহিলাই লোৱা নিবুনত গাবি সংখ্যা বেছি।

### সাজপাৰৰ ৰং, ডিজাইন আৰু পৰিধানৰ সীমাবদ্ধতা ঃ

বানছুসকলৰ সাজপাৰৰ ক্ষেত্ৰত ৰং প্ৰয়োগৰ বৈচিত্ৰ পৰিলক্ষিত হয়। পুৰুষসকলে পৰিধান কৰা নেফাকোটৰ ৰং সাধাৰণতে ক'লা,বিয়াহিট আৰু নিপঙৰ ৰঙ নীলা, নিবুনৰ বঙ বঙা থাকে। মহিলাসকলে পৰিধান কৰা নিখেৰ সাধাৰণ বঙ ক'লা,নিচা আৰু নিপঙ্ৰ বঙ ক'লা আৰু নীলা, নিবুনৰ বঙ বঙা থাকে। আজিকালি পুৰুষ আৰু মহিলা উভয়ে সাজপাৰত বিভিন্ন বঙৰ প্ৰয়োগৰ দেখা যায় যদিও ক'লা আৰু বঙা





বঙৰ প্ৰচলন অত্যাধিক। গছৰ পাত,
শিপা, ছাল আদি প্ৰাকৃতিক উৎসৰ পৰাই তেওঁলোকে ৰং প্ৰস্তুত কৰি লয়।

ডিজাইনৰ ক্ষেত্ৰত মানুহ আৰু চিকাৰ বা যুদ্ধৰ সঁজুলি যাঠি পুৰুষৰ সাজপাৰত প্ৰতীকস্বৰূপে থাকে। বজাই পৰিধান কৰা নেফাকোটত পূৰণ চিনৰ দৰে যাঠিৰ চিত্ৰ অংকিত থাকে। যাঠি চিহ্ন থকা নেফাকোট কেৱল বজাইহে পৰিধান কৰিব পাৰে। কেতিয়াবা প্ৰজাই যাঠি অংকিত নেফাকোট পিন্ধিবলৈ ইচ্ছা কৰিলে সেই কোটত যাঠিৰ সংখ্যা কম আৰু আকাৰো সৰু হ'ব লাগিব। ইয়াৰ উপৰিও ৰং বিৰঙ উণেৰে পুৰুষ মহিলা উভয়ে সাজপাৰত জ্যামিতিক আৰ্হি কিছুমান ফুলৰ নক্সা অংকিত কৰে। সৌন্দৰ্য বৃদ্ধিৰ বাবে দহি বটা, গাবি দিয়া, মণি গাঁঠি দিয়াও দেখা যায়।

সাজপাৰ পৰিধানৰ ক্ষেত্ৰত বয়সৰ ভিন্নতা অনুসৰি কোনো পাৰ্থক্য দেখা পোৱা নাযায়। তেওঁলোকৰ পৰম্পৰাগত সাজপাৰসমূহ পুৰুষ মহিলাভেদে সকলো বয়সৰ লোকেই পৰিধান কৰিব পাৰে। বিবাহিত অবিবাহিত অনুসৰি সাজপাৰৰ পাৰ্থক্য দেখা পোৱা নাযায়। মহিলাৰ ক্ষেত্ৰত শিশু অৱস্থাত ছোৱালীয়ে চুটিকৈ 'নিখে' পৰিধান কৰিব পাৰে। বজা-প্ৰজাই পৰিধান কৰা সাজপাৰৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰজাই পৰিধান কৰা সাজপাৰ তেনেই সাধাৰণ ইয়াৰ বিপৰীতে বজাই পৰিধান কৰা সাজপাৰ অলংকৃত হয়। দৈনন্দিন জীৱনত পৰিধান কৰা সাজপাৰসমূহ তেনেই সাধাৰণ উক্ত। উৎসৱ-পাৰ্বণত বিশেষকৈ অ'বিয়া উৎসৱত পৰিধান কৰা সাজপাৰসমূহত সৌন্দৰ্য বৃদ্ধিৰ বাবেই অলংকৃত কৰি লয়।

### বান্‌ছুসকলৰ বয়ন শিল্প ঃ

সাধাৰণতে বানছুসকলে তেওঁলোকৰ সাজপাৰ সমূহ ঘৰতে তাঁতশালত প্ৰস্তুত কৰি লয়। তাঁতশালখনক তেওঁলোকে 'নিটাক কেলি' বুলি কয়। বানছু মহিলাসকলে এফালে কঁকালত আনফালে যিকোনো সুবিধাজনক ঠাইত বাঁহ বান্ধি নিটাক কেলি প্ৰস্তুত কৰি লয়। কঁকালত ধৰি বাখিবৰ বাবে নিজৰ সুবিধা অনুসৰি বহুঁসহ এডাল বেল্ট বান্ধি লয়। কঁকালৰ ফালে এই বেল্টডালৰ দুয়োকাষে দুডাল বছী বান্ধি বাঁহডালৰ লগত সংযোগ কৰে। ইয়াৰ পিছত কঁকালৰ ফালে সৰু সৰু দুটা চোলোঠাত উণবিলাক মেৰাই লৈ আনটো ফালে বাঁহডালত সংযোগ কৰি লয়। নিটাক কেলিখন কাঠেৰে নিৰ্মিত আৰু তাত ব্যৱহৃত বিভিন্ন সঁজুলিসমূহ বাঁহেৰে নিৰ্মিত। তাঁতশালখন বাপাক[১] নামৰ সঁজুলিৰে কঁকালত বান্ধি শিপিনীসকলে কাপোৰ বৈ উলিয়ায়। বহল কাপোৰবিলাক ডোখৰ ডোখৰকৈ বৈ পিছত চিলাই কৰি প্ৰস্তুত কৰে। মাকো সলনি এডাল সৰু বাঁহৰ কাঠিত হাতেৰে সূতা মেৰিয়াই কাঠিডালেৰে ইফাল-সিফাল কৰি সূতা ভৰাই যোৱাৰ নিয়ম। সূতাবিলাক টাইটলৈ বাহৰ সলনি চিৰিমাৰি ব্যৱহাৰ কৰে। সূতা টাহি যাওঁতেই সৰু বাঁহৰ চুঙা এটাত বব তুলি যোৱাৰ নিয়ম। ইয়াৰ পিছত ফুল তুলিবলৈ হলে সৰু সৰু বাঁহৰ চিপকাঠি ব্যৱহাৰ কৰে। তেওঁলোকৰ তাঁতশালৰ লগত ব্যৱহৃত সঁজুলিবোৰৰ নাম এনেধৰণৰ

| | বানছু নাম | অসমীয়া নাম |
|---|---|---|
| ক) | নিটাক কেলি | তাঁত শাল |
| খ) | থুন | চুঙা |
| গ) | লাকচা | সৰু চিৰি |

| | | |
|---|---|---|
| | | নব চিবি |
| ঘ) | লানদু | ঢিপকাঠি |
| ঙ) | বালাক (বিচা) | মনি |
| চ) | নচু | টুলুঙা |
| ছ) | মৌ | পুতল |
| জ) | টিম্পল | সূতা |
| ঝ) | ৰি | কাপোৰ |
| ঞ) | নি | |

সাজপাৰৰ বিৱৰ্তিত ৰূপ ঃ

সময় পৰিৱৰ্তনৰ লগে লগে জাতি-জনগোষ্ঠীসমূহৰ সভ্যতা সংস্কৃতিলৈ পৰিৱৰ্তন অহাটো স্বাভাৱিক। বানচুসকলৰ সাজপাৰৰ ক্ষেত্ৰতো এনে পৰিৱৰ্তন আৰু বহিঃ সংস্কৃতিৰ প্ৰভাৱ পৰা দেখা যায়। সাজপাৰৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে পুৰুষে পৰিধান কৰা সিয়াহিট বৰ্তমান সময়ত ইয়াৰ প্ৰচলন নথকাৰ দৰেই। মাত্ৰ বানচু সমাজত বয়সীয়াল লোককেইজনৰ মাজতহে ইয়াৰ প্ৰচলন আছে। আধুনিকতাৰ প্ৰভাৱত এই সিয়াহিটৰ স্থান জিন্সে দখল কৰিছে। মহিলাসকলে নিজেৰ সলনি জিন্স, লেগিন্স আৰু বজাৰত সহজতে উপলব্ধ হোৱা সাজপাৰত চকু দিছে। পৰম্পৰাগত সাজপাৰসমূহ তেওঁলোকে বিশেষ উৎসৱ অনুষ্ঠানতহে পৰিধান কৰিবলৈ লৈছে। অসমীয়া সমাজৰ প্ৰভাৱত 'নিটাক কেলি' পৰিৱৰ্তে অসমীয়া তাঁত-শালৰ ব্যৱহাৰ ঠাই বিশেষে দেখিবলৈ পোৱা গৈছে। ঘৰত সাজপাৰ প্ৰস্তুত কৰোঁতে যথেষ্ট সময় অপব্যয় হয় গতিকে বজাৰত সহজতে উপলব্ধ সাজপাৰৰ প্ৰতি তেওঁলোক আকৰ্ষিত হলেও তেওঁলোকৰ পৰম্পৰাগত সাজপাৰসমূহ নিটাক কেলিত প্ৰস্তুত কৰে।

উপসংহাৰ ঃ

বানচু জনগোষ্ঠীৰ সাজপাৰ সম্পৰ্কে কৰা সামগ্ৰিক অধ্যয়নৰ অন্তত আমি কিছু সিদ্ধান্তত উপনীত হ'ব পাৰো। যেনে-

- বানচু সকলৰ পুৰুষ মহিলা সাজপাৰৰ মাজত পাৰ্থক্য আছে।
- শ্ৰেণীভেদে ৰজা আৰু প্ৰজাই পৰিধান কৰা সাজপাৰৰ প্ৰভেদ দেখা যায়। এই প্ৰভেদে তেওঁলোকৰ সামাজিক মৰ্যাদাও নিৰ্ণয় কৰিছে।
- ৰজা আৰু প্ৰজাৰ সমাজৰ লক্ষ্য কৰা যায়।

বয়স অনুসৰি বিবাহিত অবিবাহিত ভেদে সাজপাৰৰ পাৰ্থক্য দেখা নাযায়।

- কিছু কিছু ক্ষেত্ৰত তেওঁলোকৰ সাজপাৰত আধুনিকতাৰ প্ৰভাৱত পৰিৱৰ্তনো দেখিবলৈ পোৱা গৈছে।
- আলোচনাৰ অন্তত ক'ব পাৰি যে তেওঁলোকৰ সাজপাৰৰ মাজত যুগৰ প্ৰভাৱ পৰিলেও স্বকীয় পৰম্পৰা আৰু সংস্কৃতি এতিয়াও জীয়াই আছে। 'বানচু জনগোষ্ঠীৰ সাজপাৰ' শীৰ্ষক বিষয়টো এটি বহল বিষয়। এই বিষয়টো সম্পৰ্কে ভৱিষ্যতে অধিক বহল আলোচনা কৰাৰ থল আছে।






সহায়ক গ্ৰন্থ ঃ

অসমীয়াঃ

ক) গগৈ, লোকেশ্বৰ ঃ- অসমৰ লোক সংস্কৃতি (২)
কাৰ্তিকাল প্ৰকাশ, এম জি. ৰোড, নাৰ্থ - ২০১১

খ) ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা.) ঃ- অসমৰ জনজাতি
কিৰণ প্ৰকাশ, ধেমাজি, ২০০৮

গ) বাজগোৱা, অজন্তা (সম্পা.) ঃ- উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু অলংকাৰ
কৌস্তভ প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-২০১৩

গবেষণা গ্ৰন্থঃ

ক) কোৰঁৰ, জ্যোতিপ্ৰসাদ ঃ বানচু জনগোষ্ঠীৰ নীতিমূলক লোকসংস্কৃতিঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
পি. এইচ. ডি. গ্ৰন্থ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ

ইংৰাজী ঃ-

a) Dutta, Parul :- The Wanchos
Govt. of Arunachal Pradesh , 1st Publication, Itanagar, 1990.

b) Srivastava, L.R.N :- Among the wanchos
Published by the Director of
Information and Public Relations, Arunachal Pradesh, Shillong, 1973


তথ্যদাতাৰ নাম ঃ-

ক) কুশে বানচু ঃ- দেওপানী নগা গাওঁ, শিৱসাগৰ
খ) আলিচা বানচুঃ- টিয়াকীয়া গাওঁ, চৰাইদেউ
গ) নকবাম বাননুচাম ঃ- কানুবাৰী, জিলা লংডিং ।



# lohit putra

Vol. XXIII. 2019

Editor

Raju Sharma

**Lohit Putra** : A collection of research articles on various aspects of Gorkha Community Published by Purbayon Publication, Panbazar, Guwahati- 1 for Greater Guwahati Gorkhali Students' family and edited by Raju Sharma on the occasion of "Get-Together 2019" at Gauhati University, Guwahati-14.

ISBN 978-93-88593-98-4

**Editorial Board**

**Advisors**
Dr. Khagen Sarma
Prof. Hem Chandra Gautam
Dr. Jayanta Krishna Sarmah
Dr. Amrit Kumar Upadhyay

**Editor**
Raju Sharma

**Associate Editor**
Bishakha Bhardwaj

**Edition:** September, 2019

**Price:** 200

**Cover :**
Chitralekha

**Published by :**
Purbayon Publication
Jaswanta Road
Near Panbazar Aadarsha Prathamik Vidyalaya
Panbazar, Guwahati- 1, Assam
Email - purbayonindia21@gmail.com
website: www.purbayonpublication.com

*Since the articles of this book are collected from individual authors, the resposibility for the facts, views, conclusion and plagiarism, if any of this book in entirely that of the authors. The editors and publisher bear no responsibility for that.*

## *CONTENTS*

**Sharing the same Land: Gorkhas and the issue of land settlement in Colonial Assam /7**

Sumit Kr. Sarma

**The Untold History of Assamese Gorkha /18**

Dipak Bajgain

**Living with the Fear of Extinction : A Case Study of Nepali Community in and Around Burachapori Wildlife Sanctuar, Assam /26**

Inku devi

**Globalization and Nepali society of Assam with special reference to Sonitpur district /32**

Monmi Kakati

**Settlements of the Nepalese in Assam as Pastoralists and Marginal Farmers /37**

Sanshi Upadhyay

**Role of Gorkhas in Dairy Development of Assam /44**

Mir Abdur Rahim

**Nepali Language and it's dimensions /49**

Bishakha Bhardwaj

जातिले नयाँ रणकौशल अप्नाउने दिन आए /52

डा खगेन शर्मा

भारतमा नेपाली भाषा शिक्षाको औपचारिक अभियानमा पारसमणि प्रधान /55

डा. सृजना शर्मा

मणिपुरमा आफ्नै ठाउँमा परदेशी /59

भवानी अधिकारी

विष्णुलाल उपाध्यायको उत्सर्ग कथाको विश्लेषण /63

गायत्री नेवार

निर्भीक स्वतन्त्रता संग्रामी छविलाल उपाध्यायएक अवलोकन /69

विप्लव चिमरिया

সংস্কৃত সাহিত্যত শিৱমহিম্নঃস্তোত্রম্ আৰু ইয়াৰ গুৰুত্ব ঃ এটি সমীক্ষাত্মক অধ্যয়ন /72

ড° চন্দ্ৰ শেখৰ উপাধ্যায়

নেপালী জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ /76

ড° জ্যোতিৰেখা গগৈ

একশৰণ নামধৰ্মৰ পৃষ্ঠপোষক ঃ আচাৰ্য মোহনলাল উপাধ্যায় /85

প্ৰকাশ উপাধ্যায়

নেপালী আদিকবি ভানুভক্ত /89

নিৰু শৰ্মা পৰাজুলী

অসমীয়া আৰু নেপালীৰ আনুষ্ঠানিক লোকগীত তুলনামূলক আলোচনা / 93

নৱমল্লিকা ডেকা

গোৰ্খা সমাজ আৰু তেওঁলোকৰ লোকনৃত্য / 100

প্ৰণৱ কাছকোটা

তুলনামূলক দৃষ্টিভংগীৰে অসমীয়া আৰু নেপালী ভাষাৰ লিংগ ঃ এক বিশ্লেষণ / 103

পাপুমণি হাজৰিকা

# নেপালী জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ

ড° জ্যোতিৰেখা গগৈ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,
নাহৰকটীয়া মহাবিদ্যালয়

প্ৰস্তাৱনাঃ

অসমৰ অন্যান্য জনগোষ্ঠীসকলৰ ভিতৰত নেপালী জনগোষ্ঠী অন্যতম। সুদূৰ অতীতৰে পৰা জনপদৰ অবিৰাম গতিত কনৌজ, নেপাল, গৌড়, শ্যাম দেশৰ পৰা নেপালীসকলৰ অসম আগমন হৈছিল। বৰ্তমান অসমৰ আটাইকেইখন জিলাতে নেপালীসকলৰ বসতি আছে। মূলত নেপালী সকল ইন্দো-আৰ্য আৰু তিব্বত মংগোলীয়। নেপালী ভাষাত ইন্দো-আৰ্যক ধাগাধাৰী আৰু তিব্বত মংগোলীয়ক মতৱালী বুলি কোৱা হয়। ধৰ্মীয় দিশেৰে চালে তেওঁলোক হিন্দু ধৰ্মাৱলম্বী, মাত্ৰ তামাঙসকলেহে বৌদ্ধধৰ্ম পালন কৰিছে। গোষ্ঠী, ধৰ্ম মূলত যিয়েই নহওঁক, দীৰ্ঘদিন ধৰি জনগোষ্ঠীসমূহে অসমত একেলগে বসবাস কৰি থকাৰ বাবে ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত প্ৰত্যেকেই প্ৰত্যেকৰ দ্বাৰা প্ৰভাৱিত। নেপালীসকল এক সংহত আৰু সংমিশ্ৰিত জনগোষ্ঠী হ'লেও তেওঁলোকৰ সমাজ-জীৱন, ঘৰুৱা-জীৱন, উৎসৱ-পাৰ্বণ, পিন্ধন-উৰণ, জন্ম-বিবাহ-মৃত্যু আদি সকলোতে নিজস্ব পৰিচয় দিব পৰা কিছুমান স্বকীয় বৈশিষ্ট্য আছে। নেপালীসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা বিভিন্ন সংস্কৃতিৰ ভিতৰত উৎসৱ-অনুষ্ঠান উল্লেখযোগ্য। প্ৰত্যেক জনগোষ্ঠীয়ে উৎসৱ-অনুষ্ঠান পালন কৰে যদিও জনগোষ্ঠীভেদে সেইবিলাকৰ নিজা নিজা কিছুমান পৰম্পৰা আছে। নেপালীসকলো ইয়াৰ বিপৰীত নহয়। তেওঁলোকে নিজৰ পৰম্পৰা ৰক্ষা কৰি বছৰটোত পালন কৰা



উৎসৱ-অনুষ্ঠানসমূহৰ পৰিচয়সূচক এটি আলোচনা প্ৰবন্ধটোত আগবঢ়োৱা হ'ল -

বৈশাখে সগ্ৰাতিঃ

ব'হাগ বিহুৰ সমানে সমানে নেপালীসকলে 'বৈশাখে সগ্ৰাঁতি' পালন কৰে। কিন্তু এই বৈশাখে সগ্ৰাতি নেপালী সকলে তিনিদিনহে পালন কৰে। বৈশাখে সগ্ৰাতিৰ প্ৰথমদিনা গাত তেল সানি গা-ধুলে, নিমপাত চুবাই খালে বেমাৰ-আজাৰ নহয় বুলি নেপালীসকলে বিশ্বাস কৰে। পৰস্পৰে পৰস্পৰক আদৰ, সন্মান, সৰুৱে ডাঙৰক সেৱা, ডাঙৰে সৰুক মৰম আৰু আশীৰ্বাদ দিয়া, জোঁৱাইক ফোঁটদিয়া, আত্মীয়-স্বজনক নতুন কাপোৰ দিয়া, অতিথিক পিঠা-পনাৰে আপ্যায়ন, গামোচা দি সন্মান জনোৱা আদি প্ৰথা বিলাক নেপালীসমাজতো আছে। নেপালীসমাজত 'গামোচা' দিয়া প্ৰথাক 'থাদা' দিয়া বুলি কোৱা হয়। অৱশ্যে এয়া ছিল্ক কাপোৰহে। নেপালীসকলে বৈশাখে সগ্ৰাতিতকৈ 'তিহাৰ' উৎসৱত পালন কৰা লোকাচাৰ বিলাকৰ লগতহে ব'হাগ বিহুৰ মিল বেছি পৰিলক্ষিত হয়।

অক্ষয় তৃতীয়া ঃ

ব'হাগৰ শুক্লা তৃতীয়া তিথিক 'অক্ষয় তৃতীয়া' বোলা হয়। সেইদিনা কোনো পুণ্য বা ধৰ্মকাৰ্য্য কৰিলে সদায় অক্ষয় হৈ থাকে বুলি নেপালী সমাজে বিশ্বাস কৰে। সেইবাবে গৃহাৰম্ভকে আদি কৰি কোনো দীৰ্ঘস্থায়ী কামৰ শুভাৰম্ভ কৰা হয় সেই দিনটোৰ পৰাই। তৃষ্ণাতুৰ পথিকসকলক চৰ্বত জাতীয় পানীয়, বিচনী আদি দান কৰাটো অক্ষয় তৃতীয়া দিনটোৰ তাৎপৰ্য্য।

চণ্ডী পূৰ্ণিমা বা বুদ্ধ পূৰ্ণিমা ঃ

ব'হাগৰ শুক্লা পূৰ্ণিমাক 'চণ্ডী পূৰ্ণিমা' বা 'বুদ্ধ পূৰ্ণিমা' বুলি কোৱা হয়। চ'ত মাহৰ পূৰ্ণিমাৰ পৰা পাঠ কৰা চণ্ডীপাঠ বা বৈশাখী মাহাত্ম্য এই দিনটোতে সামৰণি পেলায়; সেয়ে ই চণ্ডীপূৰ্ণিমা। আনহাতে বৌদ্ধ ধৰ্মাৱলম্বী নেপালীসকলৰ বাবে এই দিনটো বৰ পবিত্ৰ। কাৰণ সেই দিনটো ভগৱান বুদ্ধৰ জন্ম-জয়ন্তীৰূপে পৰিচিত; সেয়ে ই বুদ্ধ পূৰ্ণিমা। তাহানিতে দাহালসকলে সেইদিনা ধ্বজাৰোহণ অনুষ্ঠান পাতি ঘৰৰ মূধচত বগা কাপোৰ উৰুৱাইছিল। অৱশ্যে আজিকালি এই প্ৰথা ক'ৰবাত কাচিৎহে দেখিবলৈ পোৱা যায়।

অসাৰ পন্ধ্ৰঃ

নেপালীসকলে আহাৰ মাহৰ পোন্ধৰ তাৰিখে 'অসাৰ পন্ধ্ৰ' পালন কৰে। সেইদিনা ভূঁই ৰোৱা কামৰ সামৰণি উপলক্ষে নেপালী কৃষকে পথাৰত পৰস্পৰে বোকা ছটিয়াই ৰং-তামাচা কৰে। ৰোৱনীসকলে ভূঁই ৰুই যাওঁতে অসাৰে গীত পৰিৱেশন কৰে। এই উৎসৱত তেওঁলোকে বাটৰুৱাকো সাৰি যাব নিদিয়ে। সেইদিনা নিজৰ জন্মস্থানৰ পিনে মুখ কৰি দৈ-চিৰা খোৱা পৰম্পৰা প্ৰচলিত।

**হৰিশয়নী আৰু ঠুলী একাদশীঃ**

আহাৰ মাহৰ শুক্লা একাদশী তিথিত উদ্‌যাপন কৰা পৰ্বটোৱেই হৈছে হৰিশয়নী। সেই দিনটোতে চোতালত তুলসী পুলি ৰুই ভক্তসকলে অনাসাৰে থাকি 'একাদশী মাহাত্ম্য' শ্ৰৱণ কৰাৰ নিয়ম। কাতি মাহৰ শুক্লা একাদশী দিনা সেই তুলসী মঠৰ চাৰিওফালে বাঁহৰ সৰু সৰু কাঠী পুতি তাত নাৰ্জী ফুলৰ মালা মেৰিয়াই পূজা-অৰ্চনা কৰা হয়। এই দিনটো নেপালী সমাজত ঠুলী একাদশী নামে পৰিচিত। হৰিশয়নী দিনাৰ পৰা পালন কৰি অহা 'চাৰ্তুমাস্য ব্ৰত' ৰ সামৰণি পৰে ঠুলী একাদশীত। তুলসীৰ বিয়াপতা, তুলসীৰ তলত চাকি জ্বলোৱা, আকাশ-বন্তি জ্বলোৱা, সঁগিনী গাই নাচ-গান কৰা আদিয়ে সেই দিনটোৰ তাৎপৰ্য্য।

**শাওনে সগ্ৰাঁতি ঃ**

শাওন মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা উৎসৱেই হৈছে 'শাওনে সগ্ৰাঁতি'। সেইদিনা প্ৰত্যেক ঘৰতে চেলৰুটি বনোৱা হয় আৰু বিবাহিতা মহিলাসকলক মাকৰ ঘৰলৈ আনি ভালকৈ এসাঁজ খুওৱাৰ নিয়ম। ঠাইবিশেষে সেইদিনা ঘৰৰ মূধচত উঠি 'লুতো যা লুতো যা' (খজুৱতি যা) চিঞৰি জুইৰ আণ্ডঠাৰে সৈতে খৰি এডাল দূৰলৈ দলিয়ালে খৰ খজুৱতি নহয় বুলি নেপালী সমাজত বিশ্বাস প্ৰচলন আছে।

**গুৰু পূৰ্ণিমা ঃ**

আহাৰৰ শুক্লা পূৰ্ণিমা তিথিকে 'গুৰু পূৰ্ণিমা' বুলি কোৱা হয়। সেইদিনাৰ পৰা কাতি মাহৰ পূৰ্ণিমালৈকে এই চাৰিমাহক 'চাতুৰ্মাস্য' বুলি কোৱা হয়। এই ছোৱা সময়ত নেপালী সমাজত 'ভাগৱত' শ্ৰৱণ কৰে।

**নাগপঞ্চমী ঃ**

শাওনৰ শুক্লা পঞ্চমী তিথিয়ে হৈছে 'নাগপঞ্চমী'। সেইদিনা পুৱাতে ব্ৰাহ্মণসকলে কাগজত নাগ ছপা বা হাতেৰে আঁকি প্ৰত্যেকৰ ঘৰলৈ গৈ আগফালে বেৰত গোবৰ বা আন আঠাৰে লগাই দিয়ে। গৃহস্থই ব্ৰাহ্মণজনক চাউলেৰে কপালত ফোঁট দি চাউল, টকা সহ বিদায় দিয়ে। সেইদিনাৰ পৰাই খৰালি কাল আৰম্ভ হয় বুলি নেপালী সমাজে বিশ্বাস কৰে।

**কুশে-ঔঁসী ঃ**

ভাদৰ কৃষ্ণ অমাৱস্যা দিনটো নেপালী সমাজত 'কুশে ঔঁসী' ৰূপে পৰিচিত। সেইদিনা ব্ৰাহ্মণসকলে কুশ-বন তুলি মন্ত্ৰসিদ্ধ কৰি প্ৰত্যেকৰ ঘৰতে এমুঠিকৈ বিতৰণ কৰে আৰু ইয়াৰ বিনিময়ত গৃহস্থই দান-দক্ষিণা দিয়ে। সেইদিনা তুলি থোৱা কুশ-বন এবছৰলৈ পবিত্ৰ হৈ থাকে বুলি নেপালী সমাজত বিশ্বাস থকাৰ বাবেই বছৰটোৰ যিকোনো মাঙ্গলিক কাৰ্য্যত সেই কুশ-মুঠি ব্যৱহাৰ কৰে। ইয়াৰোপৰি সেইদিনা ঘৰত থকা কিতাপ-পত্ৰ, বিচনা-কাপোৰ আদি



ৰ'দত দিলে কীট-পতঙ্গৰ পৰা ৰক্ষা পৰে বুলি নেপালী সমাজত বিশ্বাস আছে।

**তীজ ঃ**

'তীজ' নেপালী নাৰীসকলৰ মাজত পালন কৰা আটাইতকৈ ডাঙৰ বা জনপ্ৰিয় উৎসৱ। ভাদ মাহৰ শুক্লা তৃতীয় দিনাৰ পৰাই এই 'তীজ' আৰম্ভ হয়। সম্ভৱতঃ এই তৃতীয় শব্দৰ পৰাই 'তীজ' শব্দৰ উৎপত্তি হৈছে বুলি নেপালী সমাজে অনুমান কৰে। দূৰ-দূৰণিলৈ বিয়া দিয়া ছোৱালী বিলাকক (বাই-ভনী বিলাকক) মাকৰ ঘৰলৈ আনি পুনৰ একেলগ হোৱাৰ সুবিধা দিয়ে এই উৎসৱে। পিতৃ বা ভাতৃয়ে হ'ল এই উৎসৱৰ মূল ব্যক্তি। তেওঁলোকৰ কোনোবা এজনে গৈ বিয়া দিয়া ছোৱালীক 'তীজ' খাবলৈ নিমন্ত্ৰণ কৰাৰ নিয়ম। উৎসৱৰ আগদিনা অৰ্থাৎ ভাদমাহৰ শুক্লা তিথিৰ দ্বিতীয় দিনাই বিয়া দিয়া কন্যাই মাকৰ ঘৰত আহি সকলোৱে লগলাগি খোৱা ভোজটোৱে হ'ল 'দৰ'। এই 'দৰ' ত ৰুটি, তিলৰ চাটনি, মটৰৰ আচাৰ, মিঠাই, পিঠা, দৈ, চিৰা, গুৰ, ঘিউ, পায়স আদি ব্যঞ্জন থাকে। অৰ্থাৎ জীয়েকহঁতে যি খাই ভাল পায় তাকেই সাধ্য অনুসাৰে মাক-দেউতাকে খুৱাব বিচাৰে। জীয়েকহঁতেও সেইদিনা মাক-দেউতাৰ পৰা নিজৰ ভাল লগা বস্তু (কাপোৰ-কানি আদি) বিচাৰিব পাৰে।

তৃতীয় দিনা অৰ্থাৎ 'তীজ' ৰ দিনা তেওঁলোকে উপবাসে থাকি মনোবাঞ্ছা পূৰ্ণ হোৱাৰ আশা কৰে। তীজ যদিও বিবাহিতা মহিলাৰ প্ৰধান উৎসৱ, তথাপি কৈশোৰ ডেওনা পাৰ হওঁ-নহওঁ অৱস্থাৰ পৰা বৃদ্ধা নাৰীলৈকে সকলোৱে এই উৎসৱ পালন কৰে। অবিবাহিতাসকলে যোগ্য স্বামী পোৱাৰ আশাৰে, বিবাহিতাসকলে স্বামী-সন্তানৰ মংগলৰ কাৰণে আৰু বৃদ্ধাসকলে সকলোৰে মংগলৰ কাৰণে এই তীজ ব্ৰত পালন কৰে। নেপালী নাৰীসকলে পালন কৰা 'তীজ' ৰ অন্তৰালত এটা লোককাহিনী নিৰ্হিত হৈ আছে। হিমালয়ৰ পুত্ৰী পাৰ্বতী এই সময়ছোৱাত কৈলাশৰ পৰা পিতৃ-মাতৃৰ গৃহলৈ আহি আনন্দত আপোন পাহৰা হৈ থাকে। পিতৃগৃহত থকা দিনকেইটাত পাৰ্বতীয়ে স্বামী শিৱক আৰাধনা কৰা ব্ৰতেই হ'ল তীজৰ মূল উৎস। পতিগৃহৰ পৰা মাতৃগৃহলৈ অহাৰ আনন্দ প্ৰত্যেক নাৰীৰ ক্ষেত্ৰত একেই। পাৰ্বতীও ইয়াৰ ব্যতিক্ৰম নহয়। মাতৃগৃহলৈ আহি সকলো বাই-ভনী একেলগ হৈ ভালদৰে এসাঁজ খোৱাটোৱে তীজৰ আনন্দ আৰু তেওঁলোকৰ সুখ-দুখৰ কথাবিলাকো ইয়াতেই আলোচনা কৰে। ইয়াৰ পিছত পুনৰ পতিগৃহলৈ যায়গৈ।

'তীজ' উৎসৱত পাৰ্বতী মাতৃগৃহলৈ যোৱাৰ কাহিনী অন্তৰ্নিহিত হৈ থকাৰ লগতে মাতৃগৃহত জীয়ৰী জীৱন, স্বামী গৃহৰ স্মৃতি ৰোমন্থন কৰি নাৰীয়ে যি আনন্দ লাভ কৰে সেয়া প্ৰতিগৰাকী ভাৰতীয় নাৰীৰ বাবে তাৎপৰ্যপূৰ্ণ কথা।

**ঋষি পঞ্চমী ঃ**

ভাদৰ শুক্লা পঞ্চমী দিনটোকে 'ঋষি পঞ্চমী' বুলি কোৱা হয়। এই দিনটোত 'তীজ' ব্ৰত ধাৰণ কৰা নাৰীসকলে পঞ্চমী পূজা পাতে। নাৰীসকলে উপবাসে থাকি ঋতু স্বাৱ

সময়ত অজানিতে কৰা দোষ খণ্ডনৰ বাবেই এই পূজা পালন কৰে।

**সোৰ সৰাধ ঃ**

ভাদৰ শুক্লা পূৰ্ণিমাৰ পৰা আহিনৰ কৃষ্ণ আউসীলৈ এই ষোল্লটা দিন (মহালয়া)ক 'সোৰ সৰাধ' বোলে। এই ষোল্ল দিনত নেপালীসকলে নিজ নিজ পিতৃ পুৰুষৰ শ্ৰাদ্ধ সম্পন্ন কৰে। শ্ৰাদ্ধত চাউলৰ গুড়িৰে গুটি গুটিকৈ ভজা এবিধ খাদ্য পিতৃপুৰুষৰ নামত উচৰ্গা কৰে। সেইকেইদিনত মাছ-মাংস, পিয়াঁজ, নহৰু আদি খোৱাত বাধা আছে।

**দশৈঁঃ**

আহিন মাহৰ শুক্লপক্ষৰ প্ৰতিপদ তিথিৰ পৰা দশমীলৈকে নেপালীসকলে দশৈঁ উৎসৱ পালন কৰে। দশৈঁ উৎসৱৰ এই ন দিনক 'নৱৰথা' বুলিও কোৱা হয়। দশৈঁ শব্দটো দশমী (দশমী > দসঁই > দসৈঁ) শব্দৰ পৰা উৎপন্ন অৰ্থাৎ বিজয়া দশমীয়েই হ'ল দশৈঁ শব্দৰ মূল উৎস। নেপালী সমাজত দশৈঁ শব্দটো শাৰদীয় দুৰ্গাপূজাৰ সমাৰ্থক ৰূপে প্ৰচলিত। গতিকে এই উৎসৱৰ লোকাচাৰ বিলাকো দুৰ্গাদেৱীক উদ্দেশ্য কৰিয়ে পালন কৰা হয়। এই দশৈঁ অন্তৰ্গত পৰ্ববিলাক এনেধৰণৰ -

**জমৰে ঔঁসী** - আহিনৰ কৃষ্ণ অমাৱস্যাৰ দিনটো নেপালী সমাজত 'জমৰে ঔঁসী'বা 'জমৰে আঁউসী' নামে প্ৰচলিত। সেইদিনা প্ৰতিজন গৃহস্থৰ ঘৰৰ ভিতৰত তপৰীত গুড়ি মাটি ভৰাই গোমধান, তিল, যৱ, ঘেহু আৰু ধানৰ বীজ ৰাখে। এই পাঁচবিধক আকৌ 'পঞ্চধান্য' বুলি কোৱা হয়। গৃহস্থই পুৱাতে উঠি গা-পা ধুই এই পঞ্চধান্যত পানী ছটিয়াই পূজা-অৰ্চনা কৰে। পঞ্চধান্য তাতে গজালি মেলি পোহৰৰ অভাৱত শেঁতা হৈ পৰাকে জমৰা আৰু অমাৱস্যাত ৰখাৰ বাবে 'জমৰে আঁউসী' বোলে। নেপালী সকলে এই পঞ্চধান্যক দুৰ্গাৰ প্ৰসাদ ৰূপে আগবঢ়াই দেৱীৰ পৰা আশীৰ্বাদ বিচাৰে।

**নৌৰথা** - প্ৰতিপদ তিথিৰ দিনাৰ পৰা ঘৰৰ ভিতৰত ঘট স্থাপন কৰি চাকি-বন্তি জ্বলাই চণ্ডীৰ পাঠ কৰি ন-দিনলৈ পূজা-অচনা কৰাকে 'নৌৰথা' বোলে।

**নৌলা পূজা** - এই নটা দিনৰ ষষ্ঠীৰ দিনা 'নৌলাপূজা'। সেইদিনা দুৰ্গাক আনুষ্ঠানিক পূজা-অৰ্চনা কৰাৰ লগতে নিজ নিজ বংশ পৰম্পৰা অনুসৰি কুলদেৱতা, গ্ৰামদেৱতা, স্থানদেৱতা আদিক পাৰম্পৰিক বিধি-ব্যৱস্থা অনুসৰি পূজা আগবঢ়ায়।

**বেলপাতি বা ফুলপাতি** - সপ্তমী দিনা দেৱীক বেলপাত আৰু ফুলেৰে উৰ্চগা কৰাৰ বাবে সেইদিনা 'বেলপাতি' বা 'ফুলপাতি'।

**মহাষ্টমী** - অষ্টমীদিনা দুৰ্গাক উপাসনা কৰাকে 'মহাষ্টমী' বোলে। সেইদিনা দুৰ্গা আৰু নিজ নিজ কুলদেৱতা দুয়োকে উপাসনা কৰা হয়। কিছুমানে ফল-ফুলেৰে আৰু কিছুমানে কুকুৰা, হাঁহ, পাৰ, পাঠা আদিৰে কুলদেৱতাক উচৰ্গা কৰে।

**মহানৱমী** - নৱম দিনটোক 'মহানৱমী'। প্ৰতিপদৰ পৰা আৰম্ভ হোৱা চণ্ডীপাঠ মহানৱমী দিনা সমাপ্ত হয়। মহাষ্টমী আৰু নৱমী এই দুয়োটা দিনতে অনেকে ম'হ-ছাগলী, হাঁহ আদি বলি দিয়ে। অৱশ্যে ম'হ বলি দিয়া প্ৰথা নেপালতহে প্ৰচলিত। ঠাইবিশেষে এইবিলাকৰ সলনি কল, কোমোৰা, ভোল আদি খুকুৰীৰে কাটি দুৰ্গালৈ বুলি উচৰ্গা কৰা হয়। আৰাধনা কৰোঁতে মালশ্ৰী গীত পৰিৱেশন কৰি তেওঁলোকে মা দুৰ্গাৰ পৰা শক্তি বিচাৰে।



**বড়াদশৈঁ** - বিজয়া দশমী দিনটোক 'বড়াদশৈঁ বোলে। এই দিনটোত ভগৱতীৰ নিৰ্মালি ৰূপে টীকা লগোৱা পৰম্পৰা আৰম্ভ হয়। ঘৰৰ জ্যেষ্ঠজনে পৰিয়াল, আত্মীয়-স্বজন সকলোকে দৈ-চাউলেৰে কপালত ফোঁট দি শিৰত জমৰা দি আশীৰ্বাদ কৰে। ব্ৰাহ্মণ বা পুৰোহিতে দিয়া সময়তহে এই ফোঁট দিয়া পৰ্ব আৰম্ভ কৰে। পুৰুষ-মহিলা অনুযায়ী এই পৰ্বৰ আশীৰ্বাদ সমূহ বেলেগ বেলেগ। সেইদিনা দূৰ-দূৰণিৰ পৰা জ্যেষ্ঠজনৰ আশীৰ্বাদ ল'বলৈ অহা আত্মীয়-স্বজনক বিভিন্ন খাদ্যৰে আপ্যায়ন কৰে। বড়াদশৈঁ দিনা শহুৰেকে জীয়েক-জোঁৱায়েকৰ ভৰিত কপাল স্পৰ্শ কৰি মংগল কামনা কৰে। জ্যেষ্ঠজন হৈয়ো কনিষ্ঠজনৰ পদস্পৰ্শ কৰা মূলতে হ'ল প্ৰাচীন কালৰে পৰাই নেপালী সমাজত কন্যাক লক্ষ্মী বুলি জ্ঞান কৰি এক উচ্চ আসন দিয়া হৈছে। সেয়েহে জোঁৱায়েকক জীয়েকৰ সমতুল্য বুলি গণ্য কৰা হেতুকে একে মৰ্যাদা দিয়া হয়। শহুৰেকৰ অনুপস্থিতিত ঘৰৰ জ্যেষ্ঠজনেই এই কাম কৰে। কোনো কোনো ঠাইত বড়াদশৈঁ দিনা লিংগেপিং (ঝুলনা) খেলা নিয়ম।

**কোজাগৰী পূৰ্ণিমা** – আহিনৰ শুক্লা পূৰ্ণিমা বা দশৈঁ উৎসৱৰ শেষৰ দিনা 'কোজাগৰী পূৰ্ণিমা' ৰূপে পৰিচিত। সেইদিনা ৰাতি ধৰ্মগ্ৰন্থ পাঠ কৰা হয়। ইয়াৰ পাছদিনাৰ পৰাই দশৈঁ উৎসৱৰ সামৰণি পৰে।

**তিহাৰ ঃ**

'তিহাৰ' নেপালী জনগোষ্ঠীৰ জাতীয় উৎসৱ। কাতি মাহৰ কৃষ্ণ এয়োদশীৰ পৰা শুক্লা দ্বিতীয়লৈকে এই পাঁচটা দিনত 'তিহাৰ' উৎসৱ পালন কৰে। কাতিমাহৰ আন্ধাৰ ভেদ কৰি জ্যোতি কিৰণ উজ্জ্বলিত হৈ অহা 'তিহাৰ' উৎসৱত নেপালী সমাজে চাকি-বন্তি জ্বলাই স্বাগতম জনায়। ইয়াক কৃষিভিত্তিক উৎসৱ বুলিও ক'ব পাৰি। (থাপা, ৰুদ্ৰমানঃঅসমৰ থলুৱা সমাজ, পৃ. ২৭৪) অসমীয়া সমাজে শস্যক বিভিন্ন পোক-পৰুৱাৰ পৰা ৰক্ষা কৰিবলৈ কাতিবিহুত ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰাৰ দৰে নেপালীসকলেও দীপান্বিতা নিশা ধাননি পথাৰত চাকি জ্বলাই 'লখিমী' ক ৰক্ষা কৰাৰ ঐতিহ্য পালন কৰে। পাঁচটা দিনত পালন কৰা এই তিহাৰ উৎসৱক ক্ৰমে কাক তিহাৰ (কাউৰী তিহাৰ); কুকুৰ তিহাৰ, গাই তিহাৰ, গৰু তিহাৰ আৰু ভাতৃ দ্বিতীয়া নামে জনা যায়। এইকেইটা দিনক 'যমপঞ্চক' বুলিও কয়।

**কাক তিহাৰ** - কাতিমাহৰ কৃষ্ণা এয়োদশীৰ দিনা 'কাক তিহাৰ' পালন কৰে। সেইদিনা ৰাতিপুৱাই গৃহিণীয়ে ঘৰ-চোতাল চাফা কৰি তপৰীত (পাতৰ পাত্ৰ) ধূপ-দীপ জ্বলাই কাউৰীবিলাকৰ কাৰণে খোৱাবস্তু দি বাৰীৰ কাষত থৈ আহে। সেয়াই কাক তিহাৰ। প্ৰকৃততে তিহাৰৰ প্ৰথম দিনটোত পশু-পক্ষীক পূজা কৰে। সহজতে পোৱাৰ বাবে কাউৰীক উদ্দেশ্য কৰিয়ে সেই পূজা দিয়ে।

**কুকুৰ তিহাৰ** - কাতিমাহৰ চতুদৰ্শী দিনা 'কুকুৰ তিহাৰ'। ইয়াক 'নৰ্কে চতুৰ্দশী' নামেও জনা যায়। সেইদিনা গৃহস্থই গা-পা ধুই নিজে খোৱাৰ আগতেই কুকুৰক পূজা দিয়ে। গৃহস্থক পহৰা দি চোৰ, ডকাইত আদিৰ পৰা ঘৰখন ৰক্ষা কৰাৰ উপকাৰৰ ফলস্বৰূপে নেপালী সমাজে 'কুকুৰ তিহাৰ' পালন কৰে। আচলতে ই সকলো জীৱৰ প্ৰতি থকা দয়া, প্ৰেম, সেৱা আদিৰ এক প্ৰতীকাত্মক পূজা। আনহাতে নৰক যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাবলৈ কুকুৰক পূজা কৰাৰ বাবে এই পূজাৰ অন্য এটা নাম 'নৰ্কে চতুদৰ্শী'।

**গাই তিহাৰ** - কুকুৰ তিহাৰ পিছদিনা 'গাই তিহাৰ'। সেইদিনা পুৱাতে উঠি গা-পা ধুই মাইকী গৰু (গাই) ক পূজা কৰে। চোতালৰ এডোখৰ ঠাইত গোবৰেৰে মচি গাইক সেই ঠাইত ৰাখি শিং, খুৰ আদিত তেল ঘঁহি মালা পিন্ধাই নতুন পঘাৰে বন্ধা হয়। বিভিন্ন ৰঙেৰে গাত ফোঁট দি নিমখ, বাবৰ (ৰুটি) আদি খোৱায়। এইদৰে নেপালী সমাজত গাইক 'লক্ষ্মীজ্ঞান' কৰি এক সুকীয়া মৰ্যাদা দিয়া হয়। ইয়াৰ পাছত সন্ধিয়ালৈ ধানৰ অধিষ্ঠাত্ৰী দেৱী 'লক্ষ্মী'ক পূজা কৰি পথাৰ, ভঁৰাল, ঘৰ, গোহালি, তুলসী তলত চাকি-বন্তি জ্বলায়। দ্বীপ প্ৰজ্বলন কৰি সকলোফালে পোহৰ বিয়পাই জীয়ৰী-বোৱাৰীহঁতে ঘৰে ঘৰে গৈ নৃত্য-গীত কৰি 'ভৈলী' গাই গাঁও তথা দেশৰ মঙ্গল কামনা কৰে।

**গৰু তিহাৰ** - যমপঞ্চকৰ চতুৰ্থ দিনটোক গৰু তিহাৰ বা হলী তিহাৰ বা গোবৰ্দ্ধন পূজা বোলে। গৰু তিহাৰৰ সকলো লোকাচাৰ ব'হাগ বিহুত গৰু বিহুদিনা পালন কৰাৰ দৰে। গৰুৱে খেতি-পথাৰত হাল বাই কৃষিজীৱী লোকক সহায় কৰাৰ বাবে 'লক্ষ্মী' জ্ঞান কৰি গৰুক সেইদিনা পূজা কৰা হয়। গৰুক নোৱাই-ধোৱাই ফুল, চন্দনৰ ফোঁট দি নানা ৰঙৰ ফলৰ মালা পিন্ধাই 'চেলৰুটি' খাবলৈ দিয়ে। সেইদিনা গৰুক নতুন পঘাৰে বান্ধে। সেইদিনা গোহালিত গোবৰেৰে গোবৰ্দ্ধন পৰ্বত সাজি দৈ, চন্দন, অক্ষতা, ফুল আদি আগবঢ়াই গো-ধনৰ সমৃদ্ধি আৰু মংগল কামনা কৰি পূজা কৰা হয় বাবেই ইয়াক গোবৰ্দ্ধন পূজা নামেৰেও জনা যায়। সন্ধিয়া হোৱাৰ লগে লগে ব'হাগৰ 'হুঁচৰি'ৰ দৰে ঘৰে ঘৰে গৈ নেপালী যুৱকসকলে 'দেউসী' গায়।

**ভাতৃ দ্বিতীয়া** - তিহাৰৰ শেষৰ দিনা ভাতৃ দ্বিতীয়া বা ভাইটিকা বা ভাই তিহাৰ বুলি কোৱা হয়। সেইদিনা নিমন্ত্ৰণ ক্ৰমে ভাতৃসকল বায়েক-ভনীয়েকৰ ঘৰলৈ যোৱাৰ নিয়ম। বাই-ভনীবিলাকে ভাতৃক পূজা কৰি কপালত কেইবা ৰঙৰ ফোঁট দি ডিঙিত নাৰ্জি ফুলৰ



মালা পিন্ধাই নানা উপহাৰ যাঁচে। বাই-ভনীৰ পদস্পৰ্শ কৰি ভাতৃয়েও তেওঁলোকক পইচা বা কিবাকিবি উপহাৰ দিয়ে। নিজা বাই-ভনী নথকা বিলাকে নতুন সম্বন্ধ স্থাপন কৰি লয়। ভাতৃদ্বিতীয়া দিনা কোনো পুৰুষে কপাল উকা কৰি ৰাখিব নাপায়। যিজনৰ কপাল উকা সেইজনৰ সমান দুৰ্ভগীয়া আৰু কোনো নাই বুলি নেপালী সমাজত বিশ্বাস। ইয়াৰ পাছতে তেওঁলোকৰ খোৱা-বোৱা পৰ্ব আৰম্ভ হয়।

**নুৱাগী ঃ**

নুৱাগী হৈছে নেপালীসকলৰ ন-খোৱা উৎসৱ। কাতি মাহৰ শুক্লা দ্বাদশী দিনা নেপালীসকলে ন-খোৱা আয়োজন কৰে। ধান পকাৰ লগে লগে ঘৰলৈ পুৰোহিত মাতি আনি যজ্ঞ আৰু হৱন কৰায় আৰু সেইদিনা ন-চাউলৰ ভাত খায়। এই পৰ্ব কৰাৰ পিছৰ পৰাহে তেওঁলোকে ন-চাউলৰ ভাত খাব পাৰে। অনুষ্ঠানটো অনুষ্টুপীয়া হ'লেও তেওঁলোকে প্ৰতিবছৰে নুৱাগী উৎসৱ পাতি আহিছে।

**ধান্য পূৰ্ণিমা ঃ**

আঘোন মাহৰ পূৰ্ণিমা তিথিক নেপালী সকলে 'ধান্যপূৰ্ণিমা' ৰূপে পালন কৰে। ধান্যপূৰ্ণিমা কৃষি-কৰ্মৰ লগত জড়িত। খেতিয়কসকলে শস্যৰ প্ৰাচুৰ্য্যতা কামনা কৰি সেইদিনা 'গৈড়ু' (পশুদেৱতা) ক পূজা কৰে। এই পূজাক 'যজ্ঞ' কৰে। পশু ধনৰ মংগলৰ কামনাৰে গোঠধূপ বা উধৌলী বুলিও কোৱা হয়। পশুদেৱতাক সন্তুষ্ট কৰি ৰাখিবৰ বাবে গৰু খুটি বা গোহালিবোৰতো এক বিশেষ বৈশিষ্ট্যৰে পূজা কৰা হয়।

**স্বস্থানী ঃ**

নেপালী মহিলাসকলে পালন কৰা আন এটা পৰ্ব হৈছে 'স্বস্থানী'। পুহ মাহৰ পূৰ্ণিমা তিথিৰ পৰা মাঘৰ পূৰ্ণিমালৈকে এমাহ ধৰি মহিলাসকলে এই পৰ্ব পালন কৰে। প্ৰতিদিনে মহিলাসকলে ব্ৰত পালন কৰি শিৱ-পাৰ্বতীক পূজা আগবঢ়াই স্বস্থানী ব্ৰতৰ কথা শ্ৰৱণ কৰায়। স্কন্দপুৰাণৰ নেপালী অনুবাদেই হ'ল এই স্বস্থানী ব্ৰতৰ কথা। গতিকে এই এমাহ ধৰি মহিলাসকলে স্কন্দপুৰাণ শ্ৰৱণ কৰে। এই পৰ্বৰ সামৰণি দিনাখন এশ আঠটা চেলৰুটি তৈয়াৰ কৰি তাৰে আঠটা ব্ৰতধাৰী মহিলাই নিজৰ স্বামীক দিয়ে। বাকী বৈ যোৱা বিলাক ঘৰলৈ অহাবিলাকক স্বস্থানী পূজাৰ প্ৰসাদ হিচাবে বিতৰণ কৰে। সেইদিনা নিশা ভজন-কীৰ্তন, নৃত্য-গীত কৰি উজাগৰে থাকি বোৱাৰী পুৱাতে ওচৰৰ নৈ-নিজৰালৈ গৈ স্নান কৰি স্বস্থানী ব্ৰতৰ অন্ত পেলায়।

**মাঘে সগ্ৰাঁতী ঃ**

মাঘে সগ্ৰাঁতী নেপালীসকলে মাঘ মাহৰ প্ৰথমদিনা পালন কৰে। সেইদিনা কাহিলি পুৱাতে কোনো নদীলৈ গৈ গা-পা ধুই ঘি মিশ্ৰিত চাউল জুইত পুৰি তিলক ধাৰণ কৰে। মাঘবিহুৰ মেজি জুইত পুৰি আলু, কাঠ আলু খোৱাৰ দৰে নেপালীসকলেও চেলৰুটি,

আলু, কাঠআলু, তিলৰ আচাৰ, চুঠুনি (মিঠা আলু), খিচিৰি, ঘি, দৈ, গুৰ আদি খাদ্য খায়। সেইদিনা পবিত্ৰ মাঘী স্নান কৰিবলৈ নেপালী ভক্তসকলে পৰশুৰামকুণ্ড আৰু ব্ৰহ্মপুত্ৰলৈ যায়। নেপালী সমাজত বিদিত আছে যে মাঘে সগ্ৰাঁতী দিনা পৰশুৰামকুণ্ডত স্নান কৰি পৰশুৰামে মাতৃহত্যা পাপৰ পৰা মুক্ত হৈছিল। মাকক মনস্তাপ দিয়া সকলো পাপৰ খণ্ডন হ'ব বুলি মানি নেপালীসকলে সেইদিনা পৰশুৰামকুণ্ড, ব্ৰহ্মপুত্ৰ নহ'লে গংগা-যমুনাৰ সংগমস্থল প্ৰয়াগ, কাশী আৰু গংগালৈও মাঘী স্নান কৰিবলৈ যায়।

**উপসংহাৰ ঃ**

আলোচিত উৎসৱ-পাৰ্বণসমূহৰ উপৰিও নেপালীসকলে বছৰৰ বিভিন্ন ঋতু, তিথি আৰু বিশ্বাসৰ ওপৰত আস্থা ৰাখি নানা উৎসৱ-পাৰ্বণ, ব্ৰত পৰম্পৰা পালন কৰে। ভানু জয়ন্তী, ভূমিৰজ (অম্বুবাচী), শিৱৰাত্ৰী, সৰস্বতী পূজা, ৰামনৱমী, ফাগু পূৰ্ণিমা, চৈতে দঁশৈ, ভগত, চৌৰাশী পূজা আদিৰ লগতে জন্ম-বিবাহ-মৃত্যু সম্পৰ্কীয় নানা উৎসৱ-অনুষ্ঠানো তেওঁলোকে পালন কৰে। মুঠতে বছৰৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহত নেপালীসকলৰ জনমানসিকতাৰ সুন্দৰ প্ৰকাশ ঘটিছে। উৎসৱ সমূহত পৰিৱেশিত, ব্যৱহৃত নৃত্য-গীত, সাজ-পাৰ, আ-অলংকাৰো আছে; কিন্তু গৱেষণা পত্ৰৰ কলেৱৰৰ সীমাবদ্ধতালৈ লক্ষ্য ৰাখি সেইবিলাক ইয়াত উল্লেখ কৰা নহ'ল। পৰিৱৰ্তিত সমাজত নেপালীসকলে পালন কৰা উৎসৱ-অনুষ্ঠান সমূহতো পৰিৱৰ্তনে দেখা দিছে। হ'লেও তেওঁলোকে পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহে তেওঁলোকৰ স্বকীয় বৈশিষ্ট্যক প্ৰতিনিধিত্ব কৰাৰ লগতে অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখনো জিলিকাই তুলিছে।

**সহায়ক গ্ৰন্থপঞ্জীঃ**

ক) ছেত্ৰী, শোভিতকুমাৰ (সম্পা.) ঃ নেপালী লোকসংস্কৃতি কাৰেং প্ৰকাশন, মৰাণ, শিৱসাগৰ প্ৰথম প্ৰকাশ, ২০০৯

খ) থাপা, ৰুদ্ৰমান ঃ অসমৰ থলুৱা নেপালী সমাজ কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড় দ্বিতীয় প্ৰকাশ, ২০০৮

গ) নেপাল, ক্ষেমৰাজ ঃ অসমীয়া নেপালী জনজীৱন বসন্ত স্মৃতি সংস্থান, বিশ্বনাথ চাৰিআলি শোণিতপুৰ, প্ৰথম প্ৰকাশ, ২০০৭

ঘ) শৰ্মা, বিষ্ণুলাল ঃ অসমীয়া নেপালী মানুহৰ ইতিবৃত্ত কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড় দ্বিতীয় প্ৰকাশ, ২০০৮


স্রোতস্বিনী
সম্পাদনা
ড° বিনীতা গগৈ
পূৰ্ণিমা তামুলী

SROTOSWINI
A collection of Articles , edited by Dr. Binita Gogoi, Purnima Tamuli and published by Purbayon Publication, Panbazar, Guwahati- 1
First Edition: March, 2020 ₹ 180/-
ISBN: 978-93-89940-19-0

# স্রোতস্বিনী

প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০২০

মূল্য ঃ ১৮০/- টকা

বেটুপাত ঃ চিত্ৰলেখা

গ্ৰন্থস্বত্ব ঃ সম্পাদক

প্ৰকাশক ঃ
পূৰ্বায়ণ প্ৰকাশন
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

# সূচীপত্ৰ

নাৰী শিক্ষা আৰু সমাজ গঠনত নাৰীৰ ভূমিকা ১
✍ টুলুমণি চেতিয়া

'কেক্‌টাচৰ ফুল' উপন্যাসত নাৰী মনস্তত্ত্ব ৬
✍ ড° জ্যোতিৰেখা গগৈ

দেওলাংখুই উপন্যাসৰ কনচাৰী ঃ এক অনন্য নাৰী চৰিত্ৰ ১২
✍ বিজুমণি দাস

Women Education Through the Ages ১৮
✍ Rimarekha Buragohain

নাৰী সমাজৰ মাজত প্ৰচলিত নোৱাই তোলনি বিয়াৰ লোকাচাৰ অতীত আৰু বৰ্তমান ২৫
✍ নীলিমা শেনচোৱা

চাহেবপুৰাৰ ববযুণৰ 'বৰ্ষা' ৩২
✍ মন্দিৰা গগৈ

ধাইনামত নাৰী মনৰ স্বৰূপ ৪০
✍ দীনেশ কুমাৰ গগৈ

Geeta's flight for Urbanisation in Rama Mehta's inside the Haveli ৪৬
✍ Paran Kotoky

গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ ইটো-সিটো ৪৯
✍ চুচন চুতীয়া

# 'কেক্টাচৰ ফুল' উপন্যাসত নাৰী মনস্তত্ত্ব

✍ ড° জ্যোতিৰেখা গগৈ

যুদ্ধোত্তৰ যুগৰ এগৰাকী মহিলা ঔপন্যাসিক হৈছে নিৰুপমা বৰগোহাঞিও। উপন্যাসৰ উপৰি চুটিগল্প, সংবাদসেৱা আদিকে ধৰি সাহিত্যৰ বিভিন্ন দিশত তেওঁ অৱদান আগবঢ়াই গৈছে। পঞ্চাশৰ দশকতে উপন্যাস সৃষ্টিৰ প্ৰেৰণা লাভ কৰা নিৰুপমা বৰগোহাঞিয়ে বৰ্তমানলৈকে সৰু-বৰ প্ৰায় ডেৰ কুৰিখনৰো অধিক উপন্যাস লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসসমূহ এনেধৰণৰ— 'সেই নদী নিৰবধি' (১৯৬৩), 'এজন বুঢ়া মানুহ (১৯৬৬), 'দিনৰ পিছত দিন' (১৯৬৬), 'অন্তঃস্ৰোতা' (১৯৭২), 'কেক্টাচৰ ফুল' (১৯৭৩), 'নামি আহে এই সন্ধিয়া' (১৯৭৮), 'তিনি কন্যা' (১৯৭৮), 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' (১৯৭৯), 'চিনাকি-অচিনাকি' (১৯৮৩), 'দিন-প্ৰতিদিন' (১৯৮৪), 'অন্য জীৱন' (১৯৮৭), 'সামান্য-অসামান্য' (১৯৯১), 'অভিযাত্ৰী' (১৯৯৩), ইত্যাদি। নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ পটভূমি ব্যাপক আৰু বিস্তৃত। সামাজিক, আঞ্চলিক, মনস্তাত্ত্বিক, জীৱনভিত্তিক পটভূমিতে উপন্যাসৰ বিষয়বস্তু গঢ় লৈ উঠিছে। 'কেক্টাচৰ ফুল' বৰগোহাঞিৰ মনস্তাত্ত্বিক পটভূমিত গঢ় লৈ উঠা এখন উপন্যাস।

নিৰুপমা বৰগোহাঞিৰ 'কেক্টাচৰ ফুল' উপন্যাসখনত নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশ প্ৰকাশ পাইছে। পুৰুষতকৈ নাৰীহে উপন্যাসখনত সক্ৰিয় ভূমিকা লোৱা দেখা গৈছে। চৰিত্ৰক প্ৰাধান্য দিয়াৰ বাবে কাহিনীতকৈ চৰিত্ৰ অধিক উজ্জ্বল আৰু বাস্তৱসন্মত হৈছে। 'কেক্টাচৰ ফুল' উপন্যাসৰ মূল নাৰী চৰিত্ৰ হৈছে মানসী আৰু গৌণ নাৰী চৰিত্ৰ দুটি হৈছে পূৰ্ণিমা (মানসীৰ বায়েক) আৰু ললিতবালা (মানসীৰ বান্ধৱী)। প্ৰসংগক্ৰমে দুই



এটি নাৰী চৰিত্ৰ আছে যদিও উপন্যাসখনত চৰিত্ৰকেইটি ইমান পোহৰলৈ অহা নাই।

'কেক্টাচৰ ফুল' উপন্যাসখনত আধুনিক সভ্যতাৰ কলেজীয়া হোষ্টেল জীৱনৰ স্বৰূপ অতি স্পষ্ট ৰূপত চিত্ৰিত কৰি দেখুৱাইছে। মানসী, পূৰ্ণিমা, ললিতবালা এই তিনিটি চৰিত্ৰৰ মাজেৰে শিক্ষিতা গাভৰুৰ জীৱনৰ ছবি সুন্দৰকৈ প্ৰকাশ কৰাৰ লগতে নাৰী মনস্তত্ত্বৰ বহু দিশ পোহৰলৈ আহিছে।

'কেক্টাচৰ ফুল' উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ মানসী এজনী চিন্তাশীল আৰু দৃঢ়সম্পন্না ছোৱালী। মানসীয়ে সকলো কথা বিবেকেৰে চিন্তা কৰি যুক্তিৰে বিশ্লেষণ কৰি চায়। আন দহজনীৰ ছোৱালীৰ দৰে মানসীয়ে সহজতে যিকোনো সিদ্ধান্ত লোৱা নাছিল। মানসী সৰুৰে পৰা ভৱিষ্যতৰ প্ৰতিও সজাগ সেই কথা উপন্যাসখনত পোৱা যায় এনেদৰেঃ

*'মানসীয়ে অন্ততঃ সাধাৰণ জীৱনৰ পৰিধিৰ ভিতৰত কোনোমতেই নিজক সুমুৱাই ৰাখিব নোখোজে, জীৱনত কিবা এটা হ'ব খোজে তাই, কিবা এটা কৰিব খোজে।' (বৰগোহাঞি, নিৰুপমা ঃ উপন্যাস সম্ভাৰ (প্ৰথম খণ্ড) কেক্টাচৰ ফুল, পৃ. ৪২৫)* পৰম্পৰাগত চিন্তাৰ পৰা মানসী ঊৰ্ধ্বত হোৱাৰ বাবে এই চৰিত্ৰটো প্ৰগতিবাদী চৰিত্ৰ হিচাপেও আলোচনা কৰিব পাৰি। মানসীয়ে তাইৰ জীৱনটো ঠেক গণ্ডীত সুমুৱাই নাৰাখি বহল জগতৰ লগত পৰিচয় কৰাব বিচাৰিছিল, তাকেই কৰিবলৈ তাই মানসিকভাৱে সবলো আছিল। জীৱনত অকল পঢ়া-শুনা কৰিলেই নহয়, জীৱনটো পূৰাব হ'লে জীৱনত আৰু বহুত কিবাকিবিৰ প্ৰয়োজন। সেই কথা মানসীয়ে উপলব্ধি কৰিব পাৰি দৃঢ়বিশ্বাসেৰে জীৱনটো আগবঢ়াই নিবলৈ চেষ্টা কৰাৰ কথা উপন্যাসখনত পোৱা যায় এনেদৰে ঃ

*'জীৱনটো গঢ়িব খোজে তাই - সকলো ফালেই, অকল পঢ়া-শুনাৰেই জীৱন ভৰাব নোৱাৰি আৰু কিবাকিবি বিচাৰে তাই, বহুত বিচাৰে, বহুত... ।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৪০)*

সেই কাৰণে হয়তো গুৱাহাটীৰ হোষ্টেলত থাকিও মানসীয়ে ছোৱালীবিলাকৰ মাজত যি বিচিত্ৰতা, নতুনত্ব বিচাৰিছিল সেয়া বিচাৰি নাপাই তাই নিৰাশ হৈ পৰিছিল। সেয়েহে তাই সকলোৰে মাজত থাকিও কিবা এটা অভাৱ অনুভৱ কৰিছিল। হোষ্টেলত থকা ললিতবালা নামৰ ছোৱালীজনীৰ পৰা জীৱনৰ বহু অভিজ্ঞতা আহৰণ কৰাত মানসীয়ে তাইৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছিল। ইয়াৰ দ্বাৰা মানসী চৰিত্ৰত সূক্ষ্ম পৰ্যবেক্ষণৰ পৰিচয় পোৱা যায়।

সমাজত প্ৰচলিত লোকবিশ্বাস, অন্ধবিশ্বাৰ, কুসংস্কাৰ আদিয়ে মানসীৰ প্ৰগতিশীল মনটোত কোনোদিনে ক্ৰিয়া কৰিব পৰা নাছিল ইয়াৰ প্ৰমাণো উপন্যাসখনত পোৱা যায় এনেদৰে ঃ

*'আপুনি ডাক্তৰ মানুহ হৈয়ো এই ক্ষণ চনবোৰ বিশ্বাস কৰেনে?' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৫০)*

গুৱাহাটীত পঢ়িবলৈ যাওঁতে বায়েক পূৰ্ণিমা নম্ৰ আৰু লাজকুৰীয়া হোৱাৰ বাবে মানসীয়ে পূৰ্ণিমাৰ সম্পূৰ্ণ দায়িত্ব লৈছিল। আনকি মাকৰ লগত আলোচনা কৰি বিয়াৰ পৰে জীৱনৰ গধুৰ দায়িত্বও (পূৰ্ণিমাৰ) মানসীয়ে মূৰ পাতি লৈছিল। পিছত যেতিয়া (পূজাৰ বন্ধত) ঘৰলৈ আহি মানসীয়ে মাকৰ পৰা জানিব পাৰিলে যে ৰাজীৱ বৰদলৈ (পূৰ্ণিমাৰ বিয়া ঠিক কৰি থোৱা ল'ৰাজন) আৰু তেওঁ ঘৰখনে মানসীকহে বোৱাৰী হিচাপে বিচাৰে। তেতিয়া মানসীয়ে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। মাকে বুজাইছিল যদিও তাই মাকৰ কথাত প্ৰতিবাদ কৰিছিল এনেদৰে ঃ

*অপমান নহয় ? নক্তৰমত অপমান মা, ছোৱালী এজনীক প্ৰথমতে পছন্দ কৰি ঘৰলৈ মাতি বুলি নি, শেষত আগত তুলি এনেকৈ গুৰিতে কাটি দিয়া কথাটো তোমালোকে কিয় অপমান বুলি ভবা নাই মা।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৬৯)*

মানসীয়ে আকৌ কৈছে ঃ

*'মোৰ বাবে তোমালোকে চিন্তা কৰিব নেলাগে দিয়া, মা। মই এম.এ. পাছ কৰিম, বিলাতলৈ যাম আৰু চাকৰি কৰি সুখেৰে স্বাধীন জীৱন যাপন কৰিম। বিয়া-বাৰু কৰাৰ কোনো কাৰণ নাই মোৰ।' (প্ৰাগুক্ত গ্ৰন্থ. পৃ. ৪৬৯)*

বিয়া ঠিক হৈ থকা ছোৱালী এজনীৰ জীৱনক লৈ খেলা কৰাটো মানসীয়ে নিবিচাৰে। সেয়েহে তাইৰ স্বাধীনচিতীয়া আৰু প্ৰগতিবাদী মন বিদ্ৰোহী হৈ উঠি মাকক তাইৰ বাবে চিন্তা নকৰিবলৈ কৈছে। মানসীৰ এই চিন্তাধাৰাৰ অন্তৰালতো আন এক মনস্তত্ব লুকাই আছিল। সেয়ে চৰিত্ৰটোৰ মানসিক দ্বন্দ্বতো ভোগা দেখা যায়। বায়েকৰ সলনি তাইক পছন্দ কৰাটো মানসীয়ে সহজভাৱে ল'ব পৰা নাছিল, আনহাতে ৰাজীৱ বৰদলৈৰ প্ৰতিও ভিতৰি ভিতৰি আকৰ্ষণ অনুভৱ কৰিছিল। কিন্তু বায়েকক কৰা অপমানৰ বাবেই মানসীয়ে মনৰ মাজত সংগোপনে অনুৰণিত হৈ থকা অনুভূতিক দমন কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। সেয়েহে মানসীয়ে উত্তেজিত হৈ আৱেগ-মিহলি কণ্ঠেৰে কৈ উঠিল এনেদৰে ঃ

*'বাইদেউক এনেদৰে অপমান কৰাৰ কোনো অধিকাৰ নাই তেওঁলোকৰ।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৬৯)*

এই চৰিত্ৰটিয়ে এফালে নিজকে পুৰুষৰ দৰে গঢ়ি তুলিব বিচাৰে আৰু আনফালে অৱচেতন মনৰ কোনোবাখিনিত গোপন প্ৰেমো উজলি উঠে। সেয়েহে শেষত ললিতবালাৰ মধ্যস্থতাত ৰাজীৱৰ প্ৰতি থকা ভুল ধাৰণা আঁতৰাই ৰাজীৱৰ কাষ চাপি গৈছে।

এনেদৰেই মানসী চৰিত্ৰটিৰ যোগেদি ঔপন্যাসিকে জীৱনৰ কিছুমান মৌলিক সত্য আৰু প্ৰবৃত্তি প্ৰকাশ কৰিছে। তাকে কৰিবলৈ যাওঁতে চৰিত্ৰটিক বিভিন্ন পৰিস্থিতিৰ সন্মুখীন কৰাইছে আৰু চৰিত্ৰটিয়ো এনে সমস্যাৰ পৰা নিজেই আত্মমুক্তিৰ পথ বাছি লৈছে।



'কেকটাচৰ ফুল' উপন্যাসখনত পূৰ্ণিমা, ললিতবালাক গৌণ চৰিত্ৰ হিচাপে চিত্ৰিত কৰিছে। উপন্যাস এখনৰ কাহিনী বিকাশত গৌণ চৰিত্ৰৰ ভূমিকা যথেষ্ট। এই উপন্যাসখনতো মানসীৰ বায়েক পূৰ্ণিমাক গৌণ চৰিত্ৰ হিচাপে চিত্ৰিত কৰিলেও চৰিত্ৰটো মানসীৰ সমপৰ্যায়ৰে এটি চৰিত্ৰ। এই চৰিত্ৰটোৰ বাবেহে মানসীৰ চৰিত্ৰটো অধিক উজ্জ্বল হৈ উঠিছে।

পূৰ্ণিমা মানসীৰ দৰে চোকা বুদ্ধিৰ নাছিল যদিও তাই মাক-দেউতাকৰ আদৰৰ আছিল। তাই মনটো এজনী সৰু ছোৱালীৰ দৰে কোমল। মাক-দেউতাকৰ সকলো কথাই তাই মানি চলিছিল। মানসীতকৈ সম্পূৰ্ণ এটি বিপৰীতধৰ্মী চৰিত্ৰ। উপন্যাসখনত সংসাৰৰ আও-ভাও নজনা এটা নিষ্পাপ শিশুৰ ৰূপত চৰিত্ৰটি অংকন কৰিছে।

পঢ়া-শুনাত চোকা মানসীয়ে মেট্ৰিকত ভাল ফলাফল দেখুওৱাত তাইক গুৱাহাটীৰ কটন কলেজত বিজ্ঞান শাখাত নাম লগাই দিলে। বায়েক পূৰ্ণিমাকো মানসীৰ লগ হ'ব বুলি একেখন কলেজতে নাম লগাই দিয়াত তাই মানসীক কৈছে এনেদৰে ঃ

*'কলপটুৱাৰ তুলসীৰ লগতে মুক্তি হোৱাৰ দৰে মোৰো তোৰ লগতে মুক্তি হ'ল, মানু।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৪২)*

–অৰ্থাৎ সৰু কলেজ আৰু সৰু ঠাইৰ পৰা ওলাই গুৱাহাটীত পঢ়িবলৈ যোৱাত পূৰ্ণিমা উৎফুল্লিত হৈ উঠিছিল।

প্ৰথম হোষ্টেলত গৈ মানসীয়ে কোনো নতুনত্ব লাভ কৰা নাছিল। কিন্তু পূৰ্ণিমাই আন দহজনীৰ দৰে সময়ৰ সোঁতত নিজক মিলাই হোষ্টেল জীৱনৰ বিলাসিতাক আদৰণি জনাইছিল। অৰ্থাৎ পূৰ্ণিমাৰ চৰিত্ৰত নাৰীৰ পৰম্পৰাগত ৰূপটো প্ৰতিফলিত হৈছিল। নাৰী পানীৰ দৰে যি পাত্ৰত থোৱা থয় তাৰেই আকাৰ লয়। ঠিক সেইদৰে পূৰ্ণিমায়ো নিজকে সময়ৰ সোঁতত এৰি দিছিল।

পূৰ্ণিমা নম্ৰ আৰু লাজকুৰীয়া। এই লাজকুৰীয়া স্বভাৱটোৰ বাবেই ৰাজীৱ বৰদলৈৰ (তাই বিয়া ঠিক হৈ থকা ল'ৰাজন) তাই প্ৰতি কোনো আকৰ্ষণ জন্মা নাছিল। কিন্তু বিয়াখন ভাগি যোৱাৰ পিছতো পূৰ্ণিমাৰ কোনো ক্ষোভ বা আক্ষেপ নাছিল। কম সময়ৰ বাবে এই কথাই তাইৰ মনত প্ৰতিক্ৰিয়া কৰিছিল যদিও তাই এইবিলাক খুউব সহজভাৱেই লৈছিল।

প্ৰথম বিয়া ভাগি যোৱাৰ পিছত মাক-দেউতাকে ললিতবালাৰ ককায়েকৰ লগত দ্বিতীয়বাৰ বিয়া ঠিক কৰি মতামত জানিব বিচৰাত তাই সহজ-সৰলভাৱে কৈছিল এনেদৰে ঃ

*'তোমালোকে যি ভাল দেখা তাকেই কৰিবা মা, মইজানো কেতিয়াবা তোমালোকৰ কোনো কথাত আপত্তি কৰিছোঁ ? আগৰবাৰো আপত্তি কৰা নাছিলোঁ, এতিয়াও নকৰোঁ।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৫)*

অৰ্থাৎ মাক-দেউতাকৰ মতেই তাই মত। প্ৰতিবাদ নকৰাকৈ তাই সকলো কথাই মানি যাব। এনে গুণৰ বাবে চৰিত্ৰটি পৰম্পৰাবাদী চৰিত্ৰৰ শাৰীতো থ'ব পাৰি।

উপন্যাসখনৰ আন এটি গৌণ চৰিত্ৰ হৈছে ললিতবালা। গৌণ চৰিত্ৰ হ'লেও চৰিত্ৰটিয়ে মুখ্য চৰিত্ৰটি উজ্জ্বল ৰূপত তুলি ধৰাত বহুখিনি সহায় কৰিছে। মানসী-পূৰ্ণিমাতকৈ ই এক ব্যতিক্ৰমধৰ্মী চৰিত্ৰ। ললিতবালা নামটো যেনেকৈ সাধাৰণ, আন নামতকৈ অলপ বেলেগ, ঠিক সেইদৰে উপন্যাসখনতো এই চৰিত্ৰটোৱে অলপ অসাধাৰণ কামবোৰ কৰিছে। ললিতবালা চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিকে নাৰী মনৰ বিভিন্ন অভিজ্ঞতা ফুটাই তুলিবলৈ সক্ষম হৈছে।

ললিতবালাৰ প্ৰকৃত বন্ধুপ্ৰীতি আছিল। এই মনোভাবৰ বাবেই ললিতবালাই সকলোকে আপোন কৰিব পাৰিছিল। আনকি মানসীৰ দৰে এজনী ছোৱালীও ললিতবালাৰ প্ৰতি আকৰ্ষিত হৈ তাইৰ লগত জীৱনৰ নানা তত্ত্বগধুৰ কথা পাতিছিল। অকল মানসী নহয়, ললিতবালাই তাই থকা হোষ্টেলখন, হোষ্টেলৰ ফুলনি, ছোৱালীবোৰ সকলোকে মন প্ৰাণভৰি ভাল পাইছিল। সেই কথা উপন্যাসখনত পোৱা যায় এনেদৰে ঃ

*'মোৰ ভাল পোৱা বস্তু হ'ল এই আকাশ-বতাহ-পৃথিৱী, এই সুন্দৰ ফুলবোৰ, এই হোষ্টেলটো- এক কথাত এই জীৱনটো।' (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৮)*

ললিতবালাই জীৱনৰ সুন্দৰ দিশটোৰ ওপৰত গুৰুত্ব দিয়া বাবে তাই হতাশাৰ সলনি আশাবাদক সদায় আগস্থান দিছিল। জীৱনটো তাই সহজ-সৰলভাৱে উপলব্ধি কৰি জীৱনত সুখী হ'ব বিচাৰিছিল। মানসীৰ দৰে এই জীৱনৰ বাহিৰেও আৰু কিবা বেলেগ জীৱন আছে বুলি ললিতবালাই নাভাবে। সেই কথাও উপন্যাসখনত উল্লেখ আছে এনেদৰে-

*'এই জীৱনটোৰ বাহিৰে যে আৰু বেলেগে জীৱন আছে সেই বোধটো কোনোদিন মোৰ মনলৈ নাহে। গতিকে এই জীৱনক দুখেৰে ব্যৰ্থ কৰি দিয়াৰ পক্ষপাতী মই নহওঁ, মই সকলোৰে পৰা আনন্দ আহৰণ কৰাতে থাকোঁ। (প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৮)*

ললিতবালাই প্ৰকৃত বন্ধুত্বৰ মূল্য দিব জানিছিল। ললিতবালাই মানসীৰ জীৱনৰ ডাঙৰ অভাৱ এটা পূৰণ কৰিলে। ৰাজীৱ আৰু মানসীৰ মাজত মধ্যস্থতাকাৰী হৈ মানসীৰ মনত থকা ৰাজীৱৰ প্ৰতি ভুল ধাৰণাবোৰ আঁতৰাই দুয়োকে কাষ চপাই দিলে। বন্ধুৱে বন্ধুক কৰা ই এটা ডাঙৰ উপকাৰ।

ললিতবালা সৎ আৰু দৃঢ়মনা। সেয়েহে অধ্যয়নৰ উপৰি নিজস্ব ধ্যান-ধাৰণাৰ মাজেদি জীৱনটোক গঢ় দিব বিচাৰিছিল। অত্যন্ত অধ্যয়নপুষ্ট মন আৰু জ্ঞান-বিজ্ঞানৰ বিচিত্ৰ অভিজ্ঞতাৰ বাবেই ললিতবালা মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৰ্ষিত হৈ তাত অন্তৰ্ভুক্ত হৈছিল। কিন্তু পৰীক্ষালৈ এমাহ মান থাকোঁতেই মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টীৰ সদস্য হোৱাৰ অপৰাধত ললিতবালাক হোষ্টেলৰ পৰা বহিষ্কৃত কৰে। এইটো সাধাৰণ ছোৱালী এজনীৰ বাবে ডাঙৰ কথা। অধ্যয়নপুষ্ট মন আৰু দৃঢ়মনা স্বভাৱৰ বাবে ললিতবালাই ইয়াকো



অতিক্ৰম কৰিছিল। সেয়েহে উপন্যাসৰ আন চৰিত্ৰকেইটাতকৈ ললিতবালা চৰিত্ৰটো অলপ ব্যতিক্ৰমধৰ্মী।

এনেদৰেই ঔপন্যাসিক নিৰুপমা বৰগোহাঞিয়ে উপন্যাসখনৰ মাজেদি নাৰীৰ মনস্তত্ত্বৰ বিভিন্ন দিশ চিত্ৰিত কৰিছে। আধুনিক জীৱনধাৰাৰ জটিলতাই সৃষ্টি কৰা নাৰী জীৱনৰ সংঘাতময় মানসিকতাৰ স্ফুৰণ সুন্দৰ ৰূপত উপন্যাসখনত প্ৰতিফলিত হৈছে। ইয়াৰ উপৰি অধ্যয়নপ্ৰিয়, যুক্তিবাদী, সহানুভূতিশীলা, ৰোমাণ্টিকতা, অন্যায়ৰ বিৰুদ্ধে জাগ্ৰত ইত্যাদি ধৰণৰ নাৰীৰ সমস্যা আৰু আত্মপ্ৰতিষ্ঠাৰ বিষয়েও উপন্যাসখনত আলোচনা কৰা হৈছে। দৈনন্দিন জীৱনত প্ৰচলিত সৰু সুৰা নানা প্ৰসংগ, হোষ্টেলৰ ছোৱালীবিলাকৰ আলাপ-আলোচনা, ছোৱালীৰ প্ৰতি থকা দেউতাকৰ মৰম, চহৰৰ হোষ্টেলীয়া জীৱনে ছোৱালীবিলাকৰ মনত কৰা প্ৰতিক্ৰিয়াৰ প্ৰতিচ্ছবিও উপন্যাসখনত বৰ্ণনা কৰিছে। মুঠতে এগৰাকী লেখিকা হিচাপে নাৰী জীৱনৰ চিৰন্তন কিছুমান সমস্যা আৰু সত্য উদ্‌ঘাটন কৰাত বৰগোহাঞি সফল হৈছে। মনস্তাত্ত্বিক পটভূমিত ৰচিত 'কেক্‌টাচৰ ফুল' উপন্যাসখনতো নাৰী চৰিত্ৰৰ বিচিত্ৰ অভিব্যক্তি ফুটাই তুলিবলৈ সক্ষম হৈছে।

**প্ৰসংগ পুথি ঃ**

১) কটকী, প্ৰফুল্ল ঃ স্বৰাজোত্তৰ অসমীয়া উপন্যাসৰ ভূমিকা বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৭৯

২) ঠাকুৰ, নগেন (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস জ্যোতি প্ৰকাশন, পাণবজাৰ, ২০০০

৩) দত্ত, বিনীতা (সম্পা.) ঃ অসমীয়া সাহিত্যত নাৰী পূৰ্বশ্ৰী অফছেট প্ৰিন্টাৰ্ছ তৰাজান, যোৰহাট-১, ১৯৯৫

৪) নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, ১৯৮৬

৫) বৰগোহাঞি, নিৰুপমাঃ উপন্যাস সম্ভাৰ (প্ৰথম খণ্ড) জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, ১৯৯৯

# পৰিশীলন

সম্পাদক

ড° বিমল মজুমদাৰ

**Parishilan**

A collection of articles on various aspects, edited by Dr. Bimal Mazumder and published by Purbayon Publication, Panbazar, Guwahati- 1, Assam on behalf of UGC-Human Resource Development Centre, Gauhati University, Guwahati- 14, Refresher Course 33, 11th September, 2019 to 24th September, 2019.

First Edition : September, 2019 ₹ 500/-

# পৰিশীলন

**First Edition:**
September, 2019

**ISBN :** 978-81-943045-0-0

**Copyright:**
Editor

**Price:** 500/-

**Cover design :**
Chitralekha

**Published by:**
Purbayon Publication
Jaswanta Road, Near Panbazar Aadarsha Prathamik Vidyalaya
Panbazar, Guwahati- 1, Assam
Email-purbayonindia21@gmail.com
website: purbayonpublication.com
Contact No. +91- 9864422157

Since the articles of this book are collected from individual authors, the responsibility for the facts, views, conclusion and plagiarism, if any in this book in entirely that of the authors. The editors and the publisher bear no responsibility for that.

## সম্পাদনা সমিতি

উপদেষ্টা
অধ্যাপক যোগেন কলিতা
অধ্যাপক অশোক কুমাৰ বৰা
ড° শ্যামন্ত চক্ৰৱৰ্তী

সম্পাদক
ড° বিমল মজুমদাৰ

সদস্য/সদস্যা
ড° পংকজ নমঃশূদ্ৰ
ড° চন্দনা দাস
ড° উমেশ দাস
ড° ধনেশ্বৰ কলিতা

শৈলীবিজ্ঞানৰ সহায়ত বাণীকান্ত কাকতিৰ গদ্যৰ বিচাৰ /৬৯
("পুৰণি অসমীয়া সাহিত্য"ৰ আধাৰত)
✍ ড° কৰুণা কান্ত ডেকা
দেৱব্ৰত দাসৰ চুটিগল্পৰ আংগিক : পৰম্পৰা আৰু অভিনৱত্বৰ সন্নিৱেশ /৭৬
✍ কবিতা কোঁচ
'জোনাকী আৰু আৱাহন' যুগৰ অসমীয়া চুটিগল্পত নাৰী চৰিত্ৰ : এটি তুলনামূলক বিশ্লেষণ /৮৩
✍ মহীধৰ ৰাজবংশী
কাৰ্বিসকলৰ গৃহ নিৰ্মাণ প্ৰণালী : অতীত আৰু বৰ্তমান /৯১
✍ ড° মনালিছা ৰংপিপী
আধুনিক অসমীয়া কাব্য সাহিত্যত মহিলা কবিৰ যাত্ৰা : এটি আলোচনা /৯৬
✍ অনামিকা বৰা
পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰহসন নাটকত লোক সংস্কৃতিক উপাদান : এক অধ্যয়ন /১০৮
(টেটোন তামুলি প্ৰহসনখনৰ বিশেষ প্ৰসঙ্গত)
✍ ড° পংকজ নমঃশূদ্ৰ
" হাৱাঘাটীয়া স্থানীয় উপভাষা " এক চমু অধ্যয়ন /১১৭
✍ মইনুল হক চৌধুৰী
অসমীয়া গীতি-নাটকলৈ আনন্দচন্দ্ৰ বৰুৱাৰ বৰঙণি /১২৭
✍ ড° নমিতা বৰুৱা
উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বেইটে জনজাতিৰ পৰম্পৰাগত খাদ্যসম্ভাৰ /১৩৫
✍ ড° নীৰা দাস
পৰম্পৰা আৰু আধুনিকতাৰ সমন্বয়ত উদ্যাপিত টাইফাকে সকলৰ জাতীয় উৎসৱ 'পয়-পি-মাউ' - এক বৰ্ণনাত্মক অধ্যয়ন (ক্ষেত্ৰ অধ্যয়নৰ আধাৰত) /১৩৮
✍ বনজীতা শইকীয়া
নীলিম কুমাৰৰ 'নৰকাসুৰ' কবিতাত পুনৰ নিৰ্মাণ /১৪৪
✍ ড° ৰীতা দাস
লক্ষ্মীনাথ বেজবৰুৱাৰ চুটি গল্পত নাৰীৰ সামাজিক স্থিতি /১৪৭
✍ ৰুণুমী সোণোৱাল
ৰাসক্ৰীড়া অধ্যায়ৰ তাৎপৰ্য্য /১৫৪
✍ সৰোজ কাকতি
বৌদ্ধধৰ্মাৱলম্বী জনগোষ্ঠীসমূহৰ পয়লেং : এক ক্ষেত্ৰভিত্তিক অধ্যয়ন /১৬২
✍ ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ

# লক্ষ্মীনাথ বেজবৰুৱাৰ চুটি গল্পত নাৰীৰ সামাজিক স্থিতি


✍ ৰুণুমী সোণোৱাল*


**বিষয়বস্তুৰ পৰিচয় ঃ**

আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাৰ অৰ্থে গঢ় লৈ উঠা ঊনবিংশ শতিকাৰ সাহিত্যিক আন্দোলনৰ অন্যতম গুৰি ধৰোঁতা লক্ষ্মীনাথ বেজবৰুৱা। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত কলিকতাৰ প্ৰৱসুৱা অসমীয়া ছাত্ৰসকলৰ সহযোগত আৰম্ভ হোৱা এই আন্দোলনত লক্ষ্মীনাথ বেজবৰুৱায়ো মনেপ্ৰাণে যোগ দি অসমীয়া সাহিত্য ক্ষেত্ৰত এক নৱজাগৰণ আনিবলৈ সক্ষম হৈছিল। বেজবৰুৱা কেৱল সাহিত্য সাধকেই নাছিল, তেওঁ আছিল একেধাৰে অসমীয়া ভাষা-সংস্কৃতি তথা জাতীয় ঐতিহ্যৰো সাধক। প্ৰকৃততে সেই সময়ত অসমীয়া সাহিত্যত সূচনা হোৱা নৱজাগৰণ প্ৰায় অৰ্ধশতিকা জুৰি চলি আছিল আৰু বেজবৰুৱাৰ সাহিত্যিক ব্যক্তিত্বই আছিল সেই আন্দোলনৰ ঘাই চালিকা শক্তি। গতিকে ১৮৮৯ৰ পৰা ১৯৪০ চনলৈকে এই সময়ছোৱাত সঠিকভাৱেই অসমীয়া সাহিত্যৰ 'বেজবৰুৱাৰ যুগ' নামকৰণ কৰা হৈছে।

ঊনবিংশ শতিকাত কলিকতাত অধ্যয়নৰত অসমীয়া ছাত্ৰসকলে সাহিত্য ক্ষেত্ৰত নৱজাগৰণৰ ঢল বোৱাই আনিবলৈ প্ৰধান আহিলাৰূপে ব্যৱহাৰ কৰিবলৈ 'জোনাকী' আলোচনী (১৮৮৯ খ্ৰীষ্টাব্দ)ৰ জন্ম দিছিল। সাহিত্যৰ প্ৰায় আটাইবোৰ বিভাগতে প্ৰতিভাৰ পৰিচয় দিয়া লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যিক জীৱনৰ পাতনি মেলিছিল এই জোনাকী আলোচনীৰ জৰিয়তে। অসমীয়া সাহিত্যত দেখিবলৈ পোৱা বিভিন্ন অভাৱ পূৰণৰ খাতিৰতেই বেজবৰুৱাই সাহিত্যৰ সকলোবোৰ বিভাগতে হাত দিবলগীয়া হৈছিল।

একেধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, জীৱনীকাৰ, আত্মজীৱনী লেখক, হাস্য-ব্যংগধৰ্মী ৰচনাৰ ৰচক লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জন্মদাতা। তেওঁ 'সুৰভি',


*অধ্যাপিকা, অসমীয়া বিভাগ, নাহৰকটীয়া মহাবিদ্যালয়

'সাধুকথাৰ কুঁকি', 'জোনবিৰি' আৰু 'কেহোঁকলি' গল্পপুথিৰ জৰিয়তে অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়ায়। সমসাময়িক অসমীয়া সমাজ জীৱনৰ জীৱন্ত ছবি ফুটি উঠা তেওঁৰ আটাইবোৰ গল্পতে চুটিগল্পৰ বৈশিষ্টবোৰ ফুটি উঠা নাই যদিও প্ৰথম অসমীয়া চুটি গল্পৰ ৰচক হিচাবে তেওঁৰ ঐতিহাসিক গুৰুত্ব অসমীয়া সাহিত্যৰ বুৰঞ্জীত সদায়ে উজ্জ্বল হৈ আছে।

সাহিত্য আৰু সমাজ দুয়োটাৰে অঙ্গাংগী সম্বন্ধ। এটাৰ অবিহনে আনটো সম্ভৱ নহয়। সেয়ে সাহিত্যক সমাজৰ দাপোণ বুলিও কোৱা হয়। গতিকে সাহিত্যত সমকালীন সমাজ জীৱনৰ প্ৰতিফলন ঘটাটো স্বাভাৱিক। প্ৰতিজন লিখকেই কম-বেছি পৰিমাণে হ'লেও সেই যুগৰ প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত হয়। গতিকে সেই সমাজৰ ৰুচি-অভিৰুচি, আশা-আকাংক্ষা, কল্পনা, সামাজিক পৰিৱৰ্তন আদিসমূহ লিখকৰ ৰচনাত প্ৰতিফলন ঘটাটো স্বাভাৱিক। অসমৰ সমাজ জীৱনৰ চিত্ৰ আঁকিবলৈ সক্ষম হোৱা বেজবৰুৱাৰ সমগ্ৰ ৰচনাৱলীৰ লগতে চুটিগল্পটো সেই সময়ৰ এখন সমাজৰ ছবি দৃষ্টিগোচৰ হয়। এই সমাজৰ ছবিখনৰ পৰা বেজবৰুৱাৰ সমকালৰ নাৰীৰ সামাজিক অৱস্থানো উপলব্ধি কৰিব পাৰি। এই প্ৰবন্ধত লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত নাৰীৰ সামাজিক স্থিতিয়েই নিৰ্ণয় কৰিবলৈ যত্ন কৰা হৈছে।

বিষয়বস্তুৰ আলোচনা ঃ

বেজবৰুৱাৰ সৃষ্টিশীল সাহিত্যৰাজি অধ্যয়ন কৰিলে পৰিলক্ষিত হয় যে তেওঁৰ সাহিত্যত নাৰীয়ে এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ তেওঁৰ ৰচিত গল্পসমূহত নাৰী চৰিত্ৰৰ সাৰ্থক প্ৰকাশ লক্ষ্য কৰা যায়। তেওঁৰ সমগ্ৰ সাহিত্যৰাজিয়ে যিদৰে সমসাময়িক সমাজখনৰ ছবি ধৰি ৰাখিবলৈ সক্ষম হৈছে, সেইদৰে তেওঁৰ গল্পৰ নাৰী চৰিত্ৰসমূহেও বেজবৰুৱাৰ সমকালৰ নাৰী সমাজক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছে। গতিকে বেজবৰুৱাৰ গল্পৰ নাৰী সমাজখনৰ যোগেদি সেইকালৰ নাৰীৰ সামাজিক স্থিতিও অনুধাৱন কৰিব পাৰি।

বেজবৰুৱাৰ গল্পসমূহৰ কেইবাটিও নাৰী চৰিত্ৰ সমাজত নিষ্পেষিত, নিগৃহীত হ'বলগা হৈছে। ভদৰী, ললিতী কাকতী, সেউতী, পাতমুগী, তিলকা, নিস্তাৰিণী দেৱী বা ফাতেমা বিবি আদি ভালেমান নাৰী চৰিত্ৰই সেই সময়ৰ পুৰুষ শাসিত সমাজখনৰ পৰা লাঞ্চনা-গঞ্জনাৰ সন্মুখীন হ'বলগীয়া হৈছে। বেজবৰুৱাৰ সমসাময়িক সমাজখনত সৰ্বসাধাৰণ কৃষক পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা স্বচ্ছল নাছিল। এনে পৰিয়ালৰ নাৰীয়ে ঘৰ-গৃহস্থালিৰ উপৰিও কৃষিকৰ্মতো হাত দিবলগীয়া হৈছিল। কঠোৰ পৰিশ্ৰমেই আছিল তেওঁলোকৰ জীৱন। 'ভদৰী' গল্পৰ ভদৰীও এনে এটি নাৰী চৰিত্ৰ। এই ভদৰীয়েও আন দহজনী কৃষকৰ পত্নীৰ দৰে মাজে সময়ে মাৰ-কিল খাবলগীয়া হৈছে। ভদৰীয়েও এয়া দাম্পত্য জীৱনৰেই স্বাভাৱিক অংগ বুলি ধৰি লৈছে। আনকি ভদৰীৰ স্বামী শিশুৱামে তাইক মৈদাৰে মাৰি



হস্পিটেলত থাকিবলগীয়াও কৰিছে, তথাপি তাইৰ স্বামী ভক্তি পৰায়ণা স্বভাৱৰ তিলমানো হানি হোৱা নাই। স্বামীক সময়ত ভাত দিব নোৱাৰাৰ কাৰণেই তাই স্বামীৰ পৰা মাৰ খাইছে যদিও তাই স্বামীক দোষমুক্ত কৰিছে। কাৰণ ভদৰী হৈছে ভাৰতীয় আদৰ্শ নাৰীৰ প্ৰতিনিধিস্বৰূপ। তাইৰ মানত 'পতিয়েই পৰম গুৰু', সেয়ে তাই অচেতন অৱস্থাৰ পৰা জ্ঞান ঘূৰাই পাই পতিৰ চিন্তাত কাতৰ হৈ পৰিছে।

'যেনে চোৰ তেনে টাঙোন' গল্পটো স্বামীৰ হাতত দুখ ভোগ কৰা অন্য এক নাৰী চৰিত্ৰ ৰূপায়িত কৰা হৈছে। গল্পটিত স্বামী ৰুদ্ৰায়ে পত্নীক সামান্য কাৰণত অকথ্য নিৰ্যাতন চলায়। স্বামীক সন্তুষ্ট কৰিবলৈ তাই যথেষ্ট চেষ্টা চলায় যদিও তাইৰ সকলো চেষ্টা অৱশেষত বৃথা বুলি পৰিগণিত হয়। কিন্তু এগৰাকী গোহাঁইৰ উপদেশমতে তাই এই অৱস্থাৰ পৰা মুক্তি লাভ কৰে।

সেইদৰে 'পাতমুগী' নামৰ গল্পটোতো পাতমুগীয়ে পুৰুষৰ ঠগ্-প্ৰৱঞ্চনাৰ সন্মুখীন হৈছে। কুমাৰ সম্প্ৰদায়ৰ এগৰাকী ৰূপৱতী ছোৱালী পাতমুগী। পাতমুগীৰ ৰূপত মোহ গৈ এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ যুৱকে তাইক বিয়া কৰাবলৈ মন মেলে। পাতমুগীও যুৱকজনৰ প্ৰেমত ভোল গৈ বিবাহপাশত আৱদ্ধ হয়। প্ৰথমতে, গাঁৱৰ লোকসকলে বিয়াত অসন্মত হৈছিল যদিও যুৱকজনৰ আচাৰ ব্যৱহাৰত মুগ্ধ হৈ তেওঁক গাঁৱৰে এজন লোক বুলি মানি লয়। কেইমাহমান পাতমুগীৰ সৈতে সংসাৰ কৰাৰ পাছত যুৱকজনে তাইক ত্যাগ কৰি নিজৰ গাঁৱলৈ ঘূৰি গৈ পুনৰ বিবাহ কৰায়। পাতমুগীয়ে যুৱকজনৰ বিৰুদ্ধে গোচৰ তৰিবলৈ আদালতৰ কাষ চাপিছিল যদিও প্ৰথমদিনাই তাই বুজিব পাৰিছিল যে ন্যায় বিচাৰ লাভ কৰাটো তাইৰ বাবে সম্ভৱ নহয়। সেয়ে তাই মোকৰ্দমা নচলায় বুলি আদালত কক্ষতে ঘোষণা কৰি ঘূৰি আহি মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি আৰম্ভ হোৱা দেশসেৱাৰ কামত যোগদান কৰে।

পৰম্পৰাপন্থী নাৰীৰ প্ৰতিভূস্বৰূপ সেউতী (একে নামৰ গল্পত) বেজবৰুৱাৰ গল্পসমূহৰ ভিতৰতে এটি মৰ্মস্পৰ্শী নাৰী চৰিত্ৰ। সেই সময়ৰ অসমীয়া সমাজত বাল্য বিবাহৰ প্ৰচলন থকাৰ কথা গল্পটিয়ে প্ৰমাণ দাঙি ধৰাৰ উপৰিও নাৰীৰ প্ৰতি কৰা অমানৱীয় ব্যৱহাৰৰ চিত্ৰও গল্পটিত ফুটি উঠিছে। মাক-দেউতাকৰ অতি মৰমৰ সেউতীক ন বছৰ বয়সতে বিয়া দিয়া হৈছিল। কিন্তু 'সেউতীৰ পিতৃগৃহ দবাৰ লগত সম্পৰ্কীয়', এনে এটি উৰাবাতৰিৰ ফলশ্ৰুতি হিচাপে সেউতীক পুনৰ স্ব-গৃহলৈ ওভতাই পঠিওৱা হয়। নিজৰ বিবাহ সম্পৰ্কে নূন্যতমো ধাৰণা নথকা সেউতীয়ে মাতৃগৃহলৈ পুনৰ আহিবলৈ পাই আনন্দিতহে হৈছে যদিও তাই বুজন হোৱাৰ পিছত নিজৰ দুৰ্দশাৰ কথা উপলব্ধি কৰিব পাৰিছে। স্বামীয়ে দ্বিতীয় বিবাহ কৰায় যদিও সেউতীয়ে স্বামীৰ কাষ নচপাৰ প্ৰতিশ্ৰুতি দি শহুৰৰ ঘৰত প্ৰত্যাৰ্পণ কৰিলে। শহুৰৰ ঘৰলৈ আহি সেউতী অকথ্য নিৰ্যাতনৰ সন্মুখীন হৈছিল। শুবৰ বাবে তাই পাইছিল বাহিৰৰ ছালি এখন, খাবলৈ পাইছিল লোকৰ এবেহা।

এইখিনিও তাইৰ বাবে সম্ভৱ হৈছিল চাকৰৰ দৰে গোবাৰি খাটি কাম কৰাৰ বাবেহে। কিন্তু সেউতীৰ প্ৰতি ঘৰতে কৰা কু-ব্যৱহাৰ তাইৰ স্বামীয়ে সহ্য কৰিব নোৱাৰি লুকাই চুৰকৈ হ'লেও সেউতীৰ লগত এটা সম্পৰ্ক গঢ়ি তুলিলে। যাৰ বাবে সেউতীয়ে তাইৰ জীৱনটোৱেই চৰম মূল্য হিচাপে আগবঢ়াবলগীয়া হয়। এই মিলনক সহ্য কৰিব নোৱাৰি সেউতীক দি চুৰা ভাত খাবলৈ দিয়া হৈছিল তাত বিহ মিহলাই দিয়া হ'ল। সেউতীৰ মৃত্যুৰ পিছতহে গম পোৱা গৈছিল যে প্ৰকৃতপক্ষে ছোৱালী দৰাৰ লগত সম্বন্ধ লগা নাছিল। গল্পটিত সেউতীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰৰ মূলতে আছিল দৰাৰ মাক আৰু ননদ। সেউতীৰ প্ৰতি গভীৰ কৰুণাৰ উদ্ৰেক হোৱা গল্পটিত মানুহৰ অমানবীয় আচৰণে পাঠকৰ অন্তৰ গভীৰভাৱে আন্দোলিত কৰি তোলে।

'ললিতী কাকতী' গল্পৰ নায়িকা ললিতীয়ো স্বামীৰ হাতত লাঞ্ছিতা হৈছে। ঘৰখনৰ একমাত্ৰ সন্তান ললিতীক যথেষ্ট বিচাৰ খোচাৰ কৰিয়েই চৰ্‌ডেপুটী কলেক্টৰ এজনলৈ বিয়া দিয়া হৈছিল। কিন্তু বিয়াৰ এমাহ পাৰ হোৱাৰ পিছতেই ললিতীৰ গাত হাকিম স্বামীৰ চৰ, লাথি, গোৰ পৰিবলৈ ধৰিলে। নিতৌ চৈধ্য পুৰুষ উজাৰা গালি-বৰ্ষণটো আছেই। ললিতীৰ দুৰ্দশাৰ কথা শুনি দেউতাক সুন্দৰ কাকতীয়ে খবৰ কৰিবলৈ গৈ জীয়েকক ওভতাই আনিবলৈয়ো বাধ্য হয়। ললিতী পিতৃগৃহলৈ ঘূৰি অহাত গাঁৱৰ বাইজে তাইকে দোষ সাব্যস্ত কৰিছে যদিও পিছত হাকিম চাহাবে যেতিয়া দ্বিতীয় বিবাহ কৰি সেই পত্নীকো ললিতীৰ অৱস্থাই কৰে, তেতিয়াহে গাঁৱবাসীৰ চকু মেল খায়। হাকিমে পুনৰ তৃতীয়বাৰৰ বাবেও বিবাহ পাশত আবদ্ধ হয়। তেতিয়া ললিতীয়ে স্বামীলৈ বুলি এখন সুদীৰ্ঘ পত্ৰ প্ৰেৰণ কৰে। সেই চিঠিখনত ললিতীয়ে পুৰুষ-শাসিত সমাজত নাৰীয়ে লাভ কৰা অৱমাননা তীব্ৰ বিদ্ৰূপেৰে আঙুলিয়াই দিছে।

আলোচ্য আটাইকেইটা গল্পৰে নাৰী চৰিত্ৰ কেইটাই স্পষ্টভাৱে প্ৰমাণ কৰে যে সেই সময়ৰ পুৰুষ-শাসিত সমাজৰ পৰা নাৰী শোষণৰ বলি হ'ব লগা হৈছে। পুৰুষ স্বামীৰ পৰা মাৰপিট দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীৰ দৰে নাৰীয়ে গ্ৰহণ কৰিবলগীয়া হৈছে। অন্যহাতে পাচমুগীৰ দৰে আন কিছুমানে আকৌ পুৰুষৰ ঠগ-প্ৰবঞ্চনাৰো সন্মুখীন নোহোৱাকৈ থকা নাই। অকল পুৰুষৰ পৰাই নহয়, ঘৰখনৰ শাহু-ননদ আদিৰ পৰাও নাৰীয়ে লাভ কৰা অত্যাচাৰ সেউতীৰ দৰে নাৰী চৰিত্ৰই উদঙাই দিছে। গতিকে এই কথা নিঃসন্দেহে ক'ব পাৰি যে বেজবৰুৱাৰ সমকালৰ সমাজখনত পুৰুষৰ মনত নাৰীৰ সামাজিক স্থিতি বৰ এটা উচ্চ নাছিল। সেউতীৰ স্বামীৰ দৰে হয়তো দুই-এজনৰ মনত দুৰ্ভগীয়া নাৰীৰ প্ৰতি সহানুভূতি জাগিছিল যদিও সমাজত প্ৰতিবাদ সাব্যস্ত কৰি তেনে নাৰীক স্নেহপাশলৈ নিজৰ কৰি ল'বলৈ তেওঁলোকৰো সাহসৰ অভাৱ আছিল। সেয়ে সেই সময়ৰ সমাজ ব্যৱস্থাত নাৰী সদায়েই শোষণৰ বলি হ'বলগীয়া হৈছিল।

বেজবৰুৱাৰ সমসাময়িক সমাজখনত এচাম পুৰুষে টকা-পইচাৰ লোভত নিজৰ



স্ত্ৰী স্বৰূপ ভতিজাকেো টোপ হিচাপে আগবঢ়াবলৈ কুণ্ঠাবোধ কৰা নাছিল। 'কপিলৰাম' এনে এটা গল্প। গল্পটিত দদায়েক ভূষণে তেওঁৰ আশ্ৰয়ত থকা ভতিজী তিলকক মদ মোহত এজন বৃটিছ চাহাবলৈ আগবঢ়াই দিছে। কিন্তু ভূষণৰ লগুৱা কপিলৰামৰ কাৰণে তিলকাই নিজকে ৰক্ষা কৰিব পাৰিছে। লগুৱা কপিলৰামৰ মহত্ত্ব প্ৰকাশ কৰাই গল্পকাৰৰ উদ্দেশ্য যদিও সমান্তৰালভাৱে গল্পটিত তিলকৰ কৰুণ কাহিনী প্ৰকাশ পোৱাৰ উপৰিও সেই কালৰ সমাজত এনে নাৰীৰ নিৰাপত্তাহীনতাও প্ৰমাণ কৰে।

বেজবৰুৱাৰ সমকালীন সমাজখনত শিক্ষাৰ পোহৰ পুৰুষ শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল যদিও দুই-এক নাৰীয়ে অৱশ্যে শিক্ষাৰ পোহৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। 'ললিতী কাকতী' গল্পত ললিতীয়ে শিক্ষাৰ পোহৰ লাভ কৰাৰ কথা উল্লেখ আছে এনেদৰে-

"..................ললিতী নগৰত থাকি বালিকা স্কুলত লিখা-পঢ়া
ছোৱালী..............।"

সেইদৰে 'মাধৈ মালতী' গল্পৰ মাধৈ মালতীও শিক্ষিতা। গল্পটিত পিতৃ মাধৱ চৰকীয়ে তেওঁৰ জীয়েকক উচ্চ বংশৰ ল'ৰালৈ বিয়া দিব বিচাৰিছিল যদিও মাধৈ মালতীয়ে নিজৰ মনৰ পচন্দৰ ডেকা এটাৰ লগত পলাই গৈছে আৰু যাওঁতে দেউতাকলৈ বুলি এখন চিঠি লিখি থৈ গৈছে। মালতীয়ে চিঠি লিখা কাৰ্যটোৰ পৰা তাই শিক্ষিতা আছিল বুলি বুজিব পাৰি। ইয়ে প্ৰতীয়মান কৰে যে দুই এক নাৰীয়ে হয়তো সেইকালত শিক্ষা লাভৰ মুখ দেখিবলৈ সক্ষম হৈছিল। অন্যহাতে ভদৰী, সেউতী, আমাৰ সংসাৰ গল্পৰ নায়িকা আদি বেছিভাগ নাৰী চৰিত্ৰই অশিক্ষিত আছিল বুলি গল্পকেইটিয়ে প্ৰমাণ কৰে।

বেজবৰুৱাৰ গল্পসমূহৰ নাৰী চৰিত্ৰসমূহ বিশ্লেষণ কৰিলে সেইকালৰ নাৰী কঠোৰভাৱে সামাজিক অনুশাসনতো বন্দী হৈ আছিল বুলিব পাৰি। ফাতেমা বিবি বা নিস্তাৰিণী দেৱীয়ে (একে নামৰ গল্পত) মুছলমানৰ ঘৰত আহাৰ গ্ৰহণ কৰাৰ বাবে তেওঁৰ পৰিয়ালে, বিশেষকৈ সমাজৰ বৰমূৰীয়া দেউতাকে সমাজৰ আগত লঘু হোৱাৰ ভয়ত তাইক ত্যাগ কৰিছে। বেজবৰুৱাৰ সমসাময়িক সমাজখনত জাত পাতৰ বিচাৰে গ্ৰাস কৰাৰ কথাই গল্পটিত গল্পকাৰে ক'বলৈ বিচাৰিছে যদিও জাত-পাতৰ বিচাৰৰ দ্বাৰা নাৰী সমাজখনো আক্ৰান্ত হৈছিল। অৰ্থাৎ নাৰীও সামাজিক অনুশাসনত বন্দী হৈ থাকিবলগীয়া হৈছিল। 'কাশীবাসী' গল্পতো বৃন্দাৱতীৰ একেই অৱস্থাই হৈছে। মানৰ কবলত থকা কালত মানৰ ঘৰত আহাৰ গ্ৰহণ কৰাৰ বাবেই তেওঁকো ঘৰৰ পুৰুষসকলে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। গতিকে বেজবৰুৱাৰ গল্পৰ এনেবোৰ নাৰী চৰিত্ৰই পুৰুষৰ দ্বাৰা অনুমোদিত সামাজিক অনুশাসনত বান্ধ খায়েই বহু নাৰী নিজ সমাজ তথা আত্মীয় স্বজনৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল। অৱশ্যে দুই-এক নাৰীয়ে সামাজিক অনুশাসনৰ পৰা মুক্তি বিচৰাৰ চেষ্টাও তেওঁৰ গল্পত দেখা যায়। উদাহৰণস্বৰূপে, ললিতীয়ে স্বামী গৃহ ত্যাগ কৰি সমাজৰ লাঞ্ছনাৰ সন্মুখীন হৈছিল যদিও 'পতি পৰম গুৰু' আপ্ত বাক্যৰ শিৰোধাৰ্য

কৰি স্বামীৰ ওচৰলৈ ওভতি নৌগে স্বামীৰ কাৰ্যৰ প্ৰতিবাদ কৰি এক সুদীৰ্ঘ পত্ৰ লিখিছে। সেই পত্ৰখন ছপা কৰিবলৈ 'বাঁহী'ৰ সম্পাদক ডাঙৰীয়ালৈও প্ৰেৰণ কৰিছে। পুৰুষ সমাজে বান্ধি দিয়া সমাজৰ প্ৰচলিত ৰীতি-নীতি পৰিত্যাগ কৰি তাই পৃথিৱীৰ দুখিতসকলৰ সেৱা আগবঢ়াবলৈ মনস্থ কৰিছে। সেইদৰে পাতমুগীয়েও আত্মমুক্তি বিচাৰি মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা দেশ-সেৱাৰ কামত যোগদান কৰাৰ সিদ্ধান্ত লৈছে। এনেদৰে সেইকালৰ দুই-এক নাৰীয়ে সামাজিক অনুশাসন ভংগ কৰিবলৈও নিশ্চয় চেষ্টা কৰিছিল।

অন্য এফালৰ পৰাও অসমীয়া নাৰীসকল ঠগ্-প্ৰৱঞ্চনাৰ সন্মুখীন হৈছিল। পুৰীৰ জগন্নাথ মন্দিৰৰ পাণ্ডাসকলে তীৰ্থযাত্ৰী সংগ্ৰহ কৰিবলৈ অসমলৈ আহি স্থানীয় জীৱনধাৰাৰ সৈতে পৰিচিত হৈ তেওঁলোকে অসমৰ আচাৰ-ৰীতি সম্পূৰ্ণ গ্ৰহণ কৰি অসমীয়া হৈ অসমীয়া যুৱতীৰ পাণি গ্ৰহণ কৰাৰ কথা 'আমালৈ নাপাহৰিব' গল্পটিত উল্লেখ কৰা হৈছে। কিছুদিনৰ পাছত এনে পাণ্ডাসকলে নিজ গৃহলৈ বুলি নিয়া এই পত্নীৰূপী যুৱতীসমূহক বনুৱা-ডিপোত বিক্ৰী কৰে। এনেদৰে সেই কালৰ কিছু অসমীয়া নাৰী প্ৰৱঞ্চিত হৈছিল।

বাল্য বিবাহ আৰু বিধবা-বিবাহৰ সমস্যাত আক্ৰান্ত অসমীয়া নাৰীৰ কথাও বেজবৰুৱাৰ দুটিমান গল্পত উপলব্ধ হয়। বাল্য-বিবাহৰ কু-পৰিণতিৰ ফলস্বৰূপেই তিলকাই অকাল বৈধব্য জীৱন কটাবলগীয়া হৈছে। যৌৱন লাভ কৰি তাইৰ চৌপাশৰ জগতখনে সাৰপাই উঠিছে যদিও সেয়া তাইৰ বাবে অৰ্থহীন বুলি উপলব্ধিও কৰিছে। 'সেউতী' গল্পটোত মাক আৰু সেউতীৰ কথোপকথনতে সেউতীক নিচেই কম বয়সতে বিয়া দিয়াৰ কথা প্ৰতীয়মান হয়-

সেউতী ঃ আইসঁচা নে? কি বিয়া? আমাৰ দৰা-কন্যাৰ বিয়াৰ নিচিনা বিয়া নে আই?

মাক ঃ এৰা, তেনেকুৱাই, তই কন্যা হ'ব লাগিব, আৰু এটা ল'ৰা আনি দৰা পাতি বিয়া দিম।

সেউতী ঃ ঢোল বজাব নে আই?

মাক ঃ ঢোল, খোল, মৃদং, কালী, পেঁপা এটাইবোৰ বজাব, পাত্ৰী তুলিম

সেউতী ঃ আই ময়ো নাম গাম, নোৱাম দেই।

'আমাৰ সংসাৰ'তো কন্যা কিশোৰী। এইদৰে সমাজত বাল্য-বিবাহ প্ৰচলন থকাৰ বাবেই কিছু নাৰীৰ জীৱনলৈ অকাল বৈধব্য নামি আহিছিল। আনহাতে বিধবা- বিবাহৰ প্ৰচলনৰ কোনো ব্যৱস্থা নাছিল বাবেই তিলকাৰ মনৰ আশা-আকাংক্ষা মৰহি যোৱাৰ লগতে তাইৰ জীৱনলৈ বিপদো নামি আহিছে। তিলকা এটা উদাহৰণহে, এনে নাৰী সমাজত যে অন্য নাছিল সেয়াও ডাঠি ক'ব নোৱাৰি।

সামগ্ৰিক বিচাৰত দেখা যায় যে, বেজবৰুৱাৰ সমসাময়িক সমাজ জীৱনত নাৰীৰ সামাজিক স্থিতি উচ্চ নাছিল। আলোচ্য গল্পৰ নাৰী চৰিত্ৰসমূহে ই প্ৰমাণ কৰিবলৈ সক্ষম হৈছে। পুৰুষ শাসিত সমাজত পুৰুষৰ হাতৰ চাবি দিয়া পুতলাত সেইকালৰ নাৰী শ্ৰেণী



পৰিণত হৈছিল। অৱশ্যে দুই-এক নাৰীয়ে পুৰুষৰ কঠোৰ শাসনৰ প্ৰতিবাদ কৰিব বিচাৰিছিল যদিও সেয়া সামূহিক প্ৰতিবাদ নাছিল। 'পতিয়েই জীৱনৰ সৰ্বস্ব'- এই আদৰ্শত বিশ্বাসী নাৰীসকলো সমাজৰ পৰম্পৰাগত শিক্ষা, আচাৰ-ৰীতিৰ বাবেই এনে আদৰ্শক জীৱনৰ লগৰী কৰি লৈছিল। শিক্ষাৰ অভাৱৰ বাবেই নাৰীসমাজে পুৰুষৰ অত্যাচাৰো বিনা প্ৰতিবাদে মানি লৈছিল। দুই-একে শিক্ষাৰ পোহৰ লাভ কৰিছিল যদিও সেয়াই যথেষ্ট নাছিল। সমাজৰ প্ৰায় ভাগ নাৰী অশিক্ষিতা হৈয়েই ৰৈছিল। সামাজিক নিৰাপত্তাৰ ক্ষেত্ৰতো সেইকালৰ নাৰীৰ অৱস্থা আশানুৰূপ নাছিল বুলি তিলকাৰ দৰে নাৰী চৰিত্ৰই প্ৰমাণ কৰি দেখুৱাইছে। মুঠতে ক'বলৈ গ'লে বেজবৰুৱাৰ সমকালীন সমাজত নাৰীৰ সামাজিক স্থিতি একেবাৰে নিম্ন আছিল।

সহায়ক গ্ৰন্থপঞ্জী ঃ

ক) মূল সমল ঃ

১। হাজৰিকা, অতুলচন্দ্ৰ (সম্পা.) ঃ *বেজবৰুৱাৰ গ্ৰন্থাৱলী* (১ম খণ্ড), সাহিত্যপ্ৰকাশ, গুৱাহাটী- ৭৮১০০৩, দ্বিতীয় প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮৮ চন।

২। হাজৰিকা, অতুলচন্দ্ৰ (সম্পা.) ঃ *বেজবৰুৱা গ্ৰন্থাৱলী* (২য় খণ্ড) সাহিত্যপ্ৰকাশ, গুৱাহাটী- ৭৮১০০৩, দ্বিতীয় প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮৮ চন।

৩। শইকীয়া, নগেন (সম্পা.) ঃ *বেজবৰুৱা ৰচনাৱলী*, (৩য় খণ্ড), বনলতা, যশোৱন্ত ৰোড, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০১০ খ্ৰীষ্টাব্দ।

খ) প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ

১। কটকী, প্ৰফুল্ল ঃ *সাহিত্যৰথী*, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০০৬ চন।

২। ভূঞা, প্ৰফুল্লচন্দ্ৰ ঃ *লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমৰ ঐতিহ্য* / অনন্ত হাজৰিকা, বনলতাএপ্ৰিল, ১৯৯১ চন।

৩। শাস্ত্ৰী, বিশ্বনাৰায়ণ ঃ *লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য প্ৰতিভা*, শৰাইঘাট প্ৰকাশন, বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১, দ্বিতীয় প্ৰকাশ, অক্টোবৰ, ১৯৬৮ চন

৪। গোস্বামী, যতীন্দ্ৰনাথ ঃ *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, প্ৰথম প্ৰকাশ, অক্টোবৰ, ১৯৬৮ চন।

৫। ডেকা হাজৰিকা, কৰবী ঃ *অসমীয়া সাহিত্যৰ ৰূপ-ৰস*, বনলতা, মাখন হাজৰিকা, নতুন বজাৰ, ডিব্ৰুগড় - ৭৮৫০০১।

৬) বৰপূজাৰী, মহেন্দ্ৰ ঃ *বেজবৰুৱা, গোহাঞিবৰুৱা আৰু সমকালীন অসমৰ সমাজ জীৱন*, চিত্ৰলেখা প্ৰকাশন, নাহৰকটীয়া, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৭ চন।

# Endangered Ethnic Language & Culture in North-East India



Editors
DR ABUL FOYES MD MALIK
DR. SMITA RANI SAIKIA

# Endangered Ethnic Language & Culture in North-East India


| | | |
|---|---|---|
| PUBLISHED BY | : | DR ABUL FOYES MD MALIK, DEPT. OF BENGALI, DIGBOI MAHILA MAHAVIDYALAYA DIGBOI- 786171 |
| FIRST PUBLISHED | : | FEBRUARY, 2020 |
| EDITED BY | : | DR ABUL FOYES MD MALIK DEPT. OF BENGALI DR. SMITA RANI SAIKIA DEPT OF HOME SCIENCE |
| COVER DESIGN | : | EDITOR |
| PRICE | : | 800/- (RUPEES EIGHT HUNDRED ONLY) |
| PRINTED BY | : | SHAYM OFFSET BORBAZAR, TINSUKIA (ASSAM0 Mobile - 9435136494 |
| ISBN | : | 978-93-84146-35-1 |



No part of this book may be reproduced or transmitted in any from or by any me electronic or mechanical, recording or by any information, storage and retrieval tem without prior permission in writing from the publisher.

The views and reserch findings provided in publication are those of the author/s and the editors are in no way responsible for its content.

- Muga Silk: Marketing & Divergence of Rural Youth from Muga Silk Rearering Activities/ Bharat Bonia/94
- Minority Language Origin and its Problem in Maintenance (Puriang) /Arpanjyoti Gogoi and Sheela Sharma /98
- Assam Sadri as a Lingua Franca/Diksha Verma/104
- Case Mark System in Deori Language/Hanna Basumatary/109
- WORKS Locating Naga- Consciousness in Easterine Kire Iralu's/Cameelia Irin/115
- Welfare of the Plain Tribes of Assam/Hasmin Ahmed/118
- Linguistic Human Rights in India/Manjuma Sonowal/122
- Challenges of Bodo Medium Schools/Dr. Phukan Basumatary/128
- Language Complexity and Multilingual Education- A Policy Perspective/Shailendra Pratap Singh/133
- Jonbeel Mela-The Pride of Tiwas in Danger/Ashish Haloi/139
- আহোমসকলৰ জীৱন বৃত্তৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ পৰম্পৰা আৰু পৰিবৰ্তন/অভিলাষী গগৈ/১৪২
- ভাষাৰ নথিভুক্তকৰণ আৰু চিংফৌ ভাষাৰ নথিভুক্তকৰণৰ প্ৰয়োজনীয়তা/এন. তামনা সিংহ/ ১৪৯
- বড়োসকলৰ ধৰ্ম ঃ পৰম্পৰা আৰু পৰিবৰ্তন /বনিশা শইকীয়া /১৫৫
- টাই ফাকে ভাষাৰ ভাষিক স্থিতি ঃ এক অধ্যয়ন / চেংদাও বৰগোহাঁই/১৬৩
- মিচিং সংস্কৃতি আৰু পৰিৱেশ ঃ এক অধ্যয়ন / দীপশিখা দাস /১৬৯
- উত্তৰ পূব ভাৰতৰ বিপদাপন্ন জাতীয় সংস্কৃতি আৰু ভাষা বিপদাপন্ন কামৰূপী উপভাষা / দীপ্তি দাস /১৭৫
- অসমত টাইমূলীয় আহোম ভাষাৰ ভাষিক স্থিতি আৰু ভাষিক আঁচনিৰ প্ৰয়োজনীয়তা ঃ এক অধ্যয়ন / জ্ঞানশ্ৰী দত্ত/১৭৯
- বিলুপ্তিৰ পথত সোণোৱাল কছাৰীসকলৰ 'লখিমী সবাহ' / ড° জ্যোতিৰেখা গগৈ /১৮৩
- তাই খাময়াং জনগোষ্ঠীৰ খাদ্যাভ্যাস / কুকিলা শ্যাম /১৮৯
- দেউৰী আৰু অসমীয়া ভাষাৰ শব্দৰ তুলনামূলক আলোচনা / লক্ষীপ্ৰসাদ দিহিঙ্গীয়া/ ১৯৫
- অসমৰ বড়ো জনগোষ্ঠীৰ লোকাচাৰ / লখিমী কলিতা /২০১
- মিচিং জনগোষ্ঠীৰ খাদ্যাভাস ঃ পৰম্পৰা আৰু পৰিবৰ্তন / লক্ষ্যজিৎ হাজৰিকা /২০৫
- বিৱৰ্তনৰ পটভূমিত অসমৰ অনন্য বস্ত্ৰ ঃ গামোচা / ড০ মীন্তি গগৈ, অনুমণি গগৈ /২১২
- টাই আহোম সকলৰ ওম্‌ফা পূজা আৰু ইয়াৰ গুৰুত্ব / মন্দিৰা গগৈ /২১৭
- তাই আহোমসকলৰ লোকখাদ্য ঃ সংৰক্ষণ আৰু প্ৰসাৰণত শিক্ষাৰ গুৰুত্ব / টুলুমণি চেতিয়া /২২৩
- দেউৰী ভাষাৰ ভাষিক স্থিতিঃ এক অধ্যয়ন / মৌচুমী চেতিয়া /২২৮
- নেপালীসকলৰ কৃষি ভিত্তিক উৎসৱ ঃ এক চমু আলোচনা / নিলীমা শেনছোৱা /২৩৪
- বিষয় ঃ অসমীয়া ভাষাৰ সংকট ঃ অস্তিত্বৰ আশংকা / প্ৰীতিৰেখা দত্ত /২৩৮
- বানছু জনগোষ্ঠীৰ সাংস্কৃতিক সমল ঃ এটি পৰিচয়মূলক অধ্যয়ন / ৰাখী দেওধাই ফুকন /২৪৩
- সোণোৱাল কছাৰীৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হুঁচৰি' / ৰুণুমী সোণোৱাল /২৫০
- হাজংসকলৰ সংস্কৃতি, সামাজিক পৰিবৰ্তন আৰু বিকাশ / স্মিতা ৰাভা/২৫৮
- অসমীয়া লোকগীতত প্ৰকৃতি চিত্ৰণ (বিহুগীতৰ বিশেষ উল্লিখনসহ) / সুস্মিতা বৰুৱা /২৬১
- গোৱালপৰীয়া কৰ্মবিষয়ক লোকগীত ঃ এক অধ্যয়ন / উৎপল মেচ /২৬৫

# সোণোৱাল কছাৰীৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হুঁচৰি'

কমুমী সোণোৱাল
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, নাহৰকটীয়া মহাবিদ্যালয়

*০.০ প্ৰস্তাৱনা :*

*০.১ বিষয়ৰ পৰিচয় :*

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বসতি কৰি থকা অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ ভিতৰত সোণোৱাল কছাৰীসকল অন্যতম। বৃহত্তৰ বড়ো গোষ্ঠীৰ অন্তৰ্ভুক্ত সোণোৱাল কছাৰীসকল নৃতাত্ত্বিক বিচাৰত মংগোলীয় প্ৰজাতিৰ। এটা সময়ত জনগোষ্ঠীটোৱে তিব্বত-বৰ্মী ঠালৰ ভাষা ব্যৱহাৰ কৰিছিল যদিও সেয়া এতিয়া কালৰ বুকুত লুপ্ত। বৰ্তমান তেওঁলোকে অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে ব্যৱহাৰ কৰি অসমীয়া জনজীৱনৰ লগত সম্পূৰ্ণভাৱে মিলি পৰিছে। অৱশ্যে সোণোৱাল কছাৰী বসতিপ্ৰধান কোনো কোনো অঞ্চলত তেওঁলোকে ভাব-বিনিময় কৰোঁতে ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ কথিত ৰূপ আৰু লোক-সাহিত্যসমূহত লুপ্ত হৈ যোৱা ভাষাটোৰ এটি ঠাচ লক্ষ্য কৰা যায়। সোণোৱালসকলৰ উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ধেমাজী আৰু লক্ষীমপুৰ জিলাই প্ৰধান বসতিস্থল যদিও সমগ্ৰ অসমতেই কম-বেছি পৰিমাণে সিঁচৰতি হৈ আছে। অসমৰ চুবুৰীয়া অৰুণাচল আৰু নাগালেণ্ডতো সোণোৱালসকলে গাঁওপাতি বসবাস কৰি আছে।

অসমৰ সমাজ, ভাষা, সাহিত্য, ধৰ্ম-সকলোতে উল্লেখযোগ্য অৱদান আগবঢ়োৱা সোণোৱাল কছাৰীসকল এটা সংস্কৃতি সম্পন্ন জনগোষ্ঠী। লোক গীত-মাতৰ পৰা আৰম্ভ কৰি পৰম্পৰাগত ধৰ্মীয় বিশ্বাস, সামাজিক ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, লোক শিল্প আদি বিভিন্ন সমলেৰে জনগোষ্ঠীটোৰ স্বকীয় বৈশিষ্ট্যসম্পন্ন সাংস্কৃতিক পৰম্পৰা আছে। সোণোৱাল কছাৰীসকলৰ হাইদাং গীত-নৃত্য, হুঁচৰি, বহুৱা নাচ, হুৱা নৃত্য, সাধুকথাসমূহ, আইনাম, বিয়ানাম, লখিমী সবাহৰ নাম, ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, জনাদৈ গাভৰুৰ গীত, প্ৰবাদ, প্ৰবচন, ফকৰা আদিবোৰ লোক-কলাৰ অমূল্য সম্পদ। ইতিমধ্যে জনগোষ্ঠীটোৱে অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে গ্ৰহণ কৰাত লোক কলাৰ এই সমলবিলাকে অসমীয়া লোক-সাহিত্যকো সমৃদ্ধ কৰিছে। কিন্তু কালৰ গৰাহত সোণোৱাল কছাৰী জনগোষ্ঠীটোৰ অস্তিত্ব আজি বিপদাপন্ন। যোগ-বিয়োগৰ চিৰাচৰিত ৰীতি মানি তেওঁলোকৰ বহু সাংস্কৃতিক সমল আজি হেৰাই যোৱাৰ উপক্ৰম হৈছে। তেনে এটি সাংস্কৃতিক সম্পদ হৈছে জনগোষ্ঠীটোৰ পৰম্পৰাগত 'হুঁচৰি'। এই হুচৰি 'হাইদাং হুঁচৰি' নামেৰেও পৰিচিত। এটা সময়ত ব'হাগ বিহুৰ সময়ত সোণোৱাল কছাৰী প্ৰত্যেকখন গাঁৱতে পৰিবেশিত হোৱা জনগোষ্ঠীটোৰ পৰম্পৰাগত হুঁচৰি সাম্প্ৰতিক সময়ত কেইখনমান গাঁৱক বাদ দি বহু গাঁৱত গোৱা নহয়। যিবিলাক গাঁৱত এই হুঁচৰিৰ প্ৰচলন আছে তাতো প্ৰত্যেক বছৰে পৰিবেশন নকৰে। সেইবাবে জনগোষ্ঠীটোৰ পৰম্পৰাগত হুঁচৰি সাম্প্ৰতিক সময়ত বিপদাপন্ন অৱস্থাত আছে বুলি ক'লেও ভুল কোৱা নহয়। সেয়েহে ***সোণোৱাল কছাৰী জনগোষ্ঠীৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হুঁচৰি'***- শীৰ্ষক গৱেষণাপত্ৰৰ জৰিয়তে জনগোষ্ঠীটোৰ হুঁচৰি সম্পৰ্কে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

***০.২ অধ্যয়নৰ গুৰুত্ব :***

সম্প্ৰতি লোক-সংস্কৃতিৰ অধ্যয়ন গৱেষণাই এটা স্বতন্ত্ৰ বিদ্যায়তনিক অনুশাসন হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। গতিকে এনে দৃষ্টিভংগীৰ ফালৰপৰা ***সোণোৱাল কছাৰীৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হুঁচৰি'***- শীৰ্ষক বিষয়টো

প্ৰণালীবদ্ধভাৱে অধ্যয়নৰ বিশেষ গুৰুত্ব আছে। সাম্প্ৰতিক সময়ত শিক্ষাৰ প্ৰসাৰ তথা বিশ্বায়নৰ প্ৰভাৱৰ ফলস্বৰূপে পৃথিবীৰ অন্যান্য জনগোষ্ঠীৰ লগতে সোণোৱালসকলৰ সমাজ-সংস্কৃতিলৈও প্ৰবল পৰিবৰ্তন কঢ়িয়াই আনিছে। এই পৰিবৰ্তনে জনগোষ্ঠীটোৰ 'হঁচৰি' কো স্পৰ্শ কৰিছে। সেয়েহে এনে দৃষ্টিভংগীৰ ফালৰপৰাও বিষয়টি অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে। আনহাতে পৃথিবীৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক সমলবোৰৰ স্বকীয় বৈশিষ্ট্য আছে। সোণোৱালসকলৰ সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁলোকৰ সংস্কৃতিৰ অন্যতম সম্পদ 'হঁচৰি'ৰ মাজেদিও জনগোষ্ঠীটোৰ স্বকীয় বৈশিষ্ট্য ফুটি উঠিছে। সেইবাবে হঁচৰিৰ মাজেৰে প্ৰতিফলিত হোৱা জনগোষ্ঠীটোৰ নিজস্ব পৰম্পৰা, ৰীতি-নীতি, বিশ্বাস ইত্যাদি বিলাকৰ পদ্ধতিগত অধ্যয়নৰ বাবেও বিষয়টিৰ গুৰুত্ব উপলব্ধি কৰা হৈছে। তদুপৰি বিষয়টিৰ গৱেষণামূলক আলোচনাই হঁচৰিৰ সংৰক্ষণ তথা প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

### ০.৩ *অধ্যয়নৰ উদ্দেশ্য :*

*সোণোৱাল কছাৰীসকলৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হঁচৰি'*-শীৰ্ষক গৱেষণাপত্ৰখনিৰ মুখ্য উদ্দেশ্য জনগোষ্ঠীটোৰ হঁচৰি সম্পৰ্কে অধ্যয়ন কৰা। তদুপৰি সাম্প্ৰতিক পৰিবেশ পৰিস্থিতিত হঁচৰিলৈ কেনেধৰণৰ পৰিবৰ্তন আহিছে সেই বিষয়ে অধ্যয়ন কৰাও গৱেষণাপত্ৰখনিৰ অন্য এটি উদ্দেশ্য।

### ০.৪ *অধ্যয়নৰ পদ্ধতি :*

গৱেষণাপত্ৰখনি মূলতঃ বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে। আনহাতে হঁচৰিৰ তাৎপৰ্য্য, হঁচৰি গীতৰ বিশ্লেষণ আদি বিশ্লেষণাত্মক পদ্ধতিৰে বিচাৰ কৰিবলৈ যত্ন কৰা হৈছে।

### ০.৫ *তথ্য আহৰণ :*

উক্ত গৱেষণাপত্ৰখনিৰ বাবে প্ৰধানকৈ দুটা উৎসৰপৰা সমল আহৰণ কৰা হৈছে-

ক) মুখ্য উৎস

খ) গৌণ উৎস

প্ৰধানকৈ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে মুখ্য সমলসমূহ আহৰণ কৰা হৈছে। এই ক্ষেত্ৰত সোণোৱাল কছাৰী হঁচৰি সম্পৰ্কে অভিজ্ঞ কেইজনমান ব্যক্তিক লগ ধৰি সাক্ষাৎ গ্ৰহণ কৰা হৈছে। আনহাতে বিষয়টিৰ সৈতে সম্পৰ্কিত পূৰ্বসূৰী অধ্যয়নকাৰীসকলে আলোচনা কৰি যোৱা গ্ৰন্থ, আলোচনী, গৱেষণাধৰ্মী প্ৰবন্ধ, ইণ্টাৰনেট আদিৰপৰাও গৌণ তথ্য সংগ্ৰহ কৰা হৈছে।

### ০.৬ *অধ্যয়নৰ পৰিসৰ :*

লোক-সাহিত্যৰ বিবিধ সমলেৰে সোণোৱাল কছাৰীৰ লোক-সাহিত্যৰ পৰিসৰ বহল যদিও আমাৰ গৱেষণাপত্ৰৰ বাবে কেৱল তেওঁলোকৰ হঁচৰিকহে নিৰ্বাচন কৰি লোৱা হৈছে।

## ১.০ *মূল আলোচনা :*

### ১.১ *লোক-সাহিত্য :*

বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী লোকৰ মাজত যুগ যুগ ধৰি মৌখিক পৰম্পৰাত প্ৰচলিত সাহিত্যৰাজিকে লোক-সাহিত্য আখ্যা দিয়া হয়। লোক-সাহিত্যৰ মাজেদি এটা জাতিৰ আশা-আকাংক্ষা, চিন্তা-চেতনা, হাঁহি-কান্দোন, লোক-বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা, আচাৰ, চিন্তাধাৰা ইত্যাদিৰ প্ৰতিফলন ঘটে। লোক-জীৱনৰ আবেগ-অনুভূতিয়েই লোক-সাহিত্যৰ ঘাই সমল। কোনো এটা জাতিৰ লোক সমাজখনৰ স্বকীয় পৰিচয় লোক-সাহিত্যৰ মাজতেই বিচাৰি পোৱা যায়। আনহাতে বাৰেবৰণীয়া লোক-সাহিত্যই জাতিটোৰ সামাজিক তথা সাংস্কৃতিক জীৱন সমৃদ্ধ কৰে। সেই বাবেই কোৱা হয়- লোক-সাহিত্য লোক সমাজৰ দাপোনস্বৰূপ। লোক-সাহিত্যৰ সংজ্ঞা বিভিন্নজন পণ্ডিতে বিভিন্নধৰণে দাঙি ধৰিছে। তাৰ ভিতৰত-

প্ৰফুল্লদত্ত গোস্বামীয়ে লোক-সাহিত্যক 'জন-সাহিত্য' আখ্যা দি ইয়াৰ সংজ্ঞা দিছে এনেদৰে-

"সাধাৰণতে সাহিত্য বুলিলে ছপা কিতাপত পঢ়িবলৈ পোৱা গল্প, কবিতা, নাটক আদিকে বুজোঁ, কিন্তু এইবিলাকত বাদেও গাঁৱলীয়া নাইবা চহৰীয়া মানুহৰ মাজত আৰু এক প্ৰকাৰ সাহিত্য এতিয়াও জীয়াই আছে। এইবিলাক হৈছে মুখে মুখে ৰচনা কৰা আৰু মুখ বাগৰি জীয়াই থকা পুৰণি নাম, পদ, মালিতা, ফকৰা, বচন, সাঁথৰ, সাধুকথা। এই পৰম্পৰাগত ৰচনাবিলাকেই জন-সাহিত্য। ই জনকৃষ্টিৰ উল্লেখযোগ্য অংশ।" *(প্ৰফুল্ল দত্ত গোস্বামী অসমীয়া জন-সাহিত্য, পৃ.৮)*

নবীন চন্দ্ৰ শৰ্মাৰ মতে, "লোক-সাহিত্য হ'ল লোক জীৱনৰ সঞ্চিত জ্ঞান আৰু অভিজ্ঞতাৰ বহিঃ প্ৰকাশ।" *(নবীনচন্দ্ৰ শৰ্মা, অসমৰ লোক-সাহিত্য, পৃ.১২৩)*

হেমন্ত কুমাৰ শৰ্মাৰ মতে, "সাহিত্য বুলিলে পোনেই কবিতা, নাটক, গল্প, উপন্যাস আদি লিখিত গ্ৰন্থৰ কথা মনলৈ আহে যদিও এনে গ্ৰন্থ সৃষ্টি হোৱাৰ বহু পূৰ্বে অৰ্থাৎ লিপিৰ উদ্ভৱ হোৱাৰ বহুকাল আগৰেপৰা জন-সাধাৰণ মাজত আৰু এক প্ৰকাৰ সাহিত্য চলিছিল, সি হ'ল লোক-সাহিত্য।" *(হেমন্ত কুমাৰ শৰ্মা, অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ.৫)*

এই সংজ্ঞাবিলাকৰ আধাৰত ক'ব পাৰি যে কোনো এটা জাতি-জনগোষ্ঠীৰ লোক-জীৱনৰ বিবিধ অভিজ্ঞতাৰ আধাৰত মুখে মুখে প্ৰচলন হৈ অহা সাহিত্যৰাজিয়েই 'লোক-সাহিত্য'।

### *১.২ সোণোৱাল কছাৰীৰ লোক-সাহিত্য :*

স্বকীয় বৈশিষ্ট্যসম্পন্ন লোক-সাহিত্যৰ সমলেৰে সোণোৱাল কছাৰী সংস্কৃতি পৰিপুষ্ট হৈ আছে। ঐতিহাসিক চেতনা আৰু লোক-জীৱনৰ বিবিধ অভিজ্ঞতাই সোণোৱাল কছাৰীসকলৰ লোক-সাহিত্যৰ পটভূমি। সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত লোক-সাহিত্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিছে- (ক) লোক-গীত, (খ) সাধুকথা আৰু (গ) প্ৰবাদ-প্ৰবচন (সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্য সমীক্ষাত্মক ইতিবৃত্ত, পৃ.১৮) সোণোৱাল কছাৰী লোক সাহিত্যও এই তিনিওটা শাখাতে সমৃদ্ধ। হাইদাং গীত, বহুৱা নাচৰ গীত, হুঁচ্ৰা-নৃত্যৰ গীত, আইনাম, বিয়ানাম, মালিতা, লখিমী সবাহৰ নাম, সাধুকথা, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, মন্ত্ৰ আদিৰে সোণোৱাল কছাৰী লোক-সাহিত্য জীপাল।

### *১.৩ হুঁচৰি :*

সোণোৱাল কছাৰী লোক গীতক সমৃদ্ধ কৰা এটি উল্লেখযোগ্য সম্পদ হ'ল- 'হুঁচৰি গীত' সমূহ। এই হুঁচৰি 'হাইদাং হুঁচৰি' নামেৰেও পৰিচিত। সোণোৱাল কছাৰী সমাজ-সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰা বহু পণ্ডিত-সমালোচকে অৱশ্যে 'হাইদাং হুঁচৰি গীত'ক কেৱল হুঁচৰি গীত বুলিহে উল্লেখ কৰিছে। হুঁচৰি জনগোষ্ঠীটোৰ এক আকৰ্ষণীয় অনুষ্ঠান। ব'হাগ বিহুৰ সময়ত সোণোৱালসকলেও গৃহস্থৰ ঘৰে ঘৰে পৰম্পৰাগতভৱে হুঁচৰি গায়। এই হুঁচৰিত পৰিৱেশন কৰা গীতসমূহকেই 'হুঁচৰি গীত' আখ্যা দিয়া হয়। এই হুঁচৰি মূলতঃ পুৰুষকেন্দ্ৰিক অনুষ্ঠান। হুঁচৰি গোৱা অনুষ্ঠানক তেওঁলোকে হুঁচৰি মগা বুলিও কয়।

### *১.৩.১ হুঁচৰি নমোৱা পৰ্ব :*

সোণোৱাল কছাৰীসকলে হুঁচৰি আৰম্ভ কৰাৰ আগতে গৰু বিহুৰ দিনা পৰম্পৰাগতভাৱে গাঁৱৰ নামঘৰৰ পৰা বিহু নমায়। বাইথ' মন্দিৰ থকা অঞ্চলত বাইথ' মন্দিৰৰ পৰা বিহু নমোৱা হয়। সেইদিনাই গাঁৱৰ যোগ্য ব্যক্তিসকলৰ মাজত গীত গাই, আশীৰ্বাদীয়া, ভৰালি আদি দায়িত্ব ভগাই দিয়া হয়। বিহু নমাই গাঁৱৰ নামঘৰৰ পৰাই হুঁচৰি গোৱা আৰম্ভ কৰে। ইয়াৰ পাছত গাঁৱৰ ডেকা-বুঢ়া-ল'ৰাসকলোৱে সকলোৱে মিলি গাঁৱৰ প্ৰতিঘৰ মানুহৰ চোতালত হুঁচৰি মাৰি গৃহস্থক আশীৰ্বাদ জনায়।

### *১.৩.২ ব্যৱহৃত বাদ্যযন্ত্ৰ :*

সোণোৱাল কছাৰীসকলে হুঁচৰি পৰিৱেশন কৰোঁতে অসমীয়া সমাজত পৰিৱেশন কৰা হুঁচৰিৰ দৰে চক্ৰাকাৰে

ঘূৰি ঘূৰি পৰিবেশন নকৰে। তেওঁলোকে হুঁচৰি গাবৰ বাবে এডাল নটা বা তেৰটা পাব থকা এডাল দীঘল বাঁহ প্ৰস্তুত কৰি লয়। এই বাঁহডালক 'টকা' বোলা হয়। টকাই হুঁচৰিত ব্যৱহৃত প্ৰধান বাদ্যযন্ত্ৰ। এই বাঁহডাল হেলনীয়াকৈ মাটিত পুতি ৰাখিবৰ বাবে স্থানবিশেষে এটা বা দুটা বা তিনিটা খুঁটি ব্যৱহাৰ কৰা হয়। টকাডালত কোবাই কোবাই ছন্দে ছন্দে মিলাই হুঁচৰি গীত গাবৰ বাবে ন-যোৰ এচাৰিসদৃশ বাঁহৰ মাৰি প্ৰস্তুত কৰি লোৱা হয়। এই মাৰিকেইডালৰ নাম টকামাৰি। লগতে ঢোল আৰু তালো হুঁচৰিত বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়।

***১.৩.৩ হুঁচৰিৰ লগত জড়িত লোকবিশ্বাস :***

সোণোৱাল কছাৰী সমাজৰ হুঁচৰি অনুষ্ঠানত ব্যৱহৃত নটা অথবা তেৰটা পাবযুক্ত টকা বাঁহডালৰ বিশেষ তাৎপৰ্য আছে। তেওঁলোকৰ পৰম্পৰাগত লোকবিশ্বাস মতে, হুঁচৰিৰ উৎপত্তি সতীৰ দেহত্যাগৰ লগত জড়িত। সেইবাবে সোণোৱাল লোক-সমাজত এই বাঁহডাল সতী বা পাৰ্বতীৰ ৰাজহাঁড়ৰ প্ৰতীক বুলি বিশ্বাস আছে।

গাঁৱৰ নামঘৰত আৰম্ভ কৰা হুঁচৰি সোণোৱালসকলে গাঁৱৰ এমূৰৰ পৰা সাধাৰণতে উজনিৰপৰা নামনিলৈ আৰম্ভ কৰে। এনেদৰে পৰিৱেশন কৰিলে গাঁৱৰ পৰা মাৰি-মৰক, বেমাৰ-আজাৰ আঁতৰি যায় বুলি বিশ্বাস কৰে। গাঁৱৰ কাৰোবাৰ ঘৰত কোনো ব্যক্তি অসুখত ভূগি থাকিলে, জন্ম-মৃত্যু আদিৰ অশৌচ লাগিলেও হুঁচৰি নাগায়। হুঁচৰি গাই থকা কেইদিনত চুবা শেষ হ'লে পুনৰ ঘূৰি গৈ হুঁচৰি গায় যদিও 'টকা বাঁহডাল' ঘূৰাই নিনিয়ে। কেৱল থিয় গীত গায়েই হুঁচৰি সামৰে।

***১.৩.৪ হুঁচৰি গীতৰ ভাগ :***

সোণোৱাল কছাৰী জনগোষ্ঠীৰ ঐতিহ্য চেতনাৰ পৰিচয়জ্ঞাপক হুঁচৰি গীতসমূহ পৰিৱেশন কৰোঁতে প্ৰণালীবদ্ধতা ৰক্ষা কৰি চলে। এই ধাৰাবাহিকতা আৰু বিষয়বস্তুলৈ লক্ষ্য ৰাখি সোণোৱাল সমাজৰ পুৰোধা ব্যক্তিসকলে হুঁচৰি গীতক বিভিন্ন ধৰণে ভাগ কৰি দেখুওৱাইছে। এই ভাগবিলাকৰ ভিতৰত গগণচন্দ্ৰ সোণোৱালে হুঁচৰি গীতক চাৰিটা ভাগত ভাগ কৰিছে-

ক) বাৰে মন্ত্ৰ বা আৰম্ভণি গীত

খ) পোহাৰী গীত

গ) থিয় গীত আৰু

ঘ) বৰগীত *(সুবাসনা মহন্ত চৌধুৰী আৰু পল্লৱী ডেকা বুজৰবৰুৱা (সম্পা.), অসমৰ জনগোষ্ঠীয় লোক-সাহিত্য, পৃ.৮৭)*

নন্দেশ্বৰ কছাৰীয়ে বাৰে মন্ত্ৰ, পোহাৰী গীত, থিয় গীত, বৰগীত আৰু হুঁচৰি গীত- এই পাঁচটা ভাগত হুঁচৰি গীতক ভাগ কৰিছে। *(নন্দেশ্বৰ কছাৰী, সোণোৱাল কছাৰী সমাজ-সংস্কৃতি ভাষাৰ পৰিচয়, পৃ.১৩৮)*

ৰজনীকান্ত হাজৰিকাই হুঁচৰি গীতৰ ছটা ভাগৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল- বাৰেমন্ত্ৰ, নমস্কাৰ গীত, ফোহাৰি গীত, থিয় গীত, বৰগীত আৰু সামৰণি গীত বা হুঁচৰি সামৰা গীত। *(ৰজনীকান্ত হাজৰিকা, সোণোৱাল কছাৰীৰ সংস্কৃতি, পৃ.৮৬)*। এই বিভাজনবোৰৰ আধাৰতেই সোণোৱাল কছাৰী হুঁচৰি গীতৰ এটি পৰিচয় তলত আগবঢ়োৱা হ'ল-

***১.৩.৪.১ বাৰেমন্ত্ৰ :***

সোণোৱাল কাছাৰীসকলৰ হুঁচৰি গীতৰ স্তুতিসূচক অংশকেই বাৰেমন্ত্ৰ আখ্যা দিয়া হয়। এই অংশতেই মাংগলিক বচনৰ দ্বাৰা গৃহস্থৰ কুশল কামনা কৰি গোটেই বছৰটো সুখে-সন্তোষে কটাবলৈ আশীৰ্বাদ প্ৰদান কৰা হয়। হুঁচৰি গীতৰ এই অধ্যায়ত বলিৰজাৰ বংশধৰ বুলি বিশ্বাস কৰি অহা সোণোৱালসকলে তেওঁলোকৰ আদি গুৰু শুকমুনিক স্মৰণ কৰি বলিৰজাক সম্ভাষণ জনাই গিৰিহঁতৰ সৰ্বতোপ্ৰকাৰৰ মংগল কামনা কৰে।

### ১.৩.৪.২ পোহৰী গীত :

নমস্কাৰ গীতৰ পাছত ওঁকৰিত পোহৰী গীত পৰিবেশন কৰা হয়। সোণোৱাল কছাৰী সমাজ-সংস্কৃতি অধ্যয়ন কৰোঁতা ৰজনীকান্ত হাজৰিকাই ওঁকৰি গীতৰ এই অংশক 'পোহৰী গীত' আখ্যা দিছে। (ৰজনীকান্ত হাজৰিকা, সোণোৱাল কছাৰী সমাজ-সংস্কৃতি, পৃ. ৮৬)। পোহৰী গীত মুঠ বাৰটা অধ্যায়ত বাৰটা গীতৰ সমষ্টি। পোহৰীয়ে বজাৰত বয়-বস্তু পোহৰ মেলাৰ দৰেই সোণোৱাল জনজীৱনৰ বিচিত্ৰ অভিজ্ঞতা, যেনে সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষা, ৰীতি-নীতি, জীৱন-নিৰ্বাহ পদ্ধতি ইত্যাদি বিষয়ৰ অপূৰ্ব সমাহাৰ ঘটিছে কাৰণেই ইয়াক 'পোহৰী গীত' আখ্যা দিয়া হৈছে।

সোণোৱাল সমাজৰ ওঁকৰি সৃষ্টিৰ কাহিনী পোহৰী গীতৰ মাধ্যমেদি প্ৰকাশ পাইছে এনেদৰে-

"কৈলাশৰ শংকৰে ওঁকৰি ৰচিলে
পাৰ্বতীয়ে ৰচিলে নাম।
সুকনী কুঁৱৰীয়ে শদিয়া বজাতে
মুনিষক দি গ'ল মান।।"

*(সুবাসনা মহন্ত চৌধুৰী আৰু পাৰুৱী ডেকা বুজৰবৰুৱা, (সম্পা.) অসমৰ জনগোষ্ঠীয় লোক-সাহিত্য, পৃ.১২৮)*

জনশ্ৰুতিৰ আধাৰত ৰচিত এই গীতটোৰ মতে, কৈলাশৰ শংকৰ পাৰ্বতীয়ে সৃষ্টি কৰা ওঁকৰি গীত ব্ৰহ্মাৰ মানস কন্যা সুকনী কুঁৱৰীয়ে কৈলাশৰ পৰা মৰ্ত্যৰ মানুহক দান দিছে। তেওঁৰ যোগেদি সোণোৱালৰ আদি দেৱতা গৰাই-ধনাই - বাইধ' আদিয়ে পৃথিৱীৰ মনুষ্যক ওঁকৰি গাবলৈ শিকায়।

সোণোৱাল লোক জীৱনৰ বিস্তৃত জীৱন-প্ৰবাহৰ চিত্ৰ প্ৰকাশ পোৱা পোহৰীগীতৰ এছোৱা উল্লেখ কৰা হ'ল-

কি ফুল ফুলিলে লতা বগাই
ল'বলৈ নাপালো থোপা ভৰায়
লাউ কুটি কুটি ঐ খিকা কুটি কুটি
আগুক বুলি দাল মাৰিলো আঠীয়া কলৰ ৩টি।

*(নগেন্দ্ৰ কছাৰী, সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়, পৃ. ১৪০, ১৪১)*

### ১.৩.৪.৩ থিয় গীত :

ওঁকৰি গীতৰ থিয় গীতবোৰ মূলতঃ কাহিনীপ্ৰধান। এই গীতবিলাক 'থিয়' অৰ্থাৎ সম্পূৰ্ণৰূপে সজাই থোৱা গীত। থিয় গীতত প্ৰায় ওঠৰটা (১৮) গীত অন্তৰ্ভুক্ত হৈ আছে। এই গীতবিলাকৰ কিছুমান ঐতিহাসিক ঘটনাৰ আধাৰত ৰচনা কৰা। আনহাতে কিছুসংখ্যক গীত কিম্বদন্তি অথবা জনশ্ৰুতিৰ আধাৰতো ৰচনা কৰা হৈছে। সোণোৱালসকলৰ বীৰ যোদ্ধা বজাইবৰাই চাপৰিলৈ চিকাৰ কৰিবলৈ যাওঁতে হোৱা লাটিঘাটিৰ বৰ্ণনা, শংখদেউ ৰজাৰ পুত্ৰ মণিকৌৱৰৰ কাহিনী, নামচাঙ, মহন্ত আদিত লোণ বেহাবলৈ যোৱাৰ কথা, চেনাইয়ে দুইতৰ কুকুৰেদি বেপাৰ কৰিবলৈ যোৱা, কছাৰীসকলৰ হাদালী ৰাজ্য পতনৰ কাহিনী, শদিয়াখোৱা গোসাঁইৰ লগত জড়িত কাহিনী আদি থিয় গীতৰ মাধ্যমেদি প্ৰকাশ কৰা হৈছে। উদাহৰণস্বৰূপে-

ধ্বাইল' সৰগৰ তৰা
চাই থাক ঐ নিলগৰ পৰা।
ৰাসেৰে নহ'লে ধৰিব নোৱাৰি ধ্বাই ল'
সোণাৰি শালৰে লোণ শৰীলৰে ধ্বাই ল'
ঢকোৱা নহ'লে পুৰিব নোৱাৰি ধ্বাই ল'
চতাই নামচাঙৰ লোণ শৰীলৰে ধ্বাই ল'

*(নগেন্দ্ৰ কছাৰী, সোণোৱাল কছাৰী সমাজ সংস্কৃতি আৰু ভাষা পৰিচয়, পৃ. ১৫৮)*

১.৩.৪.৫ বৰগীত :

হুঁচৰি গীতৰ বৰগীত অংশ সোণোৱাল কছাৰীৰ অন্য এবিধ আপুৰুগীয়া সম্পদ হাইদাং গীতৰ ৰূপান্তৰ বুলি ক'লেও অত্যুক্তি কৰা নহয়। এই গীতক বৰগীত আখ্যা দিছে যদিও শংকৰদেৱ-মাধৱদেৱৰ 'বৰগীত'ৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। সোণোৱাল কছাৰী সমাজৰ ৰীতি-নীতি আৰু ঐতিহ্যচেতনাৰ বাৰ্তাবাহক এই অংশৰ বিষয়বস্তু তত্ত্বপ্ৰধান হোৱাৰ বাবেই হয়তো সোণোৱাল সমাজৰ বিশিষ্ট ব্যক্তিসকলে ইয়াক বৰগীত নামকৰণ কৰিছে। হাইদাং গীত আৰু বৰগীতৰ কথাংশ তথা বিষয়বস্তু আৰু অৰ্থ একেই যদিও দুয়োবিধ গীতৰ সুৰ, তাল-মান আৰু ব্যৱহৃত বাদ্যযন্ত্ৰৰ মাজত পাৰ্থক্যও দৃষ্টিগোচৰ হয়। ঢোল-তালৰ সহযোগত বাঁহৰ মাৰিয়ে 'টকাবাঁহ'ত কোবাই কোবাই হুঁচৰিৰ বৰগীত গায়। কিন্তু হাইদাং গীতত ঢোল বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নহয়। চিফুং, খুটিংতাল আৰু হাত টকাৰ সহযোগত তাল মিলাই নৃত্য কৰে। সেইবাবে হাইদাং গীত নৃত্য প্ৰধান। হাইদাং গীতৰ দৰেই বৰগীতবোৰতো জাতিটোৰ অতীত ইতিহাস, সামাজিক ৰীতি-নীতি, বিশ্বাস, কলা-সংস্কৃতি, জীৱন-দৰ্শন ইত্যাদিৰ প্ৰতিফলন ঘটিছে। যেনে-

হাঁহ চৰাইনা এ হেই
হাঁহ চৰাইনা এ হেই
ডাঙৰ ডাঙৰ ঐ কোন ডাঙৰ হেই
দেৱৰ ডাঙৰ ঐ খিৰিং ৰজা না ঐ
দেবীৰ ডাঙৰ ঐ কোন ডাঙৰ ঐ
দেবীৰ ডাঙৰ ঐ ভুৰুলী হাবুকী ঐ

*(নন্দেশ্বৰ কছাৰী, সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়, পৃ. ১৭৪)*

১.৪ হুঁচৰিৰ সাম্প্ৰতিক ৰূপ :

সাম্প্ৰতিক পৰিস্থিতিত সোণোৱাল কছাৰী "হুঁচৰি"ৰ বেহ-ৰূপ পৰ্য্যবেক্ষণ কৰিলে দেখিবলৈ পোৱা যায় যে, সোণোৱাল কছাৰী লোক-সংস্কৃতিৰ অন্যতম উপাদান 'হুঁচৰি' বিপদাপন্ন অৱস্থালৈ গতি কৰিছে। এটা সময়ত সোণোৱাল কছাৰী বসতিপ্ৰধান প্ৰতিখন গাঁৱতে ব'হাগ বিহুৰ সময়ত হুঁচৰি পৰিবেশন কৰা হৈছিল যদিও এতিয়া সেয়া পৰিলক্ষিত নহয়। কোনো কোনো সোণোৱাল গাঁৱৰ পৰা 'হাইদাং হুঁচৰি' একেবাৰে উঠি গৈছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। উদাহৰণস্বৰূপে, প্ৰধানকৈ সোণোৱাল কছাৰী লোক বসবাস কৰা ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ নগাঁও অঞ্চলত আজি দহ-বাৰ বছৰে হাইদাং হুঁচৰি পৰিবেশন কৰা হোৱা নাই। অৱশ্যে সোণোৱাল কছাৰী কিছুমান গাঁৱত; যেনে- ডিব্ৰুগড় জিলাৰ, লেঙেৰী মৌজাৰ শলগুৰি, চহৰীকটা, নখাট, চাচনী মৌজাৰ নখটীয়া সোণোৱাল গাঁও, মঠাৱনী আদিত প্ৰত্যেক বছৰে নহ'লেও চাৰি-পাঁচ বছৰৰ মূৰে মূৰে এই হুঁচৰি পৰিবেশিত হৈ আহিছে। 'হাইদাং হুঁচৰি'ৰ পৰিবৰ্তে বহু গাঁৱত অসমীয়া হুঁচৰিহে পৰিবেশন কৰা হয়। আনহাতে প্ৰদৰ্শনমূলক ভাবেও বিভিন্ন সভা-সমিতি, সাংস্কৃতিক সমাৰোহ আদিতো ইয়াক পৰিবেশন কৰা হয়। গতিকে এনে প্ৰেক্ষাপটত আমি ক'ব পাৰোঁ যে সোণোৱাল কছাৰীৰ হুঁচৰিলৈ আজি ক্ৰমাৎ বিপদঘন্টা নামি আহিছে। এনেদৰে থাকিলে এদিন হয়তো তেওঁলোকৰ হুঁচৰি কেৱল প্ৰদৰ্শনমূলক ভাবেহে জীয়াই থাকিব অথবা হেৰাই যোৱাৰো আশংকা আছে।

১.৫ বিপদাপন্ন অৱস্থালৈ গতি কৰাৰ কাৰণ :

- যুগ পৰিবৰ্তনৰ লগে লগে পৃথিবীৰ সমগ্ৰ মানৱ জাতিৰ জীৱন পৰিক্ৰমাত ব্যাপক মালসলনি ঘটিছে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, আধ্যাত্মিক সকলো দিশতে পৰিবৰ্তনৰ প্ৰভাৱ প্ৰত্যক্ষ কৰা যায়। জীৱন পদ্ধতিলৈ অহা এই পৰিবৰ্তনে প্ৰত্যেক জাতি-জনগোষ্ঠীৰ সাহিত্য-সংস্কৃতিকো স্পৰ্শ কৰিছে। এই যুগ পৰিবৰ্তনৰ প্ৰভাৱৰ ফলস্বৰূপেই সোণোৱাল কছাৰী হুঁচৰি সাম্প্ৰতিক সময়ত এনে এটা অৱস্থালৈ গতি কৰিছে বুলি আমি ক'ব পাৰোঁ।

- চুবুৰীয়া সমাজ-সংস্কৃতিৰ প্ৰভাৱো হুঁচৰিলৈ অহা পৰিৱৰ্তনৰ অন্যতম কাৰক। সোণোৱাল কছাৰী গাঁৱসমূহ অন্যান্য অসমীয়া মানুহৰ গাঁৱৰ ওচৰতে অৱস্থিত বাবে অন্য সংস্কৃতি বিশেষকৈ অসমীয়া সংস্কৃতিৰ প্ৰভাৱ সোণোৱাল কছাৰী সংস্কৃতিৰ ওপৰত ব্যাপকভাৱে পৰিছে। সেইবাবেই সোণোৱালসকলৰ বহু গাঁৱত তেওঁলোকৰ পৰম্পৰাগত হুঁচৰিৰ পৰিবৰ্তে অসমীয়া হুঁচৰি পৰিবেশন কৰিবলৈ লৈছে।
- আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে পৃথিৱীৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লোকৰ দৰেই সোণোৱালসকলেও ক্ৰমাৎ নগৰমুখী হ'বলৈ আৰম্ভ কৰিছে। নগৰাঞ্চলত বসতি কৰিবলৈ আৰম্ভ কৰা বাসিন্দাসকলে পৰিৱৰ্তনমুখৰ শক্তিসমূহৰ সমান্তৰালভাৱে নিজকে খাপ খোৱাই নিয়াত ব্যস্ত থাকিব লগা হোৱাৰ বাবে গ্ৰাম্য সমাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বিভিন্ন উৎসৱ-অনুষ্ঠানৰ পৰা বঞ্চিত হৈ আহিছে। সেয়েহে এই চাম মানুহৰ মাজত হুঁচৰিকে ধৰি অন্যান্য লোক গীত-মাতসমূহৰো চৰ্চা তথা ব্যৱহাৰ ক্ৰমাৎ কমি আহিছে।
- লোক-সাহিত্য মৌখিক পৰম্পৰা আশ্ৰয়ী বাবে হুঁচৰিৰ পৰিবেশন কমি অহাৰ লগে লগে উঠি অহা নৱ প্ৰজন্মই ইয়াক শিকাৰ সুবিধাও লাভ কৰা নাই।
- একোখন গাঁৱত হুঁচৰি পৰিবেশন কৰিবলৈ এসপ্তাহতকৈ বেছি সময়ৰ প্ৰয়োজন হয়। সাম্প্ৰতিক ব্যস্ততাপূৰ্ণ জীৱন-প্ৰবাহত একেলেঠাৰিয়ে সাত-আঠ দিন সময় গীত মাত পৰিবেশন কৰিবলৈও মানুহৰ সময়ৰ নাটনি। হুঁচৰিৰ পৰিবেশন সীমিত হৈ অহাৰ ইও এটা অন্যতম কাৰণ।
- সংস্কৃতিৰ ন ন উপাদানৰ প্ৰতি মানৱ জাতিৰ আকৰ্ষণ এটা স্বাভাৱিক প্ৰবৃত্তি। সময়ৰ অগ্ৰগতিৰ লগে লগে কোনো এটা জাতি-জনগোষ্ঠীৰ সংস্কৃতিৰ কিছু উপাদান হেৰাই যায়, কিছুমান নতুনকৈ যোগ হয়। সংস্কৃতিৰ চিৰাচৰিত এই ৰীতি মানিয়েই সোণোৱালসকলেও অসমীয়া 'হুঁচৰি'ৰ প্ৰতি আকৰ্ষিত হৈছে।

**১.৬ হুঁচৰি সংৰক্ষণ আৰু প্ৰসাৰৰ পদক্ষেপ :**

হুঁচৰি সংৰক্ষণ আৰু প্ৰচাৰ তথা প্ৰসাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰিব পৰা কিছু পদক্ষেপ তলত উল্লেখ কৰা হ'ল-

- সোণোৱাল কছাৰীৰ 'হাইদাং হুঁচৰি' পৰিবেশন হৈ থকা গাঁৱবিলাকত তিনি-চাৰি বছৰৰ অন্তত নহয়, প্ৰত্যেক বছৰে গোৱাৰ ব্যৱস্থা কৰিব পাৰে। গাঁৱখনৰ প্ৰতিঘৰলৈ গৈ হুঁচৰি মগা সম্ভৱ নহ'লে নামঘৰতেই সকলোৰে সুবিধা অনুসৰি দিনটোৰ এটা নিৰ্দিষ্ট সময়ত হুঁচৰি গাব পাৰে। এনে কৰিলে মানুহৰ সময়ৰ অভাৱো দূৰ হয়। গাঁৱৰ একো-একোটা চুবুৰিয়ে পাল অনুসৰি নামঘৰতেই বিহুৱা দলক শৰাই আগবঢ়াই সেৱা জনাব পাৰে। পৰম্পৰাৰ পৰা কিছু আঁতৰি আহিলেও এইধৰণৰ প্ৰচেষ্টাৰ জৰিয়তে উঠি অহা প্ৰজন্মই শিকাৰ সুবিধা লাভ কৰিব।
- সোণোৱাল কছাৰী জনগোষ্ঠীয়ে ইতিমধ্যে স্বায়ত্ব শাসন লাভ কৰিছে। গতিকে স্বায়ত্ব শাসিত পৰিষদে অথবা সোণোৱাল কছাৰী অন্যান্য জাতীয় সংগঠনবিলাকে যিসমূহ গাঁৱত হুঁচৰিৰ প্ৰচলন কমি আহিছে বা হেৰাই গৈছে সেই অঞ্চলবিলাকত কৰ্মশালা আদিৰ আয়োজন কৰি পুনৰ প্ৰচলনৰ ব্যৱস্থা কৰিব পাৰে।
- ক্লাব-সংঘ, কলাকৃষ্টি কেন্দ্ৰ আদিৰ মাধ্যমেদি 'হাইদাং হুঁচৰি'ৰ একো-একোটা দল গঠন কৰি হুঁচৰি পৰিবেশনৰ ব্যৱস্থা কৰিলে কলাৰূপত হ'লেও ই জীয়াই থাকিব।
- সোণোৱাল কছাৰী 'হুঁচৰি'ৰ তাল, মান, সুৰ, দেহৰ লয়লাস আদি সাংগীতিক নিয়মেৰে ব্যাকৰণসন্মতভাৱে অধ্যয়ন কৰাৰ যথেষ্ট থল আছে। এনে দৃষ্টিভংগীৰে অধ্যয়ন হ'লে পৰিবেশ্য কলা হিচাপে ইয়াৰ প্ৰচাৰ তথা প্ৰসাৰতো সুবিধা হ'ব।

**২.০ সিদ্ধান্ত আৰু উপসংহাৰ :**

*সোণোৱাল কছাৰীৰ বিপদাপন্ন সাংস্কৃতিক সমল 'হুঁচৰি'* - শীৰ্ষক গৱেষণাপত্ৰখনিৰ জৰিয়তে তলত দিয়া সিদ্ধান্ত কেইটাত উপনীত হ'ব পাৰে-

ছঁচৰিৰ মাধ্যমেদি সোণোৱাল কছাৰী জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য প্ৰতিফলিত হৈছে।

- জনগোষ্ঠীটোৰ ঐতিহাসিক চেতনাৰ লগতে লোক-জীৱনৰ চিত্ৰ ইয়াৰ মাজেদি প্ৰকাশিত হৈছে।
- এই 'ছঁচৰি' ক্ৰমাৎ বিপদাপন্ন অৱস্থালৈ গতি কৰিছে। সময়ৰ পৰিবৰ্তন, চুবুৰীয়া সমাজ-সংস্কৃতিৰ প্ৰভাৱ, কৰ্মব্যস্ততা আদিয়েই ইয়াৰ অন্যতম কাৰক।
- কৰ্মশালা, ক্লাব-সংঘ, কলাকৃষ্টি কেন্দ্ৰ আদিৰ জৰিয়তে পৰম্পৰাৰপৰা কিছু আঁতৰি আহিও ইয়াৰ সংৰক্ষণ তথা সজীৱ কৰি তুলিব পাৰি।

সোণোৱাল কছাৰীসকলৰ সামাজিক জীৱনত জনগোষ্ঠীটোৰ স্বতন্ত্ৰ বৈশিষ্ট্য প্ৰকাশক 'ছঁচৰি'ৰ গুৰুত্ব অপৰিসীম। পৰিৱৰ্তনৰ গৰাহত পৰি ছঁচৰি আজি বিপদাপন্ন অৱস্থালৈ গতি কৰিছে যদিও উপযুক্ত পদক্ষেপ গ্ৰহণ কৰি যুগৰ পৰিবৰ্তনে গ্ৰাস কৰিব নোৱাৰাকৈ ইয়াক জীয়াই ৰাখিব পাৰি। আশা কৰা হৈছে, এনেধৰণৰ অধ্যয়নৰ জৰিয়তে ছঁচৰিৰ সংৰক্ষণ তথা সজীৱ কৰি ৰখাত কিঞ্চিৎ হ'লেও বৰঙণি যোগাব।

*গ্ৰন্থপঞ্জী :*


ক) কছাৰী, নন্দেশ্বৰ : *সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়*
প্ৰকাশক - সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড়
জনজাতি গবেষণা বিভাগ, প্ৰথম প্ৰকাশ, ২০১১ চন

খ) চলিহা, হেমন্ত কুমাৰ : *সোণোৱাল কছাৰীৰ সংস্কৃতি*
প্ৰকাশক - মাধৱদেৱ মহাবিদ্যালয় প্ৰকাশনৰ হৈ সতীৰ্থ জ্ঞানযাত্ৰা
গুৱাহাটী-৫, প্ৰথম প্ৰকাশ, জুন ২০১৭

গ) দত্ত গোস্বামী, প্ৰফুল্ল : *অসমীয়া জনসাহিত্য*
প্ৰকাশক - বাণী প্ৰকাশ, পাইভেট লিমিটেড
পাণ বজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৪

ঘ) মহন্ত চৌধুৰী, সুবাসনা
ডেকা বুজৰবৰুৱা, পল্লৱী (সম্পা). : *অসমৰ জনগোষ্ঠীয় লোক সাহিত্য*
প্ৰকাশক - অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, প্ৰথম প্ৰকাশ, মাৰ্চ ২০০৯

ঙ) শৰ্মা, নবীনচন্দ্ৰ : *অসমৰ লোক সাহিত্য*
প্ৰকাশক - জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, মে', ২০১৪

চ) শৰ্মা, সত্যেন্দ্ৰনাথ : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*
প্ৰকাশক - প্ৰতিমা দেৱী, বিহাবাৰী, গুৱাহাটী-৮, নৱম সংস্কৰণ, ২০০১, আগষ্ট

ছ) শৰ্মা, হেমন্তকুমাৰ : *অসমীয়া সাহিত্যত দৃষ্টিপাত*
প্ৰকাশক : নিউ বুক ষ্টল, গুৱাহাটী, তৃতীয় তাঙৰণ, ১৯৭২

জ) হাজৰিকা, জিনতু : *সোণোৱাল কছাৰীসকলৰ লোকজীৱন*
প্ৰকাশক : শব্দ প্ৰকাশ, যোৰহাট, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১৩


□□□

# Ethnic Costumes In North-East India



Published by:
Department of Home Science
Duliajan Girls' College
Duliajan, Assam

Editors :
Mrs. Anumoni Gogoi
Mrs. Geetima Dutta
Dr. Bani Lekha Phukan

**ETHINC COSTUMES IN NORTH-EAST INDIA** - A Collection of Selected Full Papers Submitted for the ICSSR Sponsored National Seminar of 'Ethinc Costumes in North-East India : Artistic Craftsmanship and Aesthetic Value' on 26th & 27th April, 2019, Organized by the Department of Home Science, Duliajan Girls' College, Duliajan

| | |
|---|---|
| 1st Edition | : October, 2019 |
| Published by | : Department of Home Science<br>Duliajan Girls' College, Dist.- Dibrugarh (Assam) |
| Advisors | : Mr. Bhupen Saikia<br>*President, Governing Body, Duliajan Girls' College* |
| | Dr. Lakhimi Phukon<br>*Principal, Duliajan Girls' College* |
| | Mrs. Sujata Sarma Borkataky<br>*Vice-Principal, Duliajan Girls' College* |
| Edited by | : Mrs. Anumoni Gogoi<br>*HoD., Home Science* |
| | Mrs. Geetima Dutta<br>*Asst. Professor, Department of Home Science* |
| | Dr. Bani Lekha Phukan<br>*Asst. Professor, Department of Home Science* |
| Cover Design | : Dr. Bani Lekha Phukan<br>*Asst. Professor, Department of Home Science* |
| ISBN No. | : 978-81-942630-5-0 |
| Price | : Rs. 1000/- (One Thousand Only) |
| Copyright | : Editors |
| Printed at | : The Assam Computers, Kachujan Path, Tinsukia<br>Ph.No.- 0374-2330424 |


*The views and research findings provided in this publication are those of the authors only and the editors are in no way responsible for its content.*

আহোমসকলৰ পৰম্পৰাগত সাজপাৰ ঃ সংৰক্ষণ আৰু পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা 361
*টুলুমণি চেতিয়া, গীতালি হাজৰিকা*

মিচিং নাৰীসকলে পৰিধান কৰা সাজপাৰৰ স্বকীয়তা আৰু পৰম্পৰা — এটি সম্যক আলোচনা 370
*হেমন্ত কুমাৰ বৰুৱা*

মিচিংসকলৰ সাজপাৰ ঃ কলাত্মক শিল্পকৌশল আৰু নান্দনিক সৌন্দৰ্য্যবোধৰ নিদৰ্শন 375
*বিজুমণি দত্ত*

উজনি অসমৰ পৰম্পৰাগত সাজপাৰ, এক চমু অৱলোকন 382
*দীনেশ কুমাৰ গগৈ*

অসমৰ পৰম্পৰাগত গহনাৰ অনুৰূপ হস্তনিৰ্মিত মাটিৰ গহনা 388
*ৰশ্মিৰেখা মহন্ত*

নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন 391
*ৰুণুমী সোনোৱাল*

ৱান্‌ছু জনগোষ্ঠীৰ সাজপাৰ 398
*ড° জ্যোতিৰেখা গগৈ*

মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পাৰ আৰু আ-অলংকাৰ — এটি বিশ্লেষণ 406
*টংকেশ্বৰ দাস, পল্লৱী দত্ত*

অসমৰ কন্যাক নগাসকলৰ লোক আভৰণ ঃ এটি চমু আলোকপাত 409
*ড° মমী শ্যাম, ড° দাদুল ৰাজকোঁৱৰ*

টাই আহোমসকলৰ সাজপাৰ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন 413
*ড° মুনমী কোঁৱৰ হাজৰিকা*

অসমৰ টাইফাকে জনগোষ্ঠীৰ সাজপাৰ আৰু আ-অলংকাৰ ঃ এক আলোচনা 417
*পপী গগৈ*

অসমীয়া সমাজৰ বস্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস 421
*ভাগ্যশ্ৰী গগৈ*

পুৰণি অসমৰ সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এটি আলোচনা 429
*ডঃ মীনাক্ষি দত্ত বৰ্মন*

অসমীয়া লোক-সাহিত্যত পৰম্পৰাগত সাজপাৰ আৰু আ-অলংকাৰৰ প্ৰসঙ্গ ঃ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন 437
*মৃদুজ্যোতি কলিতা*

অসমৰ পৰম্পৰাগত সাজপাৰ আধাৰিত ফেশ্বন ডিজাইনিং 445
*মনোৰঞ্জন বৰদলৈ*

# নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন

ৰুণুমী সোনোৱাল
সহকাৰী অধ্যাপিকা, নাহৰকটীয়া মহাবিদ্যালয়

**সাৰাংশ ঃ**

বাৰেৰহনীয়া সাংস্কৃতিক বৈচিত্ৰ্যৰে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ অসম আৰু অৰুণাচলত বসবাস কৰি থকা এটি প্ৰধান জনগোষ্ঠী নক্টেজনগোষ্ঠী। নগা জনজাতিৰ অন্তৰ্ভুক্ত নক্টেসকল অৰুণাচলৰ টিৰাপ জিলা আৰু অৰুণাচলৰ সীমান্তৱৰ্তী অসমৰ তিনিখন গাঁৱত বসবাস কৰি আছে। নৃতাত্ত্বিক বিচাৰত মংগোলীয় প্ৰজাতিৰ নক্টেসকলে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অসম-বৰ্মী উপশাখাৰ বড়ো নগাৰ নগা শাখাৰ ভাষা ভাব বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে।

নক্টেসকলৰ সমাজ-সংস্কৃতিৰ ক্ষেত্ৰখনো নিজা বৈশিষ্ট্যৰে মহীয়ান। তেওঁলোকৰ সাজপাৰ তথা বেশভূষাতো এই চহকী সাংস্কৃতিক পৰম্পৰাৰ প্ৰতিফলন লক্ষ্য কৰা যায়। এই সাজপাৰে জনগোষ্ঠীটোৰ স্বকীয় ৰুচি-অভিৰুচি তথা কলাসুলভ মানসিকতাৰো প্ৰতিনিধিত্ব কৰিছে। ভিন্নৰঙী পোছাক পৰিধান কৰি ভাল পোৱা নক্টেসকলে তেওঁলোকৰ পৰম্পৰাগত সাজপাৰো নিজেই প্ৰস্তুত কৰি লয়। প্ৰত্যেকগৰাকী নক্টেমহিলাই পাকৈত শিপিনী। মুঠতে নক্টেসকলৰ বয়ন শিল্পই তেওঁলোকৰ নিজস্ব সাংস্কৃতিক বৈচিত্ৰতাৰ পৰিচয় বহন কৰিছে। সেয়েহে "নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন" শীৰ্ষক গৱেষণা পত্ৰৰ জৰিয়তে নক্টেজনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

## ০.০ প্ৰস্তাৱনা ঃ

### ০.১ বিষয়ৰ পৰিচয় ঃ

বাৰেৰহনীয়া সাংস্কৃতিক বৈচিত্ৰৰে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ অসম আৰু অৰুণাচলত বসবাস কৰি থকা এটা প্ৰধান জনগোষ্ঠী হৈছে নক্টেসকল। বৃহত্তৰ নগা জনজাতিৰ অন্তৰ্ভুক্ত নক্টেসকলৰ প্ৰধান বসতিস্থল অৰুণাচলৰ টিৰাপ জিলা। টিৰাপ জিলাৰ পাঁচটা ৰাজহচক্ৰ ক্ৰমে- নামচাং, চ'হা, খুন্চা, দাদম আৰু লাজুৰ অন্তৰ্গত বিৰানব্বৈ (৯২) খন গাঁৱত নক্টেসকলে বসবাস কৰি আছে। ইয়াৰ বাহিৰেও অসমৰ তিনিখন গাঁৱতো নক্টেসকলে বসবাস কৰি আছে। অসমৰ নক্টে বসতিপ্ৰধান গাঁও কেইখন হ'ল- ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া ৰাজহচক্ৰৰ অন্তৰ্গত নাহৰকটীয়া জয়পুৰৰ দিহিংকিনাৰ নক্টে গাঁও, নামৰূপৰ পানীদুৰীয়া নগা গাঁও আৰু চৰাইদেউ জিলাৰ সাপেখাতী ৰাজহচক্ৰৰ ভিতৰুৱা শিলনী নগা গাঁও।

অন্যান্য নগা জনগোষ্ঠীৰ দৰেই নক্টেসকলো নৃতাত্ত্বিক বিচাৰত মংগোলীয় প্ৰজাতিৰ। ভাষাতাত্ত্বিক দৃষ্টিভংগীৰ ফালৰ পৰা তেওঁলোক চীন-তিব্বতীয় ভাষা পৰিয়ালৰ। এই ভাষা-পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অসম-বৰ্মী উপশাখাৰ বড়ো-নগাৰ নগা শাখাৰ ভাষা ভাব বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে।

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰি থকা নগা জনগোষ্ঠীৰ লোকসকলৰ বিভিন্ন উপগোষ্ঠী পৰিলক্ষিত হয়। নক্টে জনগোষ্ঠীৰ মাজতো প্ৰধানকৈ পাঁচটা উপগোষ্ঠী দেখিবলৈ পোৱা যায়। হাৰাখুন, ফথুং,

অ'লহ, জাৰ' (টুট্চা) আৰু খাপা নক্টেসকলৰ প্ৰধান উপগোষ্ঠী।

সমাজ-সংস্কৃতিৰ ক্ষেত্ৰখনত নক্টে জনগোষ্ঠীৰ বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। তেওঁলোকৰ পৰম্পৰাগত ৰীতি-নীতি, ভাষা-সংস্কৃতি, লোকাচাৰ, উৎসৱ-পাৰ্বণ, খাদ্যাভ্যাস, সাজপাৰ, আ-অলংকাৰ, ঘৰ-দুৱাৰ, আচৰাব, সকলোতে স্বকীয় বৈশিষ্ট্য বিদ্যমান। মুঠতে নক্টেসকলে নিজস্ব জীৱনশৈলী একক আৰু অনন্য বৈশিষ্ট্যৰে বৰ্তমানো জীয়াই ৰাখিবলৈ সক্ষম হৈছে। নক্টেসকলৰ সাজপাৰ তথা বেশভূষাতো তেওঁলোকৰ চহকী সাংস্কৃতিক পৰম্পৰাৰ প্ৰতিফলন লক্ষ্য কৰা যায়। তেওঁলোকে সামাজিক জীৱনত পালন কৰা সকলো ধৰণৰ উৎসৱ-অনুষ্ঠানত নিজা জাতীয় সাজপাৰ আৰু আ-অলংকাৰ পৰিধান কৰে। 'নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন' শীৰ্ষক গৱেষণাপত্ৰত নক্টেসকলৰ সাজপাৰৰ বিষয়ে এটি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.২ বিষয় অধ্যয়নৰ গুৰুত্ব ঃ**

'নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন' শীৰ্ষক বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব কেইবাটাও দিশত পৰিলক্ষিত হয় -

➢ বিদ্যালয়তনিক ক্ষেত্ৰখনিত ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ আৰু অসমত বসবাস কৰি থকা নক্টেসকলৰ বিষয়ে কম-বেছি পৰিমাণে অধ্যয়ন হৈছে যদিও সেয়াই যথেষ্ট নহয়। সেয়েহে বিদ্যায়তনিক দিশত এনে অধ্যয়নৰ বিশেষ গুৰুত্ব আছে।

➢ সাম্প্ৰতিক সময়ত শিক্ষাৰ প্ৰসাৰ তথা আধুনিকতাই পৃথিৱীৰ অন্যান্য জনগোষ্ঠীৰ দৰে নক্টেসকলৰ সমাজ সংস্কৃতিলৈও প্ৰৱল পৰিৱৰ্তন কঢ়িয়াই আনিছে। এই পৰিৱৰ্তনে নক্টেসকলৰ সাজপাৰকো চুই হৈছে। সেয়েহে এনে দৃষ্টিভংগীৰেও বিষয়টি অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে।

➢ পৃথিৱীৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক সমলবোৰৰ স্বকীয় বৈশিষ্ট্য আছে। নক্টেসকলৰ সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁলোকৰ সংস্কৃতিৰ অন্যতম অংগ সাজপাৰৰ মাজতো জনগোষ্ঠীটোৰ নিজস্ব সাংস্কৃতিক বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছে। সাজপাৰৰ মাজেদি ফুটি উঠা নক্টেসকলৰ সাংস্কৃতিক পৰম্পৰাৰ অধ্যয়নৰ বাবেও বিষয়টোৰ পদ্ধতিগত অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰা হৈছে।

➢ ইয়াৰ বাহিৰেও বিষয়টোৰ গৱেষণামূলক আলোচনাই নক্টেসকলৰ সাংস্কৃতিক সমলসমূহ সংৰক্ষণ তথা প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

**০.৩ বিষয় অধ্যয়নৰ উদ্দেশ্য ঃ**

নক্টেসকলৰ সাজপাৰৰ সম্পৰ্কে অধ্যয়ন কৰাই গৱেষণা পত্ৰখনিৰ মুখ্য উদ্দেশ্য।

**০.৪ বিষয় অধ্যয়নৰ পদ্ধতি ঃ**

''নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন' শীৰ্ষক বিষয়টিৰ অধ্যয়নত প্ৰধানকৈ ক্ষেত্ৰ অধ্যয়নক গুৰুত্ব দিয়া হৈছে। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে পোৱা তথ্যসমূহ পৰ্যবেক্ষণ কৰি সেইবিলাকে বৰ্ণনাত্মক পদ্ধতিৰে উপস্থাপন কৰা হৈছে।

**০.৫ তথ্য আহৰণ ঃ**

গৱেষণাপত্ৰখনিৰ বিষয়টোৰ বাবে প্ৰয়োজন হোৱা তথ্য প্ৰধানকৈ দুটা উৎসৰ পৰা গ্ৰহণ কৰা হৈছে। সেইকেইটা হ'ল-

ক) মুখ্য উৎস  খ) গৌণ উৎস

মুখ্য উৎসৰ পৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে প্ৰাথমিক তথ্যসমূহ আহৰণ কৰা হৈছে। আনহাতে বিষয়টিৰ সৈতে সম্পৰ্কিত পূৰ্বসুৰী অধ্যয়নকাৰীসকলে আলোচনা কৰি যোৱা গ্ৰন্থ, আলোচনী, গৱেষণাধৰ্মী প্ৰবন্ধ, ইন্টাৰনেট আদি গৌণ উৎসৰ পৰাও সমল সংগ্ৰহ কৰা হৈছে।

**০.৬ বিষয় অধ্যয়নৰ পৰিসৰ ঃ**

নক্টেসকল অৰুণাচলৰ টিৰাপ জিলাৰ বিৰানৱৈখন আৰু অসমৰ ডিব্ৰুগড় জিলাৰ এখন আৰু চৰাইদেও জিলাৰ দুখন গাঁৱত বসবাস কৰি আছে। অধ্যয়নৰ সুবিধাৰ্থে আমাৰ অধ্যয়নত কেৱল অসমৰ নক্টে বসতিপ্ৰধান গাঁওকেইখনক ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিদৰ্শ গাঁও হিচাপে নিৰ্বাচন কৰি লোৱা হৈছে। আনহাতে সংস্কৃতিৰ বিভিন্ন উপদানসমূহৰ ভিতৰত কেৱল নক্টেসকলৰ সাজপাৰৰ বিষয়েহে গৱেষণা পত্ৰখনিত আলোচনা কৰা হৈছে।

**০.৭ নক্টেসকলৰ সাজপাৰ ঃ**

মানুহৰ প্ৰাথমিক প্ৰয়োজন পূৰণৰ অন্যতম আহিলা সাজপাৰৰ মাজেদিও সংস্কৃতিৰ ভেটি গঢ়ি উঠে। এজন ব্যক্তিৰ ৰুচি-অভিৰুচি, চিন্তা-চেতনা, সৌন্দৰ্য্যবোধ আদিৰ পৰিচয় তেওঁ পৰিধান কৰা সাজপাৰেই দাঙি ধৰে। এক কথাত ক'বলৈ গ'লে ব্যক্তি এজনৰ প্ৰাথমিক পৰিচয় সাজপাৰেইপ্ৰদান কৰে। আনহাতে ব্যক্তিৰ বাহিৰেও সাজপাৰ একোটা জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰাৰো নিদৰ্শন। নক্টেসকলে পৰিধান কৰা সাজপাৰৰ মাজতো জনগোষ্ঠীটোৰ সাংস্কৃতিক চিন্তা-চেতনাৰ প্ৰতিফলন ঘটিছে। দৈনন্দিন জীৱনত ব্যৱহৃত সাজপাৰ নক্টে মহিলাই ঘৰতে প্ৰস্তুত কৰি লয়। নক্টে পুৰুষ-মহিলাই পৰিধান কৰা সাজপাৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

**০.৭.১ নক্টে পুৰুষৰ সাজপাৰ ঃ**

**০.৭.১.১ লেংটি বা খেদিহ ঃ**

নক্টে পুৰুষে পৰিধান কৰা পৰম্পৰাগত সাজ-পোছাকৰ ভিতৰত লেংটি বা খেদিহ প্ৰধান। এই লেংটি কঁকালৰ তলৰ অংশত পৰিধান কৰে। লেংটিখন সাধাৰণতে ক'লা, ৰঙা, হালধীয়া, নীলা, বগা আদি বিভিন্ন ৰঙৰ সূতা ব্যৱহাৰ কৰি তেওঁলোকৰ পৰম্পৰাগত তাঁতশাল (ল'য়েন লোম)ত বৈ উলিয়ায়। এই কাপোৰখনত দীঘে-পথালিয়ে জ্যামিত্যিক আৰ্হিৰ ফুলো বছা হয়। ঘৰুৱা পৰিৱেশত পিন্ধা লেংটিখনৰ বৰণ সাধাৰণতে ক'লা বা মটীয়া ৰঙৰ দেখা যায়। আনহাতে উৎসৱ-পাৰ্বণত পৰিধেয় লেংটিখনৰ বৰণহে ৰঙ-বিৰঙৰ হয়। বস্ত্ৰখন পৰিধান কৰাৰ ক্ষেত্ৰতো নক্টেসকলৰ স্বকীয় বিশিষ্টতা লক্ষ্য কৰা যায়। লেংটিখন পৰিধান কৰোঁতাজনে সদায় এটি কথালৈ লক্ষ্য ৰাখে যাতে ইয়াৰ ফুল থকা অংশখিনি শৰীৰৰ নিম্নাংশৰ সন্মুখৰফালে আৰু আনটো অংশ পাছফালে ওলমি থাকে।

**০.৭.১.২ নক্টে টাক কোট (নক্টে জাকেট) ঃ**

নক্টে পুৰুষসকলে ডাঠ ক'লা আৰু মাখন ৰঙৰ এটি জেকেট শৰীৰৰ উৰ্দ্ধাংশত পৰিধান কৰে। জাকেটটো উণ অথবা ডিমাপুৰীয়া সূতাৰে বোৱা হয়। জাকেটটোৰ সন্মুখৰ ভাগ খোলা আৰু দুয়ো মূৰত ৰঙা-বগা-হালধীয়া সূতাৰে সাধাৰণভাৱে ফুল বচা আধা ইঞ্চি জোখৰ এটি পটি লগাই দিয়া হয়। ইয়াৰ বাহিৰেও চোলাটোৰ সন্মুখৰ আৰু পিছফালে মাজভাগত দুডাল যাঠি আকাৰৰ নমুনা পূৰণ চিহ্নৰ নিচিনাকৈ চিলাই কৰি দিয়ে। আনহাতে চোলাটোৰ হাত, কান্ধ, তলৰ অংশ আৰু জেপৰ ওপৰতো ৰঙীণ সূতাৰে ভিন্ন আকৃতিৰ জ্যামিতিক আৰ্হিৰ মিহি ফুল তুলি চোলাটো আকৰ্ষণীয় কৰি তোলা হয়।

**০.৭.১.৩ কাষ্ণত লোৱা কাপোৰ :**

নক্টে পুৰুষে কাষ্ণত লোৱা কাপোৰখন বহলে প্ৰায় এবেগেত আৰু দীঘলে ছয়তমান জোখৰ। অসমীয়া চেলেং চাদৰ সদৃশ এই কাপোৰখনৰ বৰণ সাধাৰণতে বগা বঙৰ হয়। এইখন পৰিধান কৰোঁতে নক্টে পুৰুষে সোঁফালৰ পৰা বাঁওফালে কঁকালত পৰাকৈ ওলমাই পৰিধান কৰে। সমগ্ৰ কাপোৰখনত জ্যামিতিক আৰ্হিৰ ফুল তোলা থাকে।

**০.৭.১.৪ চামটং বা খট্‌টং (নক্টে মোনা) :**

নক্টে পুৰুষে পৰম্পৰাগত সাজৰ লগত এটি মোনা ওলমাই লয়। এই মোনাটোক নক্টে ভাষাত চামটং বা খট্‌টং কোৱা হয়। ক'লা আৰু বগা বঙৰ সূতাৰে বোৱা মোনাটোত ভিন্ন বঙী সূতা ব্যৱহাৰ কৰি বাঠি আৰ্হিৰ ফুল বাচি লয়।

**০.৭.১.৫ নগাচাল :**

অন্যান্য নগা জনগোষ্ঠীৰ দৰে নক্টেসকলেও ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ এখন চাদৰ গাত চতিয়াই লয়। এই কাপোৰখনক নগাচাল বুলি কোৱা হয়। বগা আৰু ক'লা বঙৰ উণ সূতা ব্যৱহাৰ কৰি যথেষ্ট ডাঠকৈ নগাচাল বৈ উলিওৱা হয়। নগাচালতো জ্যামিতিক আৰ্হিৰ ফুল বচা থাকে।

**০.৭.২ নক্টে মহিলাৰ সাজপাৰ :**

বোৱা-কটাত পাকৈত নক্টে মহিলাসকলৰ সাজপাৰতো স্বকীয় পৰম্পৰাৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। নক্টে মহিলাই সাধাৰণতে মেখেলা, চোলা আৰু এখন চাদৰ সদৃশ কাপোৰ পৰিধান কৰে।

**০.৭.২.১ টক্‌খাট বা কাঠথক (মেখেলা) :**

নক্টে মহিলাই পৰিধান কৰা মেখেলাখনৰ নাম টক্‌খাট বা কাঠথক। টক্‌খাট বা কাঠথক নক্টে মহিলাই কঁকালৰ পৰা ভৰিৰ পানী গাঁঠিত পৰাকৈ পৰিধান কৰে। অৱশ্যে পূৰ্বতে নক্টে মহিলাসকলে আঁঠুলৈকেহে মেখেলা পৰিধান কৰিছিল। সেয়েহে এতিয়া কিছুমানে নৃত্য কৰোঁতে মেখেলাখন আঁঠুলৈকে পিন্ধা দেখা যায়। তেওঁলোকে ক'লা আৰু এড়ী মুগা সূতাৰে বৈ লোৱা মেখেলাখন নিসীয়াকৈ পিন্ধে। মেখেলাখনত বগা বঙৰ সূতা ব্যৱহাৰ কৰি পথালিকৈ জ্যামিতিক আৰ্হিৰ ফুল বাছি লয়। বৰ্তমান এড়ী, মুগা সূতাৰ সলনি বজাৰত পোৱা ভিন্নপুৰীয়া, মিহি উণ, বঙীন কপাহী সূতা আদিৰেও টক্‌খাট বোৱা দেখা যায়।

**০.৭.২.২ খাট্‌ৱাক বা চক্‌ৰি (চাদৰ) :**

নক্টে মহিলাই গাত লোৱা চাদৰখনৰ নাম খাট্‌ৱাক বা চক্‌ৰি। পূৰ্বতে এড়ী, মুগা সূতাৰে খাট্‌ৱাক প্ৰস্তুত কৰা হৈছিল যদিও বৰ্তমান এনে সূতা সহজলভ্য নোহোৱাৰ বাবে আৰু মূল্য বেছি হোৱাৰ বাবে মাথন বঙী কপাহী সূতাৰেও বৈ লোৱা দেখা যায়। এই কাপোৰখনতো বগা বঙৰ সূতাৰে মেখেলাৰ নিচিনাকৈয়ে পথালিকৈ জ্যামিতিক আৰ্হিৰ ফুল তোলে। ইয়াৰ জোখ সাধাৰণতে দীঘলে পাঁচ ফুট আৰু বহলে ডেৰ ফুট। নক্টে মহিলাই চোলাৰ ওপৰত বুকুত চতিয়াই চাদৰ পৰিধান কৰে।

**০.৭.২.৩ চামচং (বগা টপ) :**

এটা সময়ত নক্টে মহিলাসকলৰ উৰ্দ্ধাংশ অনাবৃত হৈ আছিল যদিও বৰ্তমান এটি চোলা বা ব্লাউজ পৰিধান কৰে। বগা বঙৰ এই টপটোক তেওঁলোকে চামচং বুলি কয়। আগতে এই বস্ত্ৰবিধ তেওঁলোকে ঘৰতে বৈ লৈছিল যদিও বৰ্তমান বজাৰৰ পৰা কিনি আনিও পৰিধান কৰে।

### ০.৭.৩ সাজপাৰ প্ৰস্তুত প্ৰণালী ঃ

নক্টে জনগোষ্ঠীৰ বোৱা-কটা শিল্পৰ লগত প্ৰধানকৈ মহিলাসকল জড়িত। প্ৰত্যেকগৰাকী নক্টে মহিলা পাকৈত শিপিনী। পুৰুষ-মহিলা উভয়ে পৰিধান কৰা সাজ, কান্ধত লোৱা কাপোৰ, জাৰকালি গাত লোৱা কাপোৰ আদি নক্টে মহিলাই পৰম্পৰাগতভাৱে বৈ কাটি প্ৰস্তুত কৰি লোৱা পৰম্পৰা আজিও অব্যাহত আছে। নক্টেসকলৰ তাঁতশালখনৰ নাম 'ল'য়েন লোম'। এই তাঁতশালখন কঁকালত বান্ধি লোৱা তাঁতশাল। নক্টে মহিলাই তাঁত ববলৈ হ'লে কঁকালত চামৰাৰ বছী লগাই ব'বলৈ লোৱা কাপোৰখনৰ এটা মূৰ নিজৰ কঁকালত বান্ধে আৰু আনটো মূৰ সন্মুখৰ বেৰত নাইবা খুটাত বান্ধি লয়। এনেদৰে বোৱা কাপোৰখন প্ৰায় এহাতমান বহল হয়। বৰ্তমান সময়ত পৰম্পৰাগত শালৰ বাহিৰেও মাটি শালতো কাপোৰ বোৱা দেখিবলৈ পোৱা গৈছে। কাপোৰ বওঁতে প্ৰয়োজন হোৱা সূতা নক্টে শিপিনীসকলে আগতে নিজেই কাটি লৈছিল। কিন্তু আজিকালি বজাৰৰ পৰা ক্ৰয় কৰা সূতাৰেও প্ৰয়োজনীয় কাপোৰ বৈ লয়।

### ০.৭.৪ সাজপাৰৰ পৰিৱৰ্তন ঃ

সংস্কৃতি সদায় গতিশীল আৰু পৰিৱৰ্তনশীল। সময়ৰ লগে লগে পৃথিৱীৰ সমগ্ৰ মানৱ জাতিৰ জীৱন প্ৰবাহত ব্যাপক পৰিৱৰ্তন লক্ষ্য কৰা যায়। নক্টেসকলৰ সমাজ-সংস্কৃতিতো এই পৰিৱৰ্তনশীলতাৰ প্ৰভাৱ পৰিলক্ষিত হয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰে কঢ়িয়াই অনা আধুনিকতাৰ বতাহে নক্টে জনগোষ্ঠীৰ সাজপাৰকো চুই গৈছে। নক্টেসকলে সামাজিক জীৱনৰ বিভিন্ন সময়ত পালন কৰা উৎসৱ-অনুষ্ঠানসমূহত জাতীয় সাজপাৰ আজিও পৰিধান কৰি আহিছে। ইয়াৰ সমান্তৰালভাৱে কৰ্মব্যস্ত দৈনন্দিন জীৱনত বৰ্তমান সময়ৰ লগত খাপ খোৱাই অন্যান্য সাজপাৰো পৰিধান কৰিবলৈ আৰম্ভ কৰিছে।

শিক্ষা তথা বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰৰ লগতে, নক্টে লোকসকলৰ ৰুচিবোধৰ পৰিৱৰ্তন, কৰ্মব্যস্ত জীৱন পদ্ধতি, আধুনিকতাৰ প্ৰভাৱ, বিভিন্ন জনগোষ্ঠীৰ মাজত ঘটা সমন্বয় ইত্যাদি কাৰকসমূহে নক্টে জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰ তথা বয়নশৈলীলৈ পৰিৱৰ্তন কঢ়িয়াই আনিছে। এটা সময়ত নক্টে মহিলাসকলে এড়ী, মূগা, কপাহী সূতা নিজেই কষ্ট কৰি কাটি, সেই সূতাৰে তাঁতশালত বৈ কাপোৰ পিন্ধিছিল। কিন্তু বৰ্তমান বজাৰত পোৱা ভিন্নৰঙী বিভিন্ন ধৰণৰ সূতাৰে কাপোৰ ববলৈ আৰম্ভ কৰিছে। তদুপৰি এতিয়া পৰম্পৰাগত সাজপাৰৰ বাহিৰেও বজাৰত সহজলভ্য আধুনিক সাজ-পোচাকো সমানেই পৰিধান কৰিবলৈ লৈছে। নক্টে ডেকাসকলৰ বাবে হাফপেন্ট, জিন্সপেন্ট, চাৰ্ট, জাকেট আদি সাধাৰণ সাজপাৰ হৈ পৰিছে। সেইদৰে নক্টে যুৱতীসকলেও চুৰিদাৰ, স্কাৰ্ট, টপ, ফ্ৰক, জিন্স, লেগিংচ আদি পিন্ধা দেখা যায়। আনহাতে বিবাহিতা মহিলাসকলেও বজাৰত পোৱা নিসীয়া মেখেলা, টপ আদি পিন্ধে। নক্টে মহিলাসকলৰ সাজপাৰত দেখিবলৈ পোৱা এটি লক্ষণীয় দিশ হ'ল অসমৰ নক্টে গাঁৱৰ মহিলাই অসমীয়া মহিলাৰ দৰে মেখেলা চাদৰ আৰু ব্লাউজ পৰিধান কৰাটো। কম-বেছি পৰিমানে নক্টে পুৰুষ-মহিলাই অসমীয়া গামোচা ব্যৱহাৰ কৰাও দেখিবলৈ পোৱা গৈছে।

সাম্প্ৰতিক সময়ত বিশ্বৰ অন্যান্য জনগোষ্ঠীৰ দৰেই নক্টেসকলেও জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ স্বকীয় পৰম্পৰা তথা ঐতিহ্য সংৰক্ষণৰ হেতু আগবাঢ়ি অহাৰ ফলস্বৰূপে তেওঁলোকে নিজস্ব জাতীয় সাজপাৰ আৰু আ-অলংকাৰ পৰিধান কৰি কৃষ্টি-সংস্কৃতি, উৎসৱ-অনুষ্ঠান আদিত উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। লগতে অন্যান্য জাতি-জনগোষ্ঠীৰ লোকেও নক্টেসকলৰ সাজপাৰ পৰিধান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা

পৰিলক্ষিত হয়। সেয়েহে তেওঁলোকৰ জাতীয় সাজপাৰৰ চাহিদা বৰ্তমান যথেষ্ট বৃদ্ধি পাইছে। সেয়েহে মেখেলা, মোনা, চাল, জাকেট, চাদৰ আদিয়ে এখন বজাৰো দখল কৰিবলৈ সক্ষম হৈছে।

**০.৮ উপসংহাৰ ঃ**

'নক্টেসকলৰ সাজপাৰ ঃ এটি অধ্যয়ন' শীৰ্ষক আলোচনা পত্ৰৰ জৰিয়তে কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰি। সেইকেইটা হ'ল-

১) বয়নশিল্পৰ ঐতিহ্যই এটা জাতিৰ স্বকীয় পৰম্পৰাৰ চানেকি বহন কৰে। নক্টেসকলৰ সাজপাৰৰ মাজেদিও জাতিটোৰ নিজা সাংস্কৃতিক বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছে।

২) নক্টেসকলৰ বয়নশিল্পৰ লগত প্ৰধানকৈ মহিলাসকল জড়িত। তেওঁলোকে পৰম্পৰাগত সাজপাৰ নিজেই তাঁতশালত বৈ কাটি লয়।

৩) নক্টেসকলে পৰিধান কৰা সাজপাৰত সম্প্ৰতি পৰিৱৰ্তনো দেখিবলৈ পোৱা যায়। গোলকীকৰণ আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশেই ইয়াৰ অন্যতম কাৰণ।

৪) বয়নশিল্পৰ ক্ষেত্ৰতো পৰিৱৰ্তন পৰিলক্ষিত হয়। এড়ী, মুগা আদি সূতা সহজলভ্য নোহোৱাৰ বাবে বজাৰত পোৱা বিভিন্ন ধৰণৰ সূতা ব্যৱহাৰ কৰি বৰ্তমান তাঁত ববলৈ আৰম্ভ কৰিছে। সেইদৰে কঁকালত বান্ধি বোৱা তাঁতশালৰ বাহিৰেও বৰ্তমান মাটি শালো ব্যৱহাৰ কৰিবলৈ লৈছে।

৫) বিভিন্ন ৰঙৰ ব্যৱহাৰ নক্টে বয়নশিল্পৰ এটি মনকৰিবলগীয়া দিশ।

৬) নক্টেসকলৰ সাজপাৰে সম্প্ৰতি এখন বজাৰো দখল কৰিবলৈ সক্ষম হৈছে।

মুঠতে নক্টেসকলৰ সাজপাৰ তেওঁলোকৰ সংস্কৃতিৰ এবিধ অমূল্য সম্পদ। সাম্প্ৰতিক সময়ত যিহেতু নক্টে সাজপাৰে অন্যান্য লোককো আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে, সেয়েহে বাণিজ্যিক দিশত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিলে তেওঁলোকৰ বয়নশিল্পই জাতিটোক অৰ্থনৈতিকভৱে স্বাৱলম্বী কৰাত কিঞ্চিৎ হ'লেও বৰঙণি যোগাব বুলি আশা কৰিব পাৰি।

**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

১) গগৈ, লোকেশ্বৰ ঃ অসমৰ লোকসংস্কৃতি
প্ৰকাশক ঃ কান্তিকাল প্ৰকাশ, এম.জি.কে., নগাঁও
প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৯

২) গগৈ, লোকেশ্বৰ ঃ অসমৰ লোকসংস্কৃতি (২)
প্ৰকাশক ঃ কান্তিকাল প্ৰকাশ, এম.জি.কে., নগাঁও
প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০১১

৩) গোহাঁই, পেইম থি ঃ জনজাতি সৌৰভ (স্মাৰক গ্ৰন্থ)
প্ৰকাশক ঃ জনজাতি গৱেষণা বিভাগ
সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ
প্ৰথম প্ৰকাশ, ২০০৯

| | | |
|---|---|---|
| ৪) ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ | ঃ | অসমৰ জনজাতি<br>প্ৰকাশক ঃ কিৰণ প্ৰকাশন, ধেমাজি<br>তৃতীয় সংস্কৰণ, ২০০৮ |
| ৫) বাজখোৱা, অজন্তা (সম্পা.) | ঃ | উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ<br>প্ৰকাশক ঃ বনফুল প্ৰকাশন, গুৱাহাটী-৩৮<br>প্ৰথম প্ৰকাশ, ২০১৩ |
| ৬) শৰ্মা, নবীনচন্দ্ৰ | ঃ | অসমীয়া লোকসংস্কৃতিৰ আভাস<br>প্ৰকাশক ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড<br>পাণবজাৰ, গুৱাহাটী<br>চতুৰ্থ প্ৰকাশ, ২০১০ |
| ৭) " " | ঃ | ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি<br>প্ৰকাশক ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, প্ৰথম প্ৰকাশ, ২০০০ |


**ইংৰাজী গ্ৰন্থ ঃ**


| | | |
|---|---|---|
| 1. Chowdhury, J.N. | : | Arunachal Panorama<br>Directorate of Research, Arunachal Pradesh, Shillong<br>Reprint, 1982 |
| 2. Dorson, Rechard M | : | Folklore and Folklife : An Introduction<br>The University of Chicago Press, Chicago and London, 1972 |
| 3. Dutta, Parul | : | The Noctes<br>Director of Research, Shillong<br>1st Published, 1978 |
| 4. Singh, K.H. (Gen. Editor) | : | People of India Arunachal Pradesh<br>Vol. XIV Anthropological Survey of India (ASI)<br>Seagull Books, Calcutta-1995 |
| 5. " " | : | People of India Assam<br>Vol. XV (part Two)<br>Anthropological Survey of India (ASI) |
| 6. Srivastava, L.R.N. | : | Among the Wanchos<br>Published by the Director of Information and Public Relations<br>Arunachal Pradesh, Shillong, 1973 |


**তথ্য দাতাৰ ঠিকনা ঃ**

| ক্ৰমিক নং | নাম | বয়স | ঠিকনা |
|---|---|---|---|
| ১ | নন্দেশ্বৰ নক্টে | ৭০ | শিলনী নগা গাঁও, বৰহাট, জিলা-চৰাইদেউ |
| ২ | জ্যোতি নক্টে | ২৪ | দিহিং কিনাৰ নক্টে গাঁও, নাহৰকটীয়া, জিলা-ডিব্ৰুগড় |
| ৩ | থানেশ্বৰী নক্টে | ৪২ | দিহিং কিনাৰ নক্টে গাঁও, নাহৰকটীয়া, জিলা-ডিব্ৰুগড় |
| ৪ | যমুনা নক্টে | ৬১ | নামৰূপ পানীদুৱৰীয়া গাঁও, নামৰূপ, জিলা-ডিব্ৰুগড় |

# প্ৰজ্ঞা Pragya

*A Volume of Peer Reviewed Bilingual Research Based Articles*



Publication Cell

NALBARI COMMERCE COLLEGE

Editor

Dr. Ruplekha Thakuria Bania

***PRAGYA*** : A volume of peer reviewed bilingual research based articles written by academicians, teachers and research scholars and published by Publication Cell of Nalbari Commerce College, Nalbari.

## EDITORIAL BOARD

Advisor : Dr. Atul Ch. Haloi, Principal
Editor : Dr. Ruplekha Thakuria Bania
Members : Dr. Ashok Kumar Sarma
Dr. Kanak Ch. Barman
Dr. Nupur Kalita
Mr. Bibhuti Bhusan Das
Mrs. Anamika Barman
Mr. Mrigen Barman

**Members of Review Committee**

Dr. Bimal Kumar Majumdar
Professor, Department of Assamese, Gauhati University
Dr. Khanindra Misra Bhagawati
Principal, DHSK Commerce College, Dibrugarh
Dr. Birendra Nath Deka
Retired Principal, Nirmal Haloi College, Barpeta
Prof. Kaushik Bhattacharjya
Assistant Professor, Dhamdhama Anchalik College, Dhamdhama

Published by : Publication Cell, Nalbari Commerce College, Nalbari
ISBN : 978-81-922971-4-9
Published in : 20th December, 2019
Printed at : New Digital Computer, College Road, Nalbari
Price : 300.00

Disclaimer: The views expressed in the articles included in this volume are not the expression of the publisher or of the Editor but of the writers own. The writers are responsible for their views, content, authenticity and originality of the articles.

➤ ৰাম গগৈৰ 'নদী' কবিতা ঃ এক চমু আলোচনা
-পৰমেশ্বৰী দাস/১২৫
➤ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাটক ঃ এক বিশ্লেষণ
-মৃগেন বৰ্মন/১৩৩
➤ Juvenile Delinquency in India : A Sociological Analysis
- *Anamika Barman*/১৪৭
➤ Diasporic Consciousness: A reading of Rohinton Mistry's *Swimming Lessons* and Uma Parameswaran's *The Door is Shut behind Me*
- *Arup Sarma*/১৬৫
➤ Poverty and Under-5 Mortality: An Empirical Study on Bigger Indian States
- *Bibhuti Bhusan Das*/১৭৭
➤ Old Age Homes : blessings or curse?
- *Chinkumoni Adhikary*/১৯৬
➤ Social Security Status in India
- *Dr. Dilip Bania*/২০৬
➤ The other Woman : Representation of Stepmothers in Fairy Tales
- *Gargee Gautam*/২২৮
➤ Parents' Attitude Towards Gender Equality (A case study in Pub-Nalbari Area in Nalbari District)
- *Gitumoni Baishya*/২৪২
➤ Welfare Measure of Labour
- *Jupitara Dutta*/২৫১
➤ Impact of Globalization on Women Empowerment in Developing Countries
- *Madhurima Choudhury*/২৫৯

# SOCIAL SECURITY STATUS IN INDIA

*Dr. Dilip Bania*
Assistant Professor, Department of Accountancy
Naharkatiya College, Dibrugarh, Assam

**Introduction:**

A Social Security System (SSS) is one whereby the state provides various benefits to those who are unable to provide the same for themselves. Such a system is generally meant to serve the socially deprived conditions, such as poverty, old age, disability, and unemployment, etc. The most important forms of social security system are retired-worker benefits, and dependents' benefits. Therefore, SSS is a means of living independently during the old age and supporting the dependents in the family. Individuals while working are expected to set aside a part of their income as long term savings to take care of their needs in post-retirement years. Apart from the increased cost of living, the steeply rising cost of medical treatments in recent times and the need for personalized services in the old age, there are always apprehensions that the savings made during the working life will be inadequate unless some



institutional arrangements are in place.

Social security is of two types

1. Social assistance : A method to provide benefits to persons usually for the vulnerable groups of community ( Children, mothers, disabled, old age people etc.) from general revenues of the state, it is non-contributory.
2. Social insurance: A method to provide benefits to person through contributions of beneficiaries with contribution/ subsidies from employer and state.

The term social security came into general use only after 1935 when United States passed the social security Act. Then the issue occupied important place in the Atlantic Charter of 1941. The concept of social security has since spread rapidly and it has now been widely accepted through the world.

Social security is a programme of protection provided by society against, the contingencies of human life such as sickness, unemployment, old age, dependency, industrial accident and invalidism which the individual cannot be expected to protect him and his family by his own ability.[1]

According to the ILO (2000), social security is the protection which society provides for its members through a series of public measures:

To compensate for the absence or substantial reduction of income from work resulting from various contingencies (notably sickness, maternity, employment injury, unemployment, invalidity, old age and death of the breadwinner),

To provide people with healthcare

To provide benefits for families with children.

**Social security in developing countries**

Social security is the protection that a society provides to individuals and households to ensure access to health care and to guarantee

income security, particularly in cases of old age, unemployment, sickness, invalidity, work injury, maternity or loss of a breadwinner.[2] Social security has a powerful impact at all levels of society. It provides workers and their families with access to health care and with protection against loss of income. It provides older people with income security in their retirement years.

In sub-Saharan Africa and south Asia, more than 90% of workers are not covered by social security, while internationally only 20% of people are adequately covered by social security.[3] There is a large discrepancy in levels of cover in Latin America, ranging from 10% to 80% of workers. This is in contrast to the situation in developed countries, where, until fairly recently, with the exception of some East European countries, almost all workers have access to social security.[4] This trend of almost complete cover has been decreasing in recent years with the influence of informalisation and increasing flexibility of labour markets, which leaves workers outside of social security systems.[5]

Many of the newly independent countries in Africa had extensive social security systems in place after independence which provided free or heavily subsidised healthcare.[6]

However, as a result of the economic effects of the international economic crisis of the 1970s and the impact of structural adjustment programmes, countries have reduced their social spending, which has led to the demise of many of the social protection programmes, as well as a reduction in the state's capacity to implement the remaining programmes.[7] Reform processes often are introduced to protect the interests of the incumbents of power. Similarly to the motivation that convinced Bismarck to introduce state controlled health insurance in Germany,[8] argues that some social protection programmes in developing countries undergoing structural



adjustment were introduced to reduce the sway of opposition political parties who were resisting the adoption of social adjustment. Developing countries found themselves besieged by contrasting demands by foreign donors. Donors both provided financing for social programmes to reduce the impact of structural adjustment programmes, and also supported the systematic reduction of the size and role of the state and hence its capacity to deliver.[9]

According to a 2000 WHO report,[10] in 1997 thecountry wise health care expenses of its GDP are estimated as follows:

Table No. 1

*Percentage of healthcare expenses out of GDP*

| Name of the country | % of healthcare expenses |
|---|---|
| Indonesia | 1.7 |
| Thailand | 5.7 |
| India | 5.2 |
| Vietnam | 4.8 |
| Philippines | 3.4 |
| Malaysia | 2.4 |
| Belgium | 8.0 |
| Canada | 8.6 |
| France | 9.8 |
| Garman | 10.5 |
| Sweden | 9.2 |
| UK | 5.8 |
| USA | 134.7 |

World Health Report (2000); WHO

It is also important to interrogate the distribution of a country's health spending. According to the World Development Report 2004 (p. 3), the bulk of public health spending is generally enjoyed by the 'non-poor'.

In considering the ability of countries to expand social security coverage it is important to distinguish between middle income and poor countries in the developing world given the varying abilities of the state to raise revenue required for state support for social security programmes.[11]

By 1993, almost all sub-Saharan Africa countries had introduced some form of cost-recovery system for healthcare provision, to the extent that this is now accepted uncritically as the legitimate way of financing healthcare[12], even though these systems present an often insurmountable obstacle to the poor in accessing healthcare.[13] Few of these countries have developed goals of universal comprehensive protection even subject to progressive realisation within available resources.

A rapid increase in urbanisation in developing countries has led to a diminution in the role of traditional community based or family based safety nets that provided various forms of security in the past.[14] Growing poverty in Africa, exacerbated by the effect in part of the reduction in the real terms of trade between countries in the South and the North,[15] has led to the rise of informal economies, with workers forging livelihoods for survival in an environment that is usually beyond the ambit of state regulation and protection.

Bloom argues that policy makers should ensure that new policies do not push out existing systems that work. It is important, however, to interrogate whether existing systems that have been established, for instance in the face of state absence, are beneficial or purely survivalist responses. If the latter, the question may be



*how* to improve and develop what has been developed by people through increased financing and resources.[16]

Poverty denies people free choices, including whether to choose traditional healing or hospital based healthcare; preventative or remedial.[17] The articulation of preferred choices by the poor is essential to the development of strong, appropriate and accountable institutions.[18]

It is also important to consider *how* public funds are spent, including both the question of whether funds favour preventative or curative responses to healthcare, and whether state policies favour supply-side or demand-side financing. Many argue that the latter, through for instance cash transfers, empowers poor people by enabling them to choose their preferred healthcare provider, and in this way also forces healthcare providers to provide high levels of service through the threat of competition.[19]

**Social security status in India:**

For employers and enterprises, social security helps maintain stable labor relations and a productive workforce.[20] The Indian Constitution adopted in 1951 contains all the ingredients obliging the state to move towards the realization of socio-economic rights under Article 41, 42, 43 & 47.[21] The workforce in India is of two types-organized and unorganized. In India 92.4% is unorganized workforce and 7.6 % is organized workforce. 51.4% of the workforce is in Agriculture.[22]

**Schemes for Organized Sector**

Social security is the protection that a society provides to individuals and households to ensure access to health care and to guarantee income security, particularly in cases of old age,

unemployment, sickness, invalidity, work injury, maternity or loss of a breadwinner. Social security has a powerful impact at all levels of society. It provides workers and their families with access to health care and with protection against loss of income. It provides older people with income security in their retirement years.

India's social security system is composed of a number of schemes and programs spread throughout a variety of laws and regulations. Keeping in mind, however, that the government-controlled social security system in India applies to only a small portion of the population.

Generally, India's social security schemes cover the following types of social insurances:

- Pension
- Health Insurance and Medical Benefit
- Disability Benefit
- Maternity Benefit
- Gratuity

*Pension or Employees' Provident Fund*:

The employees' Provident fund Organisation, under the Ministry of Labor and Employment, ensures superannuation pension and family pension in case of death during service period. Presently only about 35 million out of labor force of 400 million have access to formal social security in form of old-age income protection in India. Out of these 35 million 26 million workers are members of the Employees Provident fund Organisation, which comprises private sector workers, civil servant, military personnel and employees of State Public Sector Undertakings (PSUs).

The scheme under the Employees Provident funds Organisation apply to business with at least 20 employees.



Contributions to the Employees Provident Fund Scheme are obligatory for both the employer and the employee when the employee is earning up to Rs. 15,000 (US$220) per month, and voluntary, when the employee earns more than this amount. If the pay of any employee exceeds this amount the contribution payable by the employer will be limited to the amount payable on the first Rs. 15,000 (US$220) only.

The Employees' Provident Fund Organisation includes three schemes

- The Employees' Provident Fund Scheme 1952,
- The Employees' Pension Scheme 1995, and
- The employees deposit Linked Insurance Scheme 1976

The Employees' Provident Fund (EPF) Scheme is contributed to by the employer (1.67 – 3.67 percent) and the employee (10-12 percent).

The employee Pension Scheme (EPS) is contributed to by the employer (8.33 percent) and the government (1.16 percent) but not the employee.

Finally the Employees' Deposit Linked Insurance (EDLI) Scheme is contributed to by the employer (0.5 percent) only.

Four main types of pension (all monthly) are offered:

- Pension upon superannuation or disability,
- Widows' pension for death while in service,
- Children's pension, and
- Orphan's pension.

In addition, there are separate pension funds for civil servants, workers employed in coal mines and tea plantations in the state of Assam, and for seamen.

*Health Insurance and Medical Benefit*:

India has a national health service, but this does not include

free medical care for the whole population. The Employees' State Insurance )ESI) Act creates a fund to provide medical care to employees and their families as well as cash benefits during sickness and maternity and monthly payments in case of death or disablement for those working in factories and establishments with 10 or more employees.

The Employees' State Insurance (Central) Amendment Rules, 2016 – notified on December 22, 2016 – expanded coverage to include employees earning Rs. 21,000 (US$313.53) or less in a month from January 1, 2017 previously the wage limit for ESI subscribers was Rs.15,000 (US$223.95) per month. Subsequently the Employees' State Insurance (Central) Amendment Rules, 2017 was notified on January 20, detailing new maternity benefits for women who have insurance.

Sickness benefit under ESI coverage is 70% of the average daily wage and is payable for 91 days during two consecutive benefit periods.

*Disability Benefit*:

The employees' Compensation Act, 1923, formerly known as the Workmen's Compensation Act, 1023, requires the employer to pay compensation to employees or their families in case of employment related injuries that result in death or disability.

In addition, workers employed in certain types of occupations are exposed to the risk of contracting certain diseases, which are peculiar and inherent to those occupations. A worker contracting an occupational disease is deemed to have suffered an accident out of and in the course of employment and the employer liable to pay compensation for the same injuries resulting in permanent total and partial disablement are listed in parts I and II of Schedule I of the Employee's Compensation Act, while occupational diseases have been defined in parts A, B and C of Schedule III of the



Employee's Compensation Act.

Compensation calculation depends on the situation of occupational disability

(a) Death: 50 percent of the monthly wage multiplied by the relevant factor (age) or an amount of Rs. 80,000 (US$ 1,246.20), whichever is more.

(b) Total permanent disablement: 60 percent of the monthly wage multiplied by the relevant factor (age) or an amount of Rs. 90,000 (US$ 1,401.98), whichever is more.

*Maternity Benefit*:

The Maternity Benefit (Amendment) Act, 2017 came into force on April 1, 2017 and increases some of the key benefits mandated under the previous Maternity Benefit Act of 1961. The amended law provides Women in Organized sector with paid maternity leave of 26 weeks up from 12 weeks for the first two children. For the third child, the maternity leave entitled will be 12 weeks. India now has the third most maternity leave in the world, following Canada (50 weeks) and Norway (44 weeks).

The Act also secures 12 weeks of maternity leave for mothers adopting a child below the age of three months as well as to commissioning mothers (biological mothers) who opt for surrogacy. The 12 week period in these cases will be calculated from the date the child is handed over to the adoptive or commissioning mother.

In other provisions, the law mandates that every establishment with over 50 employees must provide crèche facilities within easy distance which the mother can visit up to four times a day. For compliance purposes, companies should note that this particular provision will come into effect from July 1, 2017.

The Maternity Benefit (Amendment) Act introduces the

option for women to negotiate work-from-home, if they reach an understanding with their employers after the maternity leave ends. Under the pre-existing Maternity Benefit Act of 1961, every woman is entitled to and her employer is liable for the payment of maternity benefit at the rate of the average daily wage for the period of the employee's actual absence from work. Apart from 12 weeks of salary, a female worker is entitled to a medical bonus of Rs. 3,500 (US$ 54.45).

The 1961 Act states that in the event of miscarriage or medical termination pregnancy, the employee is entitled to six weeks of paid maternity leave. Employees are also entitled to an additional month of paid leave in case of complications arising due to pregnancy, delivery, premature birth, miscarriage, medical termination or a tubectomy operation (two weeks in this case).

In addition to the above, the 1961 Act states that no company shall compel its female employees to do tasks of a laborious nature or tasks that involve long hours of standing or which in any way are likely to interfere with her pregnancy or the normal development of the fetus, or are likely to cause her miscarriage or otherwise adversely affect her.[23]

*Gratuity:*

The payment of Gratuity Act, 1972 directs establishment with ten or more employees to provide the payment of 15 days of additional wages for each year of service to employees who have worked at a company for five years or more.

Gratuity is provided as a lump sum payout by a company in the event of the death or disablement of the employee, the gratuity must still be paid to the nominee or the heir of the employee.

The employer can, however, reject the payment of gratuity to an employee if the individual has been terminated from the job



due to any misconduct in such a case of forfeiture, there must be a termination order containing the charges and the misconduct of the employee.

Gratuity is calculated through the formula mentioned below-

Gratuity= Last Drawn salary x 15/26 x Years of Service,

where

- The ratio 15/26 represents 15 days out of 26 working days in a month.
- Last Drawn Salary= Basic salary+ Dearness allowance
- Years of Service are rounded up or down to the nearest full year. For example, if the employee has a total service of 10 years 10 months and 25 days, 11 years will be factored into the calculation.

Gratuity is exempted from taxation provided that the amount does not exceed 15 days salary for every completed year of service calculated on the last drawn salary (subject to a maximum of Rs. 10 lakh or US$ 15,467.62). It is important to note that an employer can choose to pay more gratuities to an employee, which is known as ex-gratia and is a voluntary contribution. Ex-gratia is subject to tax.

**Schemes for Unorganized Sector**

*Minimum Wages Act, 1948:*

The Central Government has fixed the National Floor Level Minimum Wages from Rs.115/- to Rs.137/- per day w.e.f. 01.07.2013.

*Labour Welfare Funds:*

The Ministry of Labor & Employment is administering five Welfare Funds for beedi, cine and certain categories of non-coal mine

workers. The Funds have been set up under the following Acts of Parliament for the welfare of these workers:[24]

1. The Mica Mines Labour Welfare Fund Act, 1946;
2. The Limestone and Dolomite Mines Labour Welfare Fund Act, 1972;
3. The Iron Ore, Manganese Ore and Chrome Ore Mines Labour Welfare Fund Act, 1976;
4. The Beedi Workers' Welfare Fund Act, 1976;
5. The Cine Workers' Welfare Fund Act, 1981.

From these funds a 15 bedded Hospital for Beedi Workers at Yadgiri (Karnataka) has been constructed on 10.07.2012. and another 15 bedded Hospitals for Beedi workers at Sircilla, Karim Nagar District, Hyderabad on 15.09.2012.

*The Unorganized Workers Social Security Act, 2008*:

Ministry of Labor & Employment has enacted the Unorganized Workers' Social Security

Act, 2008. The Act has come intoforce with effect from 16.05.2009. National Social Security Board was constituted on 18.08.2009. Government of India hasapproved a proposal for Convergence of 3 major Social Security Schemes for Unorganized Workers on a single smart cardplatform based on a single unified data base – RSBY, AABY, IGNOAPS for old age protection through a common data baseand single Smart Card valid across India.

*Schemes For The Building And Other Construction Workers*:

The Government has enacted the following two legislations for the construction workers:

1. The Building and Other Construction Workers (Regulation of Employment and Conditions of Service) Act, 1996.
2. The Building and Other Construction Workers' Welfare



Cess, Act, 1996

The Act is applicable to every establishment which employs 10 or more workers in any building or other construction work. Welfare Fund at the State level to be financed by contribution made by beneficiaries, levy of cess on all construction works atrates between 1 to 2% of the construction cost incurred by an employer (the Government has notified the cess @ 1%).

*Schemes For Migrant Workers And The Interstate Migrant Workmen*:

The Inter-State Migrant Workmen (Regulation of Employment and Conditions of Service) Act, 1979 was enacted to protect therights and safeguard the interests, of migrant workers.

*Legal Protection Of Children At Work*:

National Child Labor Project Scheme (NCLPs) initiated in 1988 to rehabilitate working children in labor endemic districts ofthe country. Under the NCLP Scheme, children are withdrawn from work and put into Special Training Centers, where they areprovided with bridge education, vocational training, mid-day meal, stipend, health-care facilities etc. and finally mainstreamedto the formal education system.

*National Social Assistance Program*:

Presently there are 5 schemes under this program. i) Indira Gandhi National Old Age Pension Scheme (IGNOAPS): BPLpersons aged 60 years or above are entitled to a monthly pension of Rs. 200/- up to 79 years of age and Rs.500/- thereafter. ii)Indira Gandhi National Widow Pension Scheme (IGNWPS): BPL widows aged 40-59 years are entitled to a monthly pensionof Rs. 200/-. iii) Indira Gandhi National Disability Pension Scheme (IGNDPS): BPL persons aged 18-59 years with severe and multiple disabilities are entitled to a monthly pension of Rs. 200/-. iv) National

Family Benefit Scheme (NFBS): BPLhousehold is entitled to lump sum amount of money on the death of primary breadwinner aged between 18 - 64 years. Theamount of assistance is Rs. 10,000/-
.v) Annapurna scheme: Under the scheme, 10 kg of food grains per month are providedfree of cost to those senior citizens who, though eligible, have remained uncovered under IGNOAPS.[25]

*Atal Pension Yojana:*

Previously this scheme was run under the name ofNational pension scheme – swavalamban (NPS-S). Atal Pension Yojana is agovernment backed pension scheme in India targeted at the unorganised sector launched on 9 May 2015 in Kolkata. Dependingon the contribution made by a person in the age between 18 – 40 yrs , at the age of 60 a sum of Rs.1,000, Rs. 2,000, Rs.3,000,Rs.4,000, or Rs. 5,000 will be paid monthly. Central govt. contributes 50% of the amount contributed by the employee or Rs1000/- whichever is less. This scheme will be linked to the bank accounts opened under the Pradhan Mantri Jan Dhan Yojanascheme and the contributions will be deducted automatically.[26]

*Indira Gandhi MatritavaSahyog Yojana (Igmsy):*

This was approved on 8/11/2010 on pilot basis in 52 districts. This is a Centrally Sponsored Scheme under which full grant-in-aidwould be provided to State Government (SGs)/Union Territories (UTs). Under this Cash incentive of Rs. 4000 will be provided directly to women 19 years and above for the first two live births subject to the woman fulfilling specific conditionsrelating to maternal child health and nutrition.[27]

*RashtriyaSwasthyaBima Yojana – RSBY:*

Initially this scheme was applicable to BPL Families but now Bidi workers, Construction workers, Railway porters & vendors,MNREGA workers, Domestic workers, Street vendors have also been covered under this scheme. Rs30/- as registration fee ispaid by beneficiaries at the time of enrolment and also at the time of renewal. Key features of this scheme are Sum insured of Rs 30,000 per BPL family on a family floater basis, Coverage of 5 members of a family, No age limit, Transport allowance @Rs.100 per visit up to maximum of Rs 1000.[28]

**LICI's Micro Insurance Policies**

LIC's first MI policy in individual category 'Jeevan Madhur' was launched in September, 2006 byDr. A.P.J. Abdhul Kalam to mark the fiftieth anniversary of LIC for economically under-privileged segments of society.LIC was conferred **"Skochchallenger Award 2008"** for financial inclusion in insurance sector through Jeevan Madhur initiatives.

LIC is using MIAS (micro insurance Agency software) to communicate with its MI intermediaries. The software will enable the micro insurance intermediaries to completely manage their insurance portfolio and provide them with reporting capabilities. It will facilitate information exchange with LIC's systems and be a desktop-based full -fledged application with local repositories of information pertaining to the agents.

Table-2

LIC's Micro Insurance Policies

| Name of Product | Date of Launch |
|---|---|
| Jeevan Madhur* | 28th Sep,'06 |
| Jeevan Mangal* | 3rd Sep, '09 |
| Jeevan Deep * | 27th Aug,'12 |
| New Jeevan Mangal** | January 2014 |
| Bhagya Lakshmi** | December 2014 |

Source: IRDA report 2015-16

* These 3 policies were closed by LIC on December 2013 and introduced a policy.

** Existing policies at present under Micro insurance plan

**AamAadmiBima Yojana:**

This plan was approved by the Ministry of Finance of India and merged with AamAadmiBima Yojana and JanashreeBima Yojana.

The features and benefits of this plan are as follows:

1. The minimum entry age is 18 years and the maximum is 59 years.
2. The minimum premium amount is Rs.200 per month.
3. Sum assured is paid if the member dies during the policy term.
4. A free add-on benefit, Scholarship benefit is provided to 2 children studying between 9th and 12th Standard. Rs.100 is paid every month per child, which is paid on a half-yearly basis.
5. Benefit will be provided for total or partial disability caused due to accident to the members of the plan.

**Conclusion**

Social security is a dynamic concept that aims at upholding human dignity through participatory approach and collective social action in the event of economic distress and physical suffering arising from death, disease and disablement. The system is based on the principle of pooling smaller resources for larger individual and collective social gains. Thus, while taking care of the welfare of individuals, the social security systems protect and preserve the social usefulness of productive manpower – a pre requisite for achieving higher or better



levels of productivity. Social security measures have two-fold significance for a developing country like India. They constitute an important step towards the goal of a welfare state, by improving the living and working conditions of people against the uncertainties of the future. Social security is, therefore, not a liability, but a wise investment, which yields good dividends in the long run.

References:

1. ATIM, Chris. (1998) The contribution of mutual health organisations to financing, delivery and access to healthcare: Synthesis of Research in nine West and Central African Countries. STEP/ILO. P. 1
2. Bamako (2000), Innovations in Microfinance: Insurance as a Microfinance Product, 2001. Page 1.
3. BLOOM, Gerald. (February 2005) Health and Social Protection: meeting the needs of the very poor. P.11 www.sed.manchester.ac.uk/idpm/reserach.events/february2005/protection-papers
4. ESTIVILL, Jordi, (2003) Concepts and strategies for combating social exclusion: An overview. Geneva. p.7 www.ilo.org/public/english/protection/socsec/step/
5. HICKEY, Sam. (2005) Thinking about the politics of social protection in Africa: Towards a conceptual and theoretical approach. Institute for Development Policy and Management, University of Manchester.p.9 www.sed.manchester.ac.uk/idpm/research/events/february2005/documents/Hickey.pdf
6. ILO. (2002) A case Study of Lalitpur Medical Insurance Scheme (LMIS), Nepal. Working Paper. Geneva.p.7. Retrieved from www.ilo.org/public/english/protection/socsec/download/714p1.pdf

7. REYNAUD, Emmanuel, (2002), The extension of social security coverage: The approach of the International Labour Office. ESS Paper no. 3. Geneva.p.3 www.ilo.org/public/english/protection/socsec/download/esspaper3.pdf
8. SABATES-WHEELER, Rachel and KABEER, Naila. (2003) Gender equality and the extension of social protection. ESS Paper no 16. Geneva.p.5 www.ilo.org/public/english/protection/socsec/download/esspaper16.pdf
9. STEINWACHS, Luise. (2002) Extending health protection in Tanzania Networking between health financing mechanisms. ESS paper no. 7. ILO. Geneva. p.15 www.ilo.org/public/english/protection/socsec/download/esspaper7.pdf
10. WHO. World Health Report. (2000) *Health Systems: Improving Performance*. WHO. Geneva, pp. 192-195 available at www.who.int/whr/2000/en/
11. World Development Report. (2004) *Making services work for poor people*. World Bank.p.

***End Note***

[1]Watkison 1949

[2] Bamako 2000, *Innovations in Microfinance: Insurance as a Microfinance Product*, 2001. p.1

[3]Van Guinneke, (2003), p.7

[4]Sabates-Wheeler, Rachel and Kabeer, Naila. (2003) *Gender equality and the extension of social protection.* ESS Paper no 16. Geneva.p.5 www.ilo.org/public/english/protection/socsec/download/esspaper16.pdf

[5]Ibid.

[6]ATIM, Chris. (1998) *The contribution of mutual health*



*organisations to financing, delivery and access to healthcare: Synthesis of Research in nine West and Central African Countries*. STEP/ILO. P. 1

[7]STEINWACHS, Luise. (2002) *Extending health protection in Tanzania Networking between health financing mechanisms.* ESS paper no. 7. ILO. Geneva. p.15 www.ilo.org/public/english/protection/socsec/download/esspaper7.pdf

[8]HICKEY, Sam. (2005) *Thinking about the politics of social protection in Africa: Towards a conceptual and theoretical approach*. Institute for Development Policy and Management, University ofManchester.p.9 www.sed.manchester.ac.uk/idpm/research/events/february2005/documents/Hickey.pdf

[9]Ibid. p.28

[10]WHO. World Health Report. (2000) *Health Systems: Improving Performance*. WHO. Geneva, pp. 192-195 www.who.int/whr/2000/en/

[11]REYNAUD, Emmanuel, (2002) *The extension of social security coverage: The approach of the International Labour Office.* ESS Paper no. 3. Geneva.p.3 www.ilo.org/public/english/protection/socsec/download/esspaper3.pdf

[12]ATIM, Chris. (1998) *The contribution of mutual health organisations to financing, delivery and access to healthcare: Synthesis of Research in nine West and Central African Countries*. STEP/ILO. p.1

[13]SABATES-WHEELER, Rachel and KABEER, Naila. (2003) *Gender equality and the extension of social protection.* ESS Paper no 16. Geneva. p.40 www.ilo.org/public/english/protection/socsec/download/esspaper16.pdf

[14]Ibid. p.10

[15]ESTIVILL, Jordi, (2003) *Concepts and strategies for*

*combating social exclusion: An overview*. Geneva. p.7 www.ilo.org/public/english/protection/socsec/step/

[16]BLOOM, Gerald. (February 2005) Health and Social Protection: meeting the needs of the very poor. P.11

[17]ILO. (2002) *A case Study of Lalitpur Medical Insurance Scheme (LMIS), Nepal*. Working Paper. Geneva.p.7 www.ilo.org/public/english/protection/socsec/download/714p1.pdf

[18]World Development Report. (2004) *Making services work for poor people*. World Bank.p.1

[19]BLOOM, Gerald. (February 2005) *Health and Social Protection: meeting the needs of the very poor.* p.9www.sed.manchester.ac.uk/idpm/reserach.events/february2005/protection-papers

[20]Social Security, Ministry of Labor and Employment, Government of India. Available from http://labour.nic.in/content/division/socialsecurity.pdf.[Last accessed July30, 2017]

[21]Social Security In India: Constitutional And Legal Framework. Available fromhttp://shodhganga.inflibnet.ac.in/bitstream/10603/6251/9/09_chapter%205.pdf.[Last accessed July 30, 2017]

[22]Social Security, Ministry of Labor and Employment, Government of India. Available from http://labour.nic.in/content/division/socialsecurity.php.[Last accessed July31, 2017]

[23]Maternity benefit act 1961.Available from www.ilo.org/dyn/travail/docs/678/maternitybenefitsact1961.pdf.[Last accessed August 1, 2017]

[24]Laws related to Labor Welfare -Ministry of Labor and Employment, Government of India. Available from http://labour.nic.in/content/innerpage/labour-welfare. php [Last accessed August 1, 2017]

[25]NSAP, Ministry of rural development. Available from http://nsap.nic.in/. [Last accessed August 3, 2017]



[26]Atal Pension Yojana. Available from http://financialservices.gov.in/APY. asp. [Last accessed 3 August 2017]

[27]Indira Gandhi MatritvaSahyog Yojana. Available from http://wcd.nic.in/SchemeIgmsy/scheme_igmsy.htm. [ Last accessed August 3, 2017]

[28]RashtriyaSwasthyaBima Yojana. Available fromhttp://www.rsby.gov.in/about_rsby.aspx.[Last accessed August 3, 2017

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৯-২০ শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্তন হোৱা পছন্দভিত্তিক মূল্যাংকন ব্যৱস্থা (CBCS)ৰ তিনিবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰমৰ তৃতীয় যাণ্মাসিকৰ EDNH301, পঞ্চম যাণ্মাসিকৰ EDDSEN501ৰ বাবে অনুমোদিত পাঠ্যক্ৰমৰ ভিত্তিত ৰচিত পাঠ্যপুথি)

# স্নাতক মহলাৰ
# মহান শিক্ষাবিদ আৰু শৈক্ষিক চিন্তাধাৰা
# GREAT EDUCATORS & EDUCATIONAL THOUGHTS




ড° দেইজী ৰাণী চুতীয়া
বিতুৰাজ গোহাঁই
মনালিছা তামুলী

ড° স্বপ্নালী বৰা
সোণালী চেতিয়া


MAHAVEER PUBLICATIONS

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৯-২০ শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্তন হোৱা পছন্দভিত্তিক মূল্যাংকন ব্যৱস্থা (CBCS)ৰ তিনিবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰমৰ তৃতীয় যান্মাসিকৰ EDNH301, পঞ্চম যান্মাসিকৰ EDDSEN501ৰ বাবে অনুমোদিত পাঠ্যক্ৰমৰ ভিত্তিত ৰচিত পাঠ্যপুথি)

স্নাতক মহলাৰ

# মহান শিক্ষাবিদ আৰু শৈক্ষিক চিন্তাধাৰা

## (GREAT EDUCATORS AND EDUCATIONAL THOUGHT)

**ড° দেইজী ৰাণী চুতীয়া**, এম এ, (শিক্ষাতত্ত্ব) পি.এইচ.ডি, এম এ (সমাজতত্ত্ব)
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, মৰঙি মহাবিদ্যালয়(স্নাতক), গোলাঘাট
**ড° স্বপ্নালী বৰা**, এম এ, নেট, এম.ফিল, পি.এইচ.ডি,
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, নাহৰকটীয়া মহাবিদ্যালয়, ডিব্ৰুগড়
**বিতুৰাজ গোহাঁই**, এম এ, বি.এড., নেট
সহকাৰী অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ, পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰ, তিনিচুকীয়া
**মনালিছা তামুলী**, এম এ, নেট, এম.ফিল
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, মৰঙি মহাবিদ্যালয়(স্নাতক), গোলাঘাট
**সোণালী চেতিয়া**, এম.এ., এম.ফিল
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, টেঙাখাত মহাবিদ্যালয়, ডিব্ৰুগড়

www.mahaveerpublications.com

- *No part of this book may be reproduced in any form or by any means without prior written permission of the editors & the publisher.*
- *The Editors & the Publisher have made every effort to provide authentic, accurate & up-to-date matter in this book. However, they do not take any legal responsibility for any misrepresentation or errors inadvertently overlooked.*

***Published by:***

**Mahaveer Publications**
Jain Mandir Road, Graham Bazar
Dibrugarh - 786 001
E-mail: kanganbooks@gmail.com
Mobile: 98644-30084
www.mahaveerpublications.com

***Exclusively Marketed & Distributed by***

**Kangan Stationery Stores**
(Book Seller & Distributors)
New Market, Dibrugarh - 786 001
(9401106920 (M) E-mail : kanganbooks@gmail.com
Website: www.mahaveerpublications.com

***Stockiest:***

**Adhunik Pustak Bhawan**
Babulal Poddar Path, Dibrugarh - 786 001

***Copyright :*** *All rights reserved*

***First Edition: 2021***

***Price:*** ₹ 250.00 (Rupees Two Hundred Fifty Only)

***ISBN:*** 978-93-91064-86-0

***Setting :*** Jeet Print-Soft, Dibrugarh

---

**DISCLAIMER:** While the editors of this book have made every effort to avoid any mistakes or omissions and have used their skill, expertise and knowledge to the best of their capacity to provide accurate and updated information, the editors and Mahaveer Publications do not give any representation or warranty with respect to the accuracy or completeness of the contents of this publication and are selling this publication on the condition and understanding that they shall not be made liable in any manner whatsoever. Mahaveer Publications and the editors expressly disclaim all and any liability/ responsibility to any person, whether a purchaser or reader of this publication or not, in respect of anything and everything forming out of the contents of this publication. Mahaveer Publications shall not be responsible for any errors, omissions or damages arising out of the use of the information contained in this publication.

Further, the appearance of the personal name, location, place and incidents, if any, in the illustrations used herein is purely coincidental and work of imagination. Thus the same should in no manner be termed as defamatory to any individual.

⇨ আদৰ্শবাদ সম্পৰ্কে ডেবিডাৰ মতামত ২৩৭
⇨ জ্যাঁ পল সাৰ্ত্ৰে ২৩৯ - ২৪৫
⇨ জীৱন দৰ্শন ২৩৯
⇨ সাৰ্ত্ৰেৰ স্বাধীনতাৰ ধাৰণা ২৪০
⇨ সাৰ্ত্ৰেৰ ব্যক্তিবাদ সম্পৰ্কীয় ধাৰণা ২৪১
⇨ সাৰ্ত্ৰেৰ স্বাধীনতা আৰু ব্যক্তিবাদ ধাৰণাৰ শৈক্ষিক প্ৰাসংগিকতা ২৪২
⇨ সাম্ভাব্য প্ৰশ্নাৱলী ২৪৫


## পঞ্চম অধ্যায় (UNIT-V)


⇨ শিক্ষাত বিকল্প আৰু চিন্তাবিদসকল ২৪৬ - ২৭২
⇨ ইভান ইলিচ ২৪৬ - ২৫৭
⇨ চমু জীৱনী ২৪৬
⇨ ইভান ইলিচৰ Deschooling বা নিৰ্বিদ্যালয়কৰণৰ ধাৰণা ২৫০
⇨ ইভান ইলিচৰ শৈক্ষিক চিন্তাধাৰা ২৫২
⇨ বৰ্তমান শিক্ষা ব্যৱস্থাত ইলিচৰ চিন্তাধাৰাৰ প্ৰাসংগিকতা ২৫৫
⇨ পাওলো ফ্ৰেইৰী ২৫৮ - ২৭২
⇨ চমু জীৱনী ২৫৮
⇨ ফ্ৰেইৰীৰ শৈক্ষিক চিন্তাধাৰা ২৬০
⇨ ফ্ৰেইৰীৰ বৰ্তমান শিক্ষাক সমালোচনা ২৬২
⇨ ফ্ৰেইৰীৰ বৰ্তমান শিক্ষাৰ বিকল্প চিন্তা ২৬৩
⇨ বৰ্তমান শিক্ষাত ফ্ৰেইৰীৰ চিন্তাৰ প্ৰাসংগিকতা ২৬৯
⇨ সাম্ভাব্য প্ৰশ্নাৱলী ২৭২

⇨ Reference ২৭৩ - ২৮৩

পঞ্চম অধ্যায়

# UNIT - V

## শিক্ষাত বিকল্প আৰু চিন্তাবিদসকল
## (Alternatives in Education and the Thinkers)

### ইভান ইলিচ (Ivan Illich) ঃ



*"Most learning is not the result of instruction. It is rather the result of unhampered participation in a meaningful setting. Most people learn best by being "what it", yet school makes them identify their personal, cognitive growth with elaborate planning and manipulation"*
**- Ivan Illich.**

### চমু জীৱনী (Brief Life Sketch) ঃ

শিক্ষাত বিকল্প চিন্তাধাৰা বহন কৰা শিক্ষাবিদসকলৰ ভিতৰত এজন অন্যতম হৈছে ইভান ইলিচ। ইভান ডমিনিক ইলিচ (Ivan Dominic Illich) ৰ জন্ম হৈছিল



১৯২৬ চনৰ ৪ চেপ্টেম্বৰত অষ্ট্ৰিয়াৰ ভিয়েনাত। তেওঁৰ পিতৃ ইভান পিটাৰ আছিল এজন সামৰিক অভিযন্তা আৰু সম্ভ্ৰান্ত খ্ৰীষ্টিয়ান পৰিয়ালৰ। তেওঁৰ মাতৃ এলেন ইলিচ আছিল এগৰাকী ইহুদী মহিলা। ইভান ইলিচৰ ১৫ বছৰৰ বয়সত তেওঁৰ পিতৃ আৰু ককাকৰ মৃত্যু হয়। ইলিচে মাক আৰু তেওঁৰ সৰু যমজ ভায়েকৰ দায়িত্ব বহন কৰিবলগীয়া হয়। ১৯৪৮ চনত ইলিচক 'অৰ্ধ ইহুদী' আখ্যা দিয়াত তেওঁ সপৰিয়ালে হিটলাৰৰ নিয়ন্ত্ৰিত অষ্ট্ৰিয়াৰ পৰা পলাই ইটালীলৈ আহিব লগা হয়।

তেওঁ স্কুলীয়া শিক্ষা ফ্লোৰেঞ্চত গ্ৰহণ কৰে। ফ্লোৰেঞ্চ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী আৰু পৰৱৰ্তী সময়ত চেলজবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে। এজন বহুভাষী (Polyglot) হিচাপে ইলিচে ইটালিয়ান, স্পেনিচ, ফ্ৰেন্স আৰু জাৰ্মান ভাষা খুউব ভালকৈ ক'ব পাৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ক্ৰৱেচিয়ান, পুৰণি গ্ৰীক, লেটিন আৰু পতুৰ্গীজ লগতে হিন্দী, ইংৰাজী আৰু অন্যান্য বহু ভাষা শিকিছিল।

১৯৫১ চনত তেওঁ যুক্তৰাজ্যলৈ যায় আৰু তাত নিউইয়ৰ্কৰ Irish-Puesto Ricon Paresh ত সহকাৰী ধৰ্মযাজক হিচাপে কাম কৰে। ১৯৫৬-১৯৬০ চনলৈকে ইভানে Puerto Rico কেথলিক বিশ্ববিদ্যালয়ৰ Vice Rector হিচাপে দায়িত্ব পালন কৰে। পৰৱৰ্তী সময়ত ইলিচে মেক্সিকোৰ কুৰ্নাভাকাত ১৯৬১ চনত Centre for International Formation (CIF) প্ৰতিষ্ঠা কৰে যিটো মূলতঃ মিছনেৰী সকলৰ প্ৰশিক্ষণ কেন্দ্ৰ আছিল। এই কেন্দ্ৰটো যথেষ্ট প্ৰভাৱশালী হৈ পৰিছিল আৰু কেন্দ্ৰটো Centro Intellectual de Documentation (CIDOC) লৈ ৰূপান্তৰিত কৰা হয়। এই কেন্দ্ৰটোক উত্তৰ আমেৰিকাৰ মিছনেৰীসকলৰ ভাষা গৱেষণাৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। বিভিন্ন কাৰণত ১৯৭৪ চনত CIDOC বন্ধ হয় আৰু পৰৱৰ্তী সময়ত তেওঁ ধৰ্মযাজক বা পুৰোহিতৰ পদো এৰিবলৈ বাধ্য হৈছিল।

১৯৭০ চনত তেওঁ ফ্ৰান্সৰ বুদ্ধিজীৱী সকলৰ মাজত যথেষ্ট জনপ্ৰিয় হৈ পৰিছিল। ১৯৮০ ৰ পৰা পৰৱৰ্তী সময়ছোৱাত ইলিচে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰ মূলতঃ যুক্তৰাষ্ট্ৰ, মেক্সিকো আৰু জাৰ্মানীতে জীৱনৰ বাকী সময়ছোৱা কটাইছিল। ইলিচে পেনচিলভেনিয়া ষ্টেট বিশ্ববিদ্যালয়ত (The Pennsylvania State University) দৰ্শন, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু সমাজ বিষয়ৰ ভিজিটিং প্ৰফেচৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও ব্ৰেমেন বিশ্ববিদ্যালয় (University of Bremen) আৰু হেগেন বিশ্ববিদ্যালয়ত (University of Hagen) ও তেখেতে অধ্যাপনা কৰিছিল।

ইলিচৰ জীৱনৰ শেষৰ সময়ছোৱা তেখেত এগৰাকী ভাৰতীয় অৰ্থনীতিবিদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁ আছিল এম.কে. গান্ধীৰ উপদেষ্টা অৰ্থনীতিবিদ জে.সি কুমাৰাপ্পা আৰু তেওঁৰ গ্ৰন্থ 'Economy of Performance' দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। ২০০২ চনৰ ২ ডিচেম্বৰ তাৰিখে এইজনা মহান শিক্ষাবিদৰ ব্ৰেমেন, জাৰ্মানীত মৃত্যু হয়। তেওঁ ৰচনা কৰা কেইখনমান বিশ্ববিখ্যাত গ্ৰন্থ হৈছে—

1. Celebration of Awareness: A call for Institutional Revolution (1968)
2. Deschooling Society (1971)
3. Tools for Conviviality (1973)
4. Energy and Equity (1973)
5. Limits to Medicine: Medical Nemesis (1974)
6. Disabling Professions (1977)
7. Toward a History of Needs (1978)
8. Shadow Work (1980)
9. Gender (1982)
10. ABC: The Alphabetization of the popular mind (1988)

### বৰ্তমান শিক্ষা ব্যৱস্থাৰ ওপৰত ইলিচৰ সমালোচনা (Illich's Criticism on Present Education System) ঃ

ইভান ইলিচে বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল। তেওঁৰ মতে শিক্ষক কেন্দ্ৰিক এই শিক্ষা ব্যৱস্থাই শিশুৰ অন্তৰ্নিহিত সম্ভাৱনীয়তা সমূহৰ বিকাশত বাধাৰ সৃষ্টি কৰে। এই শিক্ষ্য ব্যৱস্থাই শিশুক এক যন্ত্ৰ মানৱ হিচাপেহে গঢ়ি তোলে। ১৯৭১ চনত প্ৰকাশিত তেখেতৰ "Deschooling Society" নামৰ গ্ৰন্থখনত তেওঁ প্ৰচলিত শিক্ষা ব্যৱস্থাক সমালোচনা কৰি কৈছিল যে-

১) আনুষ্ঠানিক শিক্ষা হৈছে পুথিকেন্দ্ৰিক শিক্ষা ব্যৱস্থা। এনে ধৰণৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হোৱাত সহায় কৰিব নোৱাৰে।

২) এই শিক্ষাই শিক্ষাৰ্থীৰ মুখস্থ বিদ্যাৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে এনে শিক্ষাই শিক্ষাৰ্থীক পৰীক্ষামুখী কৰাৰ লগতে শিক্ষা ব্যৱস্থাক যান্ত্ৰিক কৰি তোলে।

৩) বিদ্যালয় শিক্ষাই শিশুক বাস্তৱ জীৱনৰ পৰা আঁতৰাই ৰাখে। অৰ্থাৎ এই শিক্ষাই শিশুক প্ৰকৃত জীৱনমুখী শিক্ষা প্ৰদান কৰাৰ পৰিৱৰ্তে সীমিত জ্ঞান আহৰণতহে গুৰুত্ব দিয়ে।

৪) ইলিচৰ মতে প্ৰচলিত বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাই গৃহ তথা সামাজিক পৰিৱেশক কম গুৰুত্ব আৰোপ কৰে। কিন্তু তেওঁৰ মতে শিশুৰ বিকাশত গৃহ তথা সামাজিক পৰিৱেশৰ গুৰুত্ব সৰ্বাধিক তথা ঘৰখনেই হৈছে শিশুৰ শিক্ষাৰ প্ৰথম কঠিয়াতলী।

৫) এই শিক্ষাই শিক্ষাৰ্থীৰ সামৰ্থৰ ওপৰত কম গুৰুত্ব প্ৰদান কৰে। শিক্ষাৰ্থীৰ সামৰ্থ, ৰুচি-অভিৰুচি, দক্ষতা আদিৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে পুথিগত জ্ঞানৰ ওপৰত অত্যধিক গুৰুত্ব প্ৰদান কৰে।

৬) এই শিক্ষাই শিক্ষাৰ্থীক আত্ম শিক্ষণৰ কম সুযোগ প্ৰদান কৰে। ইলিচৰ মতে ফলপ্ৰসূ শিক্ষণৰ বাবে আত্ম-শিক্ষণ খুবেই জৰুৰী কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাত আত্ম-শিক্ষণৰ পৰিৱৰ্তে যান্ত্ৰিকভাৱে পুথিগত জ্ঞান আহৰণ কৰি পৰীক্ষাৰ বাবেহে শিক্ষাৰ্থীক প্ৰস্তুত কৰি তোলা হয়।

৭) এই শিক্ষা ব্যৱস্থা পৰীক্ষা বা ফলাফল কেন্দ্ৰিক। ইয়াত শিক্ষাৰ্থীক বিষয়বস্তুৰ গভীৰতালৈ নোযোৱাকৈ মুখস্থ বিদ্যাৰ জৰিয়তে পৰীক্ষাৰ বাবেহে প্ৰস্তুত কৰি তোলা হয় আৰু জ্ঞানতকৈ নম্বৰৰ ওপৰত অত্যধিক গুৰুত্ব প্ৰদান কৰা হয়।

ইয়াৰ দ্বাৰা দেখা যায় যে ইভান ইলিচে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ তীব্ৰ সমালোচনা কৰিছিল আৰু এইধৰণৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে শিশুক কঠোৰ নীতি-নিয়মৰ বাহিৰত ৰাখি মুক্ত ঘৰুৱা তথা সমাজিক পৰিৱেশত নিজস্ব সামৰ্থ অনুসৰি শিক্ষা প্ৰদানৰ পোষকতা কৰিছিল।

## ইভান ইলিচৰ Deschooling বা নিৰ্বিদ্যালয়কৰণৰ ধাৰণা (Concept of Deschooling of Illich) ঃ

ইভান ইলিচে ১৯৭০ চনত তেওঁৰ দ্বাৰা প্ৰকাশিত 'Deschooling Society' নামৰ গ্ৰন্থখনত প্ৰচলিত শিক্ষা ব্যৱস্থাক কঠোৰ সমালোচনা কৰিছিল। তেওঁৰ মতে প্ৰচলিত শিক্ষা ব্যৱস্থা তথা বিদ্যালয়ে শিশুৰ অন্তৰ্নিহিত সামৰ্থ তথা ক্ষমতা সমূহৰ বিকাশৰ সুযোগ নিদিয়ে। বিদ্যালয় পৰিৱেশত শিশুক যন্ত্ৰ হিচাপেহে প্ৰস্তুত কৰা হয়। এই শিক্ষাই শিশুৰ ইচ্ছা অনিচ্ছা, সামৰ্থ আদিক গুৰুত্ব প্ৰদান কৰাৰ পৰিৱৰ্তে শিক্ষাৰ লক্ষ্য অনুসৰিহে শিশুক গঢ় দিবলৈ চেষ্টা কৰে।

সেয়েহে প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বিপৰীতে তেওঁ এক নতুন ধাৰণাৰ জন্ম দিছিল যাক তেওঁ 'Deschooling' নামেৰে নামাংকন কৰিছিল। 'Deschooling' হৈছে এনে এক ধাৰণা য'ত শিক্ষাৰ্থীয়ে নিজৰ ৰুচি-অভিৰুচি, ইচ্ছা-অনিচ্ছা, সামৰ্থ আৰু প্ৰয়োজন অনুসৰি শিক্ষা গ্ৰহণ কৰিব আৰু এই শিক্ষা বিদ্যালয়ৰ নীতি-নিয়মৰ মাজত আৱদ্ধ নহ'ব। ইলিচৰ মতে ব্যক্তিয়ে প্ৰকৃত জীৱন উপযোগী শিক্ষা বিদ্যালয়ৰ বাহিৰৰ পৰাহে আহৰণ কৰে। সেয়েহে তেওঁৰ মতে বিদ্যালয়ৰ পৰা বাহিৰত থাকিহে শিশুৱে প্ৰকৃত, বাস্তৱ জীৱনৰ উপযেগী শিক্ষা আহৰণ কৰিব যি শিক্ষাই শিশুৰ সম্পূৰ্ণ বিকাশত সহায় কৰিব।

ইলিচৰ 'Deschooling' ধাৰণাৰ মূল কথা হ'ল আনুষ্ঠানিক বিদ্যালয় কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ অন্ত। তেওঁৰ মতে বিদ্যালয়ত যোগদানৰ বাধ্যবাধকতাই ব্যক্তিৰ শিক্ষা লাভৰ অধিকাৰক হ্ৰাসহে কৰিছে। ইলিচৰ মতে "A ... major illusion on which the school system rests is that, most learning is the result of teaching. Teaching, it is true, may contribute to certain kinds of learning under certain circumstances. But most people acquire most of their knowledge outside of school"। সেয়েহে তেওঁ কৈছিল বিদ্যালয় বৰ্জন কৰি বাস্তৱ জীৱনৰ পৰা শিক্ষা আহৰণ কৰিব পাৰিলেহে শিশুৱে নিজস্ব গুণ, প্ৰতিভা তথা সামৰ্থৰে বিকাশ লাভ কৰিব পাৰিব। ইলিচৰ Deschooling ধাৰণাৰ মূল বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল।

## নিৰ্বিদ্যালয়কৰণ (Deschooling) ৰ প্ৰধান নীতিসমূহ/বৈশিষ্ট্যসমূহ ঃ

১) **আনুষ্ঠানিক শিক্ষাৰ বিৰোধিতা ঃ** ইভান ইলিচে আনুষ্ঠানিক শিক্ষা



ব্যৱস্থাৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে শিক্ষা কোনো আনুষ্ঠানিক ব্যৱস্থাৰ মাজত আৱদ্ধ হ'ব নোৱাৰে ই জীৱন জুৰি চলি থকা প্ৰক্ৰিয়া আৰু ব্যক্তিয়ে বাস্তৱ জীৱনৰ পৰা আহৰণ কৰা জ্ঞানহে প্ৰকৃত শিক্ষা। বিদ্যালয় শিক্ষাই শিশুৰ জন্মগত স্বাভাৱিক বিকাশত বাধাৰ সৃষ্টি কৰে।

২) **বিদ্যালয়ৰ বিৰোধিতা ঃ** ইলিচে পৰম্পৰাগত বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰি কৈছিল যে "School is an advertising agency which makes you believe that you need the society as it is" অৰ্থাৎ বিদ্যালয় হৈছে এক 'বিজ্ঞাপন সংস্থা' যিয়ে বিশ্বস কৰিব বাধ্য কৰাব যে সমাজখন যেনেকৈ আছে তেনেকৈয়ে প্ৰয়োজন। ই কেৱল মুখস্থ বিদ্যাৰ জৰিয়তে পুথিগত জ্ঞান আহৰণৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে।

৩) **নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বিৰোধিতা ঃ** ইলিচে বিদ্যালয়ৰ এক পূৰ্ব নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বিৰোধিতা কৰি বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা জ্ঞান আহৰণত গুৰুত্ব দিছিল। তেওঁৰ মতে বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা আহৰণ কৰা জ্ঞানেহে ব্যক্তিক সুস্থ জীৱন-যাপনত সহায় কৰে, পুথিগত জ্ঞানে নহয়।

৪) **শিক্ষক বিৰোধিতা ঃ** Deschooling ধাৰণাই শিক্ষা আহৰণ প্ৰক্ৰিয়াত শিক্ষকৰ প্ৰয়োজন তথা গুৰুত্ব নাইকিয়া কৰি শিক্ষক অবিহনে শিক্ষা আহৰণ কৰাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ মতে শিক্ষাৰ্থীয়ে আত্ম শিক্ষণৰ দ্বাৰা আহৰণ কৰা জ্ঞানহে বেছি ফলপ্ৰসু হয়।

৫) **পৰীক্ষা তথা মূল্যায়ন বিৰোধী ঃ** ইলিচৰ মতে শিক্ষা আহৰণ প্ৰক্ৰিয়াত পৰীক্ষা তথা মূল্যায়ন ব্যৱস্থা গুৰুত্বহীন। ই শিক্ষাৰ্থীৰ আত্মপ্ৰকাশ আৰু সৃজনীশীলতাৰ বিকাশত বাধাৰ সৃষ্টি কৰে।

৬) **নিৰ্ধাৰিত সময় বিৰোধী ঃ** ইলিচে বিদ্যালয়ৰ নিৰ্ধাৰিত সময়সূচীত শিক্ষাদান কৰাৰ বিৰোধীতা কৰিছিল। তেওঁৰ মতে শিকন কাৰ্য যিকোনো সময়তে সংঘটিত হ'ব পাৰে।

৭) **কঠোৰ অনুশাসন বিৰোধী ঃ** শিক্ষা ব্যৱস্থাত কঠোৰ অনুশাসনৰ তেওঁ বিৰোধীতা কৰিছিল। ইয়াৰ পৰিৱৰ্তে মুক্ত আৰু আত্ম অনুশাসনৰ

পোষকতা কৰিছিল। তেওঁৰ মতে মুক্ত পৰিৱেশতহে শিশুৰ স্বাভাৱিক বিকাশ সম্ভৱ হয়।

৮) **শিক্ষণ ৱেব ঃ** ইলিচে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সমৰ্থন কৰিছিল। তেওঁৰ মতে বিদ্যালয়ৰ বিকল্প হিচাপে শিক্ষাৰ্থীৰ সুবিধাৰ বাবে কিছুমান শিকন ৱেব থাকিব লাগে য'ত শিক্ষাৰ্থীয়ে যিকোনো সময়তে নিজস্ব ইচ্ছা অনুসৰি প্ৰয়োজনীয় জ্ঞান আহৰণ কৰিব পাৰিব।

গতিকে দেখা যায় যে ইভান ইলিচে বিদ্যালয়কেন্দ্ৰিক যান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে বাস্তৱ জীৱনৰ পৰা জ্ঞান আহৰণ কৰাতহে বেছি গুৰুত্ব প্ৰদান কৰিছিল। সেয়েহে তেওঁ বিদ্যালয় শিক্ষাৰ বিৰোধিতা কৰি নিৰ্বিদ্যালয়কৰণ (Deschooling) ৰ ধাৰণা দাঙি ধৰিছিল।

## ইভান ইলিচৰ শৈক্ষিক চিন্তাধাৰা (Ivan Illich's Educational Thought)ঃ

ইলিচৰ শৈক্ষিক চিন্তাধাৰা তথা শৈক্ষিক দৰ্শনৰ উমান তেওঁৰ কৰ্মৰাজি তথা তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থৰাজিৰ পৰা পোৱা যায়। মূলতঃ তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থ 'Deschooling Society' ত তেওঁৰ শৈক্ষিক চিন্তাধাৰাৰ প্ৰকাশ পাইছে। ইলিচে শিশুক কঠোৰ নীতি-নিয়মৰ মাজত আৱদ্ধ বিদ্যালয় পৰিৱেশত শিক্ষা প্ৰদান কৰাৰ পৰিৱৰ্তে স্বাধীন পৰিৱেশত আত্ম-শিক্ষাৰ জৰিয়তে শিশুৰ বিকাশৰ ওপৰত গুৰুত্ব দিছিল।

তেওঁ শৈক্ষিক চিন্তাধাৰা মূল দিশসমূহ তলত উল্লেখ কৰা হ'ল—

### ১) শিক্ষাৰ ধাৰণা (Concept of Education) ঃ

ইভান ইলিচৰ মতে শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া যি শিশুৰ অন্তৰ্নিহিত গুণসমূহ বিকাশ সাধন কৰি শিশুৰ সৰ্বতোমুখী বিকাশ সাধন কৰিব। ইলিচে তেওঁৰ Deschooling Society নামৰ গ্ৰন্থখনত শিক্ষাৰ ধাৰণা সম্পৰ্কে উল্লেখ কৰি কৈছিল যে- "...education is meant to be primarily a liberating experience. One expects education to liberate oneself from the darkness and bondage of ignorance."অৰ্থাৎ শিক্ষাই ব্যক্তিক অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰেৰে আলোকিত কৰিব লাগে। তেওঁ পুনৰ উল্লেখ কৰে যে- "Educa-



tion should provide the opportunity for an individual to explore one's potential and use initiative and judgement to develop one's faculties and talents to the fullest. Or alternately at the very basic, education is to do with the learning of specific skills such as a language or a craft"। তেওঁৰ মতে শিক্ষাই ব্যক্তিৰ অন্তৰ্নিহিত সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ বিকাশত সহায় কৰিব লাগে অথবা কোনো এক নিৰ্দিষ্ট কৌশলৰ বিকাশ সাধন কৰিব লাগে। যি বিকাশ আনুষ্ঠানিক বিদ্যালয়মুখী শিক্ষাৰ দ্বাৰা সম্ভৱ নহয়। তেওঁৰ মতে বিদ্যালয় হৈছে এনে এক অনুষ্ঠান য'ত শিক্ষাৰ্থীক কিছুমান পূৰ্ব নিৰ্ধাৰিত তথ্য প্ৰদান কৰা হয়। যাৰ বাবে শিশুৰ অন্তৰ্নিহিত সামৰ্থ সমূহৰ বিকাশ বাধাপ্ৰাপ্ত হয় আৰু ই হৈ পৰে যান্ত্ৰিক। শ্ৰেণীকক্ষৰ তাত্ত্বিক জ্ঞানৰ তেওঁ বিৰোধিতা কৰি বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা জ্ঞান আহৰণ কৰাৰ পোষকতা কৰিছিল। ইলিচৰ মতে শিক্ষা হ'ব লাগে বাস্তৱভিত্তিক, যি শিক্ষাই ব্যক্তিক বাস্তৱ জীৱনৰ লগত সহাৱস্থান কৰিব পৰাকৈ প্ৰস্তুত কৰি তুলিব। সেয়েহে তেওঁৰ মতে শিক্ষা কাৰ্য প্ৰাকৃতিক পৰিৱেশত বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা শিশুৱে নিজে আহৰণ কৰিব লাগে, যাৰ জৰিয়তে শিশুৰ সকলোধৰণৰ বিকাশ সম্ভৱপৰ হৈ উঠিব।

### ২) শিক্ষাৰ লক্ষ্য (Aims of Education) ঃ

ইলিচৰ মতে শিক্ষা প্ৰক্ৰিয়াই শিশুৰ অন্তৰ্নিহিত গুণসমূহ স্বাভাৱিক বিকাশত সহায় কৰিব লাগে। সেয়েহে তেওঁ বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰি এক মুক্ত আৰু প্ৰয়োজনকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিছিল। তেওঁৰ মতে শিক্ষাৰ লক্ষ্য হ'ব লাগে—

ক) শিশুৰ অন্তৰ্নিহিত প্ৰতিভাসমূহৰ স্বাভাৱিক বিকাশ সাধন।

খ) শিশুৰ শাৰীৰিক, মানসিক, সামাজিক, আৱেগিক আদি সকলো দিশৰ বিকাশ সাধন।

গ) শিশুৰ স্বাধীন চিন্তা শক্তিৰ বিকাশ সাধন।

ঘ) সুস্থ সামাজিক সমাযোজনত সহায় কৰা।

ঙ) বাস্তৱ তথা ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা।

চ) শিশুক প্ৰাকৃতিক পৰিৱেশৰ লগত সমন্বয় সাধন কৰাত সহায় কৰা।

### ৩) পাঠ্যক্ৰম (Curriculum) ঃ

ইলিচৰ মতে শিক্ষা ব্যৱস্থাত কোনো পূৰ্ব নিৰ্ধাৰিত পাঠ্যক্ৰমৰ প্ৰয়োজন নাই। সেয়েহে তেওঁ শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰমৰ ক্ষেত্ৰত 'Hidden Curriculum' বা 'উহ্য পাঠ্যক্ৰম'ৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে শিক্ষাৰ্থীয়ে কেতিয়া, ক'ত কেনেদৰে শিক্ষা আহৰণ কৰিব তাত কোনো নিয়ন্ত্ৰণ থাকিব নালাগে। উহ্য পাঠ্যক্ৰমে অলিখিত, বেচৰকাৰী, অযৌক্তিক পাঠ, মূল্যবোধ আৰু দৃষ্টিভংগীক বুজায়, যিখিনি শিক্ষাৰ্থীয়ে বিদ্যালয়ত শিকিব নোৱাৰে। সেয়েহে ইলিচে পাঠ্যক্ৰমত বৃত্তিমূলক দক্ষতাৰ বিকাশ সাধন কৰিব পৰা বিষয় অন্তৰ্ভুক্তিৰ পোষকতা কৰিছিল। ইয়াৰ উপৰি তেওঁ কম্পিউটাৰ, ভাষা শিকন, কৰ্ম অভিজ্ঞতা, খেলা-ধূলা আদিও পাঠ্যক্ৰমৰ পৰিসৰত সামৰি লৈছিল।

### ৪) শিক্ষাদানৰ পদ্ধতি (Method of Teaching) ঃ

ইলিচে শিক্ষাদনতকৈ শিক্ষা গ্ৰহণৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে শিক্ষণৰ পৰা শিকন হ'ব নোৱাৰে। শিকন সদায় অভিজ্ঞতাৰ পৰাহে সম্ভৱ হয়। সেয়েহে তেওঁ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত নিম্নলিখিত পদ্ধতিসমূহৰ কথা উল্লেখ কৰিছিল—

ক) শিক্ষাদান বা শিক্ষাগ্ৰহণ পদ্ধতিসমূহ ব্যক্তিকেন্দ্ৰিক হ'ব লাগে য'ত শিক্ষাৰ্থীয়ে নিজস্ব দক্ষতা অনুসৰি শিকিব পাৰিব।

খ) শিক্ষা আহৰণ প্ৰক্ৰিয়াত শিক্ষাৰ্থীয়ে অনুসন্ধান পদ্ধতিৰ জৰিয়তে শিকাৰ তেওঁ পোষকতা কৰিছিল।

গ) শিক্ষা আহৰণ প্ৰক্ৰিয়াত তেওঁ আত্ম শিক্ষণ পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

ঘ) শিক্ষাৰ্থীয়ে প্ৰত্যক্ষ অভিজ্ঞতাৰ দ্বাৰা জ্ঞান আহৰণত ইলিচে গুৰুত্ব প্ৰদান কৰিছিল। সেয়েহে তেওঁ কৰ্মভিত্তিক শিক্ষাদান প্ৰক্ৰিয়াৰ সমৰ্থন কৰিছিল।

ঙ) তেওঁৰ মতে শিক্ষক-শিক্ষাৰ্থীৰ মাজত মুকলি আলোচনা বা প্ৰশ্নোত্তৰৰ জৰিয়তে শিক্ষণ হ'ব লাগে।

চ) শিক্ষামূলক ভ্ৰমণক তেওঁ এক গুৰুত্বপূৰ্ণ শিকন পদ্ধতি হিচাপে গণ্য কৰিছিল।

ছ) বিভিন্ন প্ৰযুক্তিৰ মাধ্যমেৰে শিকাৰ ওপৰতো তেওঁ গুৰুত্ব প্ৰদান কৰিছিল।



### ৫) শিক্ষকৰ ভূমিকা (Role of Teacher) ঃ

ইলিচে শিক্ষা আহৰণ প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকা গৌণ বুলি কৈছিল। তেওঁৰ মতে শিক্ষক অবিহনে শিকন সম্ভৱ হয়। সেয়েহে তেওঁ ক'ব খোজে যে শিক্ষকজন হ'ব লাগে পথ প্ৰদৰ্শক তথা বন্ধুৰ দৰে। তেওঁ হ'ল শিক্ষা আহৰণ প্ৰক্ৰিয়াত সুবিধা প্ৰদানকাৰী আৰু শিশুক সহায় কৰিবলৈ তেওঁ সকলো সময়তে প্ৰস্তুত হৈ থাকিব লাগিব।

### ৬) অনুশাসন (Discipline) ঃ

শিক্ষা ব্যৱস্থাত অনুশাসনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইলিচৰ মতে শিক্ষা আহৰণ প্ৰক্ৰিয়াত কঠোৰ অনুশাসনৰ পৰিৱৰ্তে স্বতঃস্ফূৰ্ত, মুক্ত আৰু প্ৰাকৃতিক পৰিৱেশত আভ্যন্তৰীণ অনুশাসনহে বেছি প্ৰয়োজনীয়। সেয়েহে শিক্ষা ব্যৱস্থাত থকা অনুশাসন ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ ৰুচি-অভিৰুচি, স্বাধীনতা, প্ৰয়োজন আদিৰ ওপৰত গুৰুত্ব দিব লাগে।

## বৰ্তমান শিক্ষা ব্যৱস্থাত ইলিচৰ চিন্তাধাৰাৰ প্ৰাসংগিকতা (Relevance of Illich's Thoughts in Present Education System) ঃ

শিক্ষাত এক বিকল্প ধাৰণা বহন কৰা ইভান ইলিচৰ চিন্তাধাৰাৰ বৰ্তমান সময়তো যথেষ্ট প্ৰাসংগিকতা দেখা যায়। তেওঁ উল্লেখ কৰা Deschooling ধাৰণাই শিশুৰ স্বাভাৱিক বিকাশৰ জৰিয়তে জন্মজ গুণসমূহৰ বিকাশত যথেষ্ট সহায়ক হ'ব। তেওঁৰ শৈক্ষিক চিন্তাধাৰাই প্ৰভাৱিত কৰা বিভিন্ন দিশসমূহ তলত উল্লেখ কৰা হ'ল—

১) ইলিচৰ Deschooling ধাৰণাটোৱে শিক্ষা যে কেৱল বিদ্যালয়ৰ চাৰিবেৰৰ মাজত আৱদ্ধ নহয় সেই কথাটোত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁ অনানুষ্ঠানিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থায়ো আনুষ্ঠানিক শিক্ষাৰ লগতে জীৱনযোৰা শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

২) ইলিচৰ শিক্ষা ব্যৱস্থাটো শিক্ষক কেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে শিক্ষাৰ্থী কেন্দ্ৰিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে শিক্ষাৰ্থীক নিজৰ ইচ্ছা, সামৰ্থ আৰু প্ৰয়োজনীয়তা অনুসৰি শিক্ষা গ্ৰহণ কৰিবলৈ

দিব লাগে। সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থাইও শিক্ষাৰ্থীকে শিক্ষাৰ মূল কেন্দ্ৰ হিচাপে অভিহিত কৰে।

৩) ইলিচে বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে বিদ্যালয়ৰ শিক্ষাই শিশুক যন্ত্ৰ হিচাপে তৈয়াৰ কৰি তুলিব। ইয়াৰ পৰিৱৰ্তে তেওঁ প্ৰাকৃতিক পৰিৱেশত শিশুৰ স্বাভাৱিক বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। সাম্প্ৰতিক সময়ত যদিও বিদ্যালয়ৰ প্ৰয়োজনীয়তা সম্পূৰ্ণভাৱে নুই কৰিব নোৱাৰি, তথাপিও শিশুৰ স্বাভাৱিক বিকাশৰ ক্ষেত্ৰত মুক্ত আৰু স্বাধীন পৰিৱেশৰ গুৰুত্ব অধিক।

৪) ইলিচে শিক্ষাৰ্থীৰ আত্ম শিক্ষণৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষক তথা আনুষ্ঠানিক শিক্ষা ব্যৱস্থা অবিহনেও শিক্ষাৰ্থীয়ে নিজে নিজে শিক্ষা আহৰণ কৰিব পাৰিব। বৰ্তমান শিক্ষা ব্যৱস্থাটো দেখা গৈছে যে আত্ম শিক্ষণৰ দ্বাৰা আহৰণ কৰা শিক্ষা শিক্ষাৰ্থীৰ ক্ষেত্ৰত বেছি ফলপ্ৰসু হৈছে।

৫) ইলিচে শিক্ষা বা জ্ঞান আহৰণ প্ৰক্ৰিয়াত পূৰ্ব নিৰ্ধাৰিত পাঠ্যক্ৰমত বিশ্বাস নকৰে। তেওঁৰ মতে পাঠ্যক্ৰমৰ বিষয় সমূহে শিক্ষাৰ্থীক বাস্তৱ জীৱনৰ বাবে প্ৰয়োজনীয় জ্ঞান অভিজ্ঞতা প্ৰদান কৰিব নোৱাৰে। বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাইও পাঠ্যক্ৰমক বাস্তৱ জীৱন ভিত্তিক কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

৬) ইলিচৰ মতে শিশুৰ আৰ্জিত জ্ঞান, অভিজ্ঞতা, মূল্যবোধ আদি কোনো আহিলাৰ দ্বাৰা পৰিমাপ কৰা সম্ভৱ নহয় আৰু নম্বৰ ভিত্তিক শিক্ষা ব্যৱস্থায়ো শিশুৰ মনত দ্বন্দ্বৰহে সৃষ্টি কৰে। সেয়েহে তেওঁ পৰীক্ষা ব্যৱস্থাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল। সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থাতো পৰীক্ষা ব্যৱস্থাই পেলোৱা নেতিবাচক প্ৰভাৱৰ প্ৰতি সচেতন হৈ শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ গুৰুত্ব হ্ৰাস কৰিবলৈ চেষ্টা কৰিছে।

৭) ইলিচে শিক্ষাৰ্থীৰ জ্ঞান আহৰণ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁৰ মতে বিদ্যালয়ৰ বিকল্প হিচাপে প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে শিক্ষাৰ্থীক প্ৰয়োজনকেন্দ্ৰিক শিক্ষা প্ৰদান কৰিব। বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰায়বোৰ স্তৰতে প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ তথা গুৰুত্ব মন



কৰিবলগীয়া।

৮) ইলিচে শিক্ষাৰ জৰিয়তে শিশুৰ সৰ্বতোমুখী বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। সাম্প্ৰতিক শিক্ষা ব্যৱস্থাইও শৈক্ষিক বিকাশৰ লগতে আন সকলো দিশৰ বিকাশত সমানে গুৰুত্ব প্ৰদান কৰে যাৰ দ্বাৰা শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সম্ভৱ হ'ব।

৯) ইলিচে শিক্ষাৰ কৰ্মকেন্দ্ৰিক আৰু খেলভিত্তিক পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে কৰ্মৰ জৰিয়তে বা খেলা-ধূলাৰ মাজেৰে আহৰণ কৰা শিক্ষাহে প্ৰকৃত জীৱনকেন্দ্ৰিক শিক্ষা। বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থায়ো এনে ধৰণৰ কৰ্মভিত্তিক তথা খেলভিত্তিক পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

১০) ইলিচে শিক্ষাত যি মুক্ত তথা আত্ম অনুশাসনৰ কথা কৈছিল তেনেধৰণৰ অনুশাসন সাম্প্ৰতিক সময়ৰ প্ৰায় সকলোবোৰ শিক্ষা ব্যৱস্থাই সমৰ্থন কৰে।

সেয়েহে ক'ব পাৰি যে ইলিচৰ যি শৈক্ষিক চিন্তাধাৰা সি গতানুগতিক শিক্ষা ব্যৱস্থাৰ যথেষ্ট পৰিপন্থী। তেওঁৰ বৈকল্পিক শৈক্ষিক আদৰ্শই সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থাক যথেষ্ট প্ৰভাৱিত কৰে। যদিও তেওঁৰ বিদ্যালয়বিহীন শিক্ষা যথেষ্ট সমালোচিত হৈছে আৰু বাস্তৱক্ষেত্ৰত ই সম্ভৱ নহয়, তথাপিও তেওঁৰ চিন্তাধাৰাৰ গুৰুত্ব নুই কৰিব নোৱাৰি।

# পাওলো ফ্ৰেইৰী
# (Paulo Freire)



"Education…is the practice of freedom, the means by which men and women deal critically and creatively with reality and discover how to participate in the transformation of the world"

*- Paulo Freire*

## চমু জীৱনী (Brief Life Sketch) :

শিক্ষাৰ ক্ষেত্ৰত 'Critical Pedagogy' ৰ উদ্ভাৱক পাওলো ফ্ৰেইৰীৰ জন্ম হৈছিল ১৯২১ চনৰ ১৯ চেপ্টেম্বৰ তাৰিখে ব্ৰাজিলৰ পাৰনামবুকো (Pernambuco) ৰাজ্যৰ ৰাজধানী ৰেচিফে (Recife) নামৰ ঠাইত এক মধ্যবিত্ত পৰিয়ালত। তেখেতৰ সম্পূৰ্ণ নাম আছিল পাওলো ৰেগলাচ নেভিচ ফ্ৰেইৰী (Paulo Reglus Neves Freire)। তেওঁ আছিল এজন শিক্ষাবিদ, লেখক তথা দাৰ্শনিক। ১৯৩০ চনৰ অৰ্থনৈতিক মন্দাৱস্থাৰ বাবে তেওঁৰ পৰিয়ালে দৰিদ্ৰতা আৰু ক্ষুধাৰ সন্মুখীন হ'ব লগা হৈছিল আৰু সেয়েহে তেওঁলোক ১৯৩১ চনত এখন কম খৰচী চহৰ জাবুআতো ডস্ গুআৰাৰাপিচলৈ (Jaboatão dos Guararapes) গুছি যাব লগা হৈছিল। ফ্ৰেইৰীয়ে মত প্ৰকাশ কৰিছিল যে দৰিদ্ৰ আৰু ক্ষুধাই তেওঁক বহু কথা শিকাইছিল। তেওঁ সৰু কালছোৱা যথেষ্ট কষ্টৰ মাজেৰে পাৰ কৰিব লগা হৈছিল, যাৰ বাবে তেওঁ



শিক্ষাগ্ৰহণত চাৰিটাকৈ গ্ৰেড পাচ পৰি থাকিব লগা হৈছিল। তেওঁ কৈছিল— "I did not understand anything because of my hunger. I wasn't dumb. It wasn't lack of interest. My social condition didn't allow me to have an education. Experience showed me once again the relationship between social class and knowledge." তেওঁ সমনীয়াৰ সতে ফুটবল খেলি সময় পাৰ কৰিছিল আৰু খেলৰ জৰিয়তে তেওঁ বহু কথা শিকিবলৈ সক্ষম হৈছিল।

১৯৪৩ চনত ফ্ৰেইৰীয়ে ৰেচিফে (Recife) বিশ্ববিদ্যালয়ৰ আইন স্কুলত নামত ভৰ্তি কৰে। তেওঁ আইনী দণ্ডত (লিগেল বণ্ড) ভৰ্তি হোৱা স্বত্বেও কেতিয়াও তেওঁ আইনৰ অনুশীলন কৰা নাছিল। তাৰ পৰিৱৰ্তে তেওঁ মাধ্যমিক বিদ্যালয়ত পতুৰ্গীজ শিক্ষক হিচাবে কাম কৰিছিল। ১৯৪৪ চনত ফ্ৰেইৰীয়ে তেওঁৰেই সহকৰ্মী শিক্ষয়িত্ৰী এলিজা মাইয়া কষ্টা ডি অনিভেইৰাৰ লগত বিবাহপাশত আৱদ্ধ হয়। ১৯৪৬ চনত ফ্ৰেইৰীয়ে পাৰনামবুকোৰ শিক্ষা সংস্কৃতি বিভাগৰ
পৰিচালক হিচাপে নিযুক্তি লাভ কৰে। ১৯৫৯ চনত ফ্ৰেইৰীয়ে ৰেচিফে বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে আৰু শিক্ষা আৰু দৰ্শনৰ অধ্যাপক হিচাপে তাতে কৰ্মৰত হয়। শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ অৱদানৰ বাবে ১৯৬৯ চনত ফ্ৰেইৰীক হাভাৰ্ড বিশ্ববিদ্যালয়ে অতিথি প্ৰাধ্যাপক হিচাপে আমন্ত্ৰণ কৰে।

ফ্ৰেইৰীয়ে তেওঁৰ জীৱনটো দুখীয়া আৰু পিছপৰি থকা লোকসকলৰ হ'কে কাম কৰিবলৈ উচৰ্গা কৰিছিল। সেই উদ্দেশ্যেই তেওঁ ৪৫ বছৰ বয়সত ১৯৬২ চনত প্ৰায় ৩০০ শ্ৰমিকক লিখা পঢ়াৰ ব্যৱস্থা কৰিছিল আৰু লগতে সমাজৰ দুখীয়া লোকসকলক শিক্ষা দিয়াৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত লৈছিল। তেওঁ শিকন-শিক্ষণৰ বহুতো তত্ব তথা নীতি উদ্ভাৱন কৰিছিল, কিন্তু সেই সময়ৰ ব্ৰাজিলৰ চৰকাৰে সেই সমূহ মানি ল'ব বিচৰা নাছিল যাৰ বাবে চৰকাৰৰ লগত তেওঁৰ সংঘাত সৃষ্টি হৈছিল আৰু ইয়াৰ পৰিণতিত ১৯৬৪ চনৰ পৰা ১৯৮০ চনলৈকে তেওঁ ব্ৰাজিলৰ পৰা বাহিৰত থাকিব লগা হৈছিল। ১৯৮০ চনত তেওঁ ব্ৰাজিললৈ ঘূৰি আহিছিল আৰু সেই বছৰেই তেওঁ চাও পাওলো (São Paulo) ত ৱৰ্কাৰ্ছ পাৰ্টি (Workers' Party)ত যোগদান কৰিছিল। তেওঁ ১৯৮০-১৯৮৬ চনলৈ প্ৰাপ্তবয়স্ক সাক্ষৰতা প্ৰকল্পৰ (Adult Literacy Project) পৰ্যৱেক্ষক হিচাপে কাম কৰে। এইজনা মহান শিক্ষাবিদৰ ১৯৯৭ চনৰ ২ মে' তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। শিক্ষা জগতলৈ তেওঁ আগবঢ়োৱা অৱদানসমূহৰ বিষয়ে তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ পৰাই

জানিব পাৰি। এইগ্ৰন্থসমূহৰ দ্বাৰাই তেখেতৰ শৈক্ষিক চিন্তাধাৰা সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছিল। তেওঁৰ দ্বাৰা ৰচিত কেইখনমান গ্ৰন্থ হৈছে—

1. Education, the Practice of Freedom (1967)
2. Pedagogy of the Oppressed (1968)
3. Cultural Action for Freedom (1968)
4. Extension or Communication (1969)
5. Education for Critical Consciousness (1973)
6. Pedagogy in Process: The Letters to Guinea Bissau (1977)
7. The Politics of Education: Culture, Power, and Liberation (1985)
8. Teachers as Cultural Workers: Letters to those who dare teach (1993)
9. Pedagogy of Hope: Reliving Pedagogy of the Oppressed (1994)
10. Pedagogy of Freedom: Ethics, Democracy and Civic Courage (1997)

ফ্ৰেইৰীয়ে মুঠতে ২০ খন গ্ৰন্থ ৰচনা কৰিছিল। এইগ্ৰন্থসমূহ বিশ্বৰ মুঠ ১৮ টা ভাষালৈ অনুবাদ কৰা হৈছে। ইয়াৰ ভিতৰত "Education, the Practice of Freedom" তেওঁৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ, যিখন ১৯৬৭ চনত প্ৰকাশিত হৈছিল। আনহাতে তেওঁ ১৯৬৮ চনত প্ৰকাশ কৰা গ্ৰন্থ "Pedagogy of the Oppressed" নামৰ গ্ৰন্থখন হৈছে তেওঁৰ প্ৰকাশিত সবাতোকৈ জনপ্ৰিয় আৰু বহুল প্ৰচাৰিত গ্ৰন্থ।

## ফ্ৰেইৰীৰ শৈক্ষিক চিন্তাধাৰা (Freire's Educational Views) ঃ

পাওলো ফ্ৰেইৰীৰ শৈক্ষিক চিন্তাধাৰাৰ উমান তেওঁৰ দ্বাৰা প্ৰকাশিত বিভিন্ন গ্ৰন্থসমূহৰ পৰা পাব পাৰি। ইয়াৰ ভিতৰত 'Pedagogy of the Oppressed' উল্লেখযোগ্য। এই গ্ৰন্থখনৰ জৰিয়তে তেওঁ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আঁসোৱাহ সমূহ দাঙি ধৰিছিল আৰু এই শিক্ষা ব্যৱস্থাক 'Banking Model of Education' বুলি



উল্লেখ কৰিছিল।

ফ্ৰেইৰীৰ জীৱন তথা শৈক্ষিক দৰ্শনত নিষ্পেষিত সকলৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে তেওঁ শিক্ষাৰ জৰিয়তে নিষ্পেষিতসকলৰ মুক্তি লাভৰ পোষকতা কৰিছিল। তেওঁৰ মতে শিক্ষাৰ প্ৰধান কাৰ্যসমূহ হৈছে—

১) শিক্ষা হৈছে নিষ্পেষণৰ পৰা মুক্তি পোৱাৰ আহিলা। শিক্ষাই ব্যক্তিৰ জীৱন গঢ়ি তোলাৰ আহিলা হিচাপে কাম কৰিব লাগে।

২) শিক্ষা হৈছে এক ৰাজনৈতিক কাৰ্য। ই ৰাজনীতিৰ পৰা মুক্ত হ'ব নোৱাৰে।

৩) শিক্ষা হৈছে শিক্ষা কাৰ্যত অংশ গ্ৰহণকাৰীসকলৰ ভাৱৰ আদান-প্ৰদান কাৰ্য (কথোপকথনৰ জৰিয়তে)। ই এজনৰ পৰা আন এজনলৈ প্ৰেৰণ কৰা বিষয় নহয়।

৪) জ্ঞান 'পণ্য সামগ্ৰী' (Set of Commodities) নহয়, যাক শিক্ষকে ছাত্ৰক প্ৰদান কৰিব। শিক্ষাৰ্থীয়ে নিজৰ পূৰ্বজ্ঞানৰ ওপৰত ভিত্তি কৰি নতুন জ্ঞান ৰচনা কৰিব।

৫) শিক্ষণ কাৰ্যৰ জৰিয়তে আৰম্ভ হয়। ই এনে এক প্ৰক্ৰিয়া য'ত শিক্ষাৰ্থীৰ সন্মুখত জ্ঞান উত্থাপন কৰা হয় আৰু বোধ, আলোচনা আৰু প্ৰতিফলনৰ জৰিয়তে তাক ৰূপান্তৰ কৰা হয়।

৬) শিক্ষাৰ্থীসকলক খালী পাত্ৰ (Empty Account) বুলি ভাবিব নালাগে যি পাত্ৰ শিক্ষকে পূৰ্ণ কৰিব। ইয়াৰ পৰিৱৰ্তে শিক্ষাৰ্থীসকল যে পূৰ্বজ্ঞান সম্পন্ন ব্যক্তি আৰু ইয়াৰ ওপৰতহে তেওঁলোকৰ শিক্ষা বা শিক্ষণ নিৰ্ভৰ কৰে, তাৰ প্ৰতি সচেতন হ'ব লাগে।

৭) শিক্ষা হৈছে এক পৰিঘটনা য'ত শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে শিক্ষা কাৰ্যৰ জৰিয়তে এজনে আনজনক শিকায়।

৮) শিক্ষা হৈছে বাস্তৱ সম্বন্ধে কৰা সমালোচনাত্মক অধ্যয়ন। সেয়েহে তেওঁ কৈছিল reading the 'word' can not be separated from reading the 'world' অৰ্থাৎ শব্দৰ অধ্যয়নক পৃথিৱীৰ অধ্যয়নৰ পৰা পৃথক কৰিব নোৱাৰি।

৯) শিক্ষা পদ্ধতি মানুহৰ পৰিস্থিতি (situation) আৰু বাস্তৱৰ (reality)

পৰা আৰম্ভ হ'ব লাগে।

১০) শিক্ষা কাৰ্য পৃথক সম্প্ৰসাৰণ নহয় বৰঞ্চ ব্যক্তিৰ মাজত সংঘটিত এক যোগাযোগহে মাথোন।

## ফ্ৰেইৰীৰ বৰ্তমান শিক্ষাক সমালোচনা (Freire's Criticism on Present Education System) :

পাওলো ফ্ৰেইৰীয়ে প্ৰচলিত শিক্ষা ব্যৱস্থাক কঠোৰ সমালোচনা কৰিছিল। তেওঁৰ মতে এই শিক্ষা ব্যৱস্থাই শিক্ষকক সম্পূৰ্ণ জ্ঞানী ব্যক্তি আৰু শিক্ষাৰ্থী সকলক জ্ঞানশূন্য ব্যক্তি হিচাপে গণ্য কৰে। সেয়েহে এই শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা আছিল সক্ৰিয় আৰু শিক্ষাৰ্থীৰ ভূমিকা আছিল নিষ্ক্ৰিয়। ফ্ৰেইৰীয়ে তেখেতৰ গ্ৰন্থ 'Pedagogy of the Oppressed' ত সেই সময়ৰ প্ৰচলিত শিক্ষা ব্যৱস্থাক 'বেংকিং মডেল'ৰ লগত তুলনা কৰিছে। কাৰণ বেংকত যেনেদৰে টকা-পইচা বা ধন জমা ৰখা হয় ঠিক সেইদৰে প্ৰচলিত শিক্ষা ব্যৱস্থাতো শিক্ষাৰ্থীয়ে শিক্ষকে প্ৰদান কৰা জ্ঞান, তথ্য খবৰ আদি জমা ৰাখি যায়। তেওঁৰ মতে প্ৰচলিত শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক নিজৰ প্ৰতিভা, সামৰ্থ আদি বিকাশৰ কোনো ধৰণৰ সুযোগ প্ৰদান নকৰে। ইয়াত শিক্ষাৰ্থীৰ ৰুচি-অভিৰুচি, ইচ্ছা-অনিচ্ছা, পছন্দ আদিৰো কোনো মূল্য দিয়া নহয়। এই শিক্ষা ব্যৱস্থাত শিক্ষকে নিজৰ ইচ্ছা আৰু পছন্দ অনুসৰি জ্ঞান, তথ্য খবৰ আদি শিক্ষাৰ্থীক প্ৰদান কৰি যায় আৰু শিক্ষাৰ্থীয়ে কেৱল তাক গ্ৰহণ কৰি যায়। তেওঁৰ মতে এই বেংকিং মডেলত শিক্ষকজন জমাকৰ্তা আৰু শিক্ষাৰ্থীসকল জমা ৰখা পাত্ৰ বা বেংকৰ হিচাপ ৰখা বহীৰ দৰে হৈ পৰে। য'ত শিক্ষক অৰ্থাৎ জমাকৰ্তাই যিমান সম্ভৱ বেছি জমা কৰিবলৈ বিচাৰে। সেয়েহে ফ্ৰেইৰীৰ মতে প্ৰচলিত শিক্ষা হ'ল এনে এক প্ৰক্ৰিয়া য'ত বেংকত ধন জমা কৰি যোৱাৰ দৰে শিক্ষকে শিক্ষাৰ্থীৰ একাউন্টত জ্ঞান, তথ্য, খবৰ বাৰ্তা আদি জমা কৰি যায়। শিক্ষাৰ্থীয়ে সেইখিনি গ্ৰহণ কৰে, জমা ৰাখে (মনত ৰাখে), পুনৰাবৃত্তি কৰে আৰু প্ৰয়োজন সাপেক্ষে সেইখিনি উলিয়াই আনে অৰ্থাৎ পৰীক্ষাত পুনঃস্মৰণ কৰে। এই শিক্ষা ব্যৱস্থাত শিক্ষকক ৰজাৰ দৰে আৰু শিক্ষাৰ্থীক ভৃত্যৰ দৰে ব্যৱহাৰ কৰা হয়। সেয়েহে ফ্ৰেইৰীয়ে প্ৰচলিত এই বেংকিং (Banking) শিক্ষা ব্যৱস্থাক সমালোচনা কৰি নিম্নলিখিত দিশসমূহ দাঙি ধৰিছিল—

১) এই শিক্ষা ব্যৱস্থাত শিক্ষকে শিক্ষাদান কৰে আৰু শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ



কৰে।

২) এই শিক্ষা ব্যৱস্থা অনুসৰি শিক্ষকে সকলো জানে আৰু শিক্ষাৰ্থীয়ে একো নাজানে।

৩) ইয়াত শিক্ষকে চিন্তা কৰে আৰু শিক্ষাৰ্থীক চিন্তা কৰোৱাই।

৪) শিক্ষকে কথা কয় আৰু শিক্ষাৰ্থীয়ে শান্তভাৱে শুনে।

৫) শিক্ষকে পছন্দ কৰে আৰু পছন্দ বা ইচ্ছা শিক্ষাৰ্থীৰ ওপৰত জাপি দিয়ে আৰু শিক্ষাৰ্থীয়ে সেইবোৰ মানি লয়।

৬) শিক্ষকে কাৰ্য কৰে আৰু শিক্ষাৰ্থীয়ে শিক্ষকৰ কাৰ্যৰ জৰিয়তে ভ্ৰান্ত কাৰ্য বা আচৰণ প্ৰদৰ্শন কৰে।

৭) শিক্ষকে পাঠ্যক্ৰম বাছনি কৰে আৰু শিক্ষাৰ্থীয়ে (আলোচনাৰ অবিহনে) গ্ৰহণ কৰে।

৮) শিক্ষকে অনুশাসন জাৰী কৰে আৰু শিক্ষাৰ্থীয়ে অনুশাসন মানি চলে।

৯) শিক্ষকে কৰ্তৃপক্ষক তেখেতৰ বৃত্তিমূলক কৰ্তৃত্বৰে বিপাঙত পেলায় আৰু শিক্ষাৰ্থীৰ ইচ্ছা অবিহনে তেওঁলোকৰ ওপৰত নিজৰ কৰ্তৃত্ব আৰোপ কৰে।

১০) শিক্ষা প্ৰক্ৰিয়াত শিক্ষকজন হৈছে মুখ্য ব্যক্তি (Subject) আৰু শিক্ষাৰ্থী সকল হৈছে গৌণ (Object)।

ফ্ৰেইৰীয়ে শিক্ষাৰ ক্ষেত্ৰত এই বেংকিং ধাৰণাৰ বিৰোধিতা কৰিছিল। তেওঁ মতে এই ধৰণৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক প্ৰয়োজনীয় জ্ঞান আহৰণত সহায় কৰিব নোৱাৰে আৰু শিক্ষাৰ্থীৰ অন্তৰ্নিহিত প্ৰতিভাসমূহৰ বিকাশতো সহায় কৰিব নোৱাৰে। সেয়েহে তেওঁ ইয়াৰ বিকল্প হিচাপে এনে এক শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিছিল য'ত শিক্ষাৰ্থীয়ে প্ৰত্যক্ষভাৱে শিক্ষাদান-শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিব পাৰে।

## ফ্ৰেইৰীৰ বৰ্তমান শিক্ষাৰ বিকল্প চিন্তা (Freire's Alternative Thoughts to Present Education) :

ফ্ৰেইৰীয়ে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰি যি বিকল্প শিক্ষা ব্যৱস্থাৰ ধাৰণা দাঙি ধৰিছিল তাৰ উমান তেওঁৰ চিন্তাধাৰাৰ জৰিয়তে পোৱা যায়। তলত সেই সমূহৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৯-২০ শিক্ষাবৰ্ষৰ পৰা প্ৰবৰ্তন হোৱা পছন্দভিত্তিক মূল্যাংকন ব্যৱস্থা (CBCS)ৰ
তিনিবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰমৰ পঞ্চম ষাণ্মাসিকৰ সন্মান (Honours) বিষয়ৰ EDNH-502 কাকতৰ অনুমোদিত
পাঠ্যক্ৰমৰ ভিত্তিত যুগুত কৰা পাঠ্যপুথি)



MAHAVEER PUBLICATIONS

## স্নাতক মহলাৰ

# বিশ্বৰপ্ৰেক্ষাপটত শিক্ষা

# EDUCATION IN WORLD PERSPECTIVE

ড° দেইজী ৰাণী চুতীয়া
ড° মনচুন হাতীবৰুৱা
ড° স্বপ্নালী বৰা

Sreapnali Borah.
Asstt. Prof.
Naharkatiya Collg

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৯-২০ শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্তন হোৱা পছন্দভিত্তিক মূল্যাংকন ব্যৱস্থা (CBCS)ৰ তিনিবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰমৰ পঞ্চম ষান্মাসিকৰ সন্মান (Honours) বিষয়ৰ EDNH-502 কাকতৰ অনুমোদিত পাঠ্যক্ৰমৰ ভিত্তিত যুগুত কৰা পাঠ্যপুথি)

# স্নাতক মহলাৰ
# বিশ্বৰপ্ৰেক্ষাপটত শিক্ষা
# EDUCATION IN WORLD PERSPECTIVE

**ড° দেইজী ৰাণী চুতীয়া,** এম এ, (শিক্ষাতত্ত্ব) পি.এইচ.ডি, এম এ (সমাজতত্ত্ব)
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, মৰঙি মহাবিদ্যালয়(স্নাতক), গোলাঘাট

**ড° মনচুন হাতীবৰুৱা,** এম এ, পি.এইচ.ডি,
সহযোগী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান

**ড° স্বপ্নালী বৰা,** এম এ, পি.এইচ.ডি,
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ, নাহৰকটীয়া মহাবিদ্যালয়,

www.mahaveerpublications.com

- *No part of this book may be reproduced in any form or by any means without prior written permission of the editors & the publisher.*
- *The Editors & the Publisher have made every effort to provide authentic, accurate & up-to-date matter in this book. However, they do not take any legal responsibility for any misrepresentation or errors inadvertently overlooked.*

*Published by:*

**Mahaveer Publications**
Jain Mandir Road, Graham Bazar
Dibrugarh - 786 001
E-mail: kanganbooks@gmail.com
Mobile: 98644-30084
www.mahaveerpublications.com

*Exclusively Marketed & Distributed by*

**Kangan Stationery Stores**
(Book Seller & Distributors)
New Market, Dibrugarh - 786 001
(9401106920 (M) E-mail : kanganbooks@gmail.com
Website: www.mahaveerpublications.com

*Stockiest:*

**Adhunik Pustak Bhawan**
Babulal Poddar Path, Dibrugarh - 786 001

*Copyright :* *All rights reserved*

*First Edition: 2021*

*Price:* ₹ 250.00 (Rupees Two Hundred Fifty Only)

*ISBN:* 978-93-91064-85-3

*Setting :* Jeet Print-Soft, Dibrugarh

---

**DISCLAIMER:** While the editors of this book have made every effort to avoid any mistakes or omissions and have used their skill, expertise and knowledge to the best of their capacity to provide accurate and updated information, the editors and Mahaveer Publications do not give any representation or warranty with respect to the accuracy or completeness of the contents of this publication and are selling this publication on the condition and understanding that they shall not be made liable in any manner whatsoever. Mahaveer Publications and the editors expressly disclaim all and any liability/ responsibility to any person, whether a purchaser or reader of this publication or not, in respect of anything and everything forming out of the contents of this publication. Mahaveer Publications shall not be responsible for any errors, omissions or damages arising out of the use of the information contained in this publication.

Further, the appearance of the personal name, location, place and incidents, if any, in the illustrations used herein is purely coincidental and work of imagination. Thus the same should in no manner be termed as defamatory to any individual.

# সূচীপত্ৰ

প্ৰথম অধ্যায় (Unit- I) ১৩ - ২৫

⇨ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ প্ৰকৃতি আৰু পৰিসৰ ১৩

⇨ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ প্ৰকৃতি ১৪

⇨ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ পৰিসৰ ১৫

⇨ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ গুৰুত্ব ১৬

⇨ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাক প্ৰভাৱিত কৰা কাৰক বা উপাদানসমূহ ১৭

⇨ প্ৰশ্নাৱলী ২৫

দ্বিতীয় অধ্যায় (Unit- II) ২৬ - ৩৭

⇨ অধ্যয়নৰ বিকাশৰ ঐতিহাসিক পটভূমি ২৬

⇨ ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ অধ্যয়নৰ ক্ষেত্ৰত ব্যৱহৃত বিভিন্ন পদ্ধতিসমূহ ৩০

⇨ প্ৰশ্নাৱলী ৩৭

তৃতীয় অধ্যায় (Unit- III) ৩৮ - ১৪৪

⇨ যুক্তৰাজ্য, আমেৰিকা যুক্তৰাষ্ট্ৰ, ভাৰত আৰু জাপানৰ শিক্ষাৰ বিকাশ প্ৰাক প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ শিক্ষাৰ লক্ষ্য, উদ্দেশ্য, বৈশিষ্ট্য, সংগঠন, প্ৰশাসন আৰু পাঠ্যক্ৰমক সামৰি ৩৮

⇨ যুক্তৰাজ্যৰ শিক্ষাৰ বিকাশ ৩৮

⇨ আমেৰিকা যুক্তৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাৰ বিকাশ ৪৪

⇨ ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বিকাশ ৪৭

⇨ জাপানৰ শিক্ষা ব্যৱস্থাৰ বিকাশ ৫০

# প্ৰথম অধ্যায়

# UNIT - I

## ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ প্ৰকৃতি আৰু পৰিসৰ
## (Nature and Scope of Studing National System of Education)

ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা বুলি ক'লে এখন ৰাষ্ট্ৰই নিৰ্দ্ধাৰণ কৰি লোৱা শিক্ষা ব্যৱস্থাকে বুজা যায়। বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰিলে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰসমূহৰ মাজত ভিন ভিন ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়। ৰাষ্ট্ৰ এখন বিকাশৰ ইতিহাস, ভৌগোলিক অৱস্থা, ৰাজনৈতিক ব্যৱস্থা, জাতিগত কাৰক, ধৰ্মীয় প্ৰভাৱ আদিবোৰৰ বাবেই মূলতঃ এনে পাৰ্থক্য পৰিলক্ষিত হয়। সেয়েহে দেখা যায় যে ৰাষ্ট্ৰসমূহে নিজ নিজ দেশৰ এই স্বকীয় বৈশিষ্ট্য সমূহৰ ওপৰত ভিত্তি কৰিয়েই সেই ৰাষ্ট্ৰখনৰ শিক্ষা ব্যৱস্থাও গঢ়ি তোলে। এনে শিক্ষা ব্যৱস্থাকে ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা বুলি কোৱা হয় আৰু সেয়েহে প্ৰত্যেক ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা সুকীয়া সুকীয়া হোৱা পৰিলক্ষিত হয়।

ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাই ৰাষ্ট্ৰ এখনে শৈক্ষিক খণ্ডৰ লগতে ৰাষ্ট্ৰখনৰ বিভিন্ন দিশৰ বিকাশৰ বাবে হাতত লোৱা ব্যৱস্থাকে বুজায়। এখন ৰাষ্ট্ৰৰ শিক্ষা গাঁথনি, শৈক্ষিক প্ৰশাসন, শৈক্ষিক লক্ষ্য, পাঠ্যক্ৰম, শিক্ষাদানৰ পদ্ধতি, পৰীক্ষা ব্যৱস্থা আদি সম্পৰ্কে সামগ্ৰীকভাৱে ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নত সামৰি লোৱা হয়। ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নে সেয়েহে এখন ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাৰ এই বিভিন্ন দিশসমূহৰ বিষয়ে জনাত সহায় কৰে। I.L. Kandel এই ক্ষেত্ৰত মত পোষণ কৰিছিল যে এখন দেশৰ শিক্ষা ব্যৱস্থাটো প্ৰকৃতাৰ্থত অনুধাৱন আৰু মূল্যায়ন কৰিবলৈ হ'লে তাৰ ইতিহাস আৰু পৰম্পৰা তথা ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অনুষ্ঠানবোৰৰ নিয়ন্ত্ৰণ কৰা শক্তি আৰু চিন্তাধাৰা, যিয়ে ইয়াৰ বিকাশ নিৰ্ণয় কৰে সেইবোৰক জনাটো অতিকে প্ৰয়োজনীয়

(In order to understand, apprehend and evaluation the real meaning of the educational system of nation, it is essential to know something of its history and traditions of the forces and attitudes governing its social organization and the political and economic conditions that determine its development– I. L. Kandel)। সেয়েহে ক'ব পাৰি ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ অধ্যয়নে এখন ৰাষ্ট্ৰৰ শিক্ষাৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা অধ্যয়নৰ প্ৰকৃতি ঃ

## (Nature of studing national system of Education)

